Website: www.amaraditi.com

জাননী
'আমাৰ অদিতি'ৰ ৱেব পৰ্টেলৰ বাবে
প্ৰতিখন জিলাৰ সদৰৰ পৰা
একোজনকৈ সাংবাদিক বিচৰা হৈছে।
বায়'ডাটা আৰু বা-বাতৰি তলৰ
ই-মেইলত পঠিয়াওক
E-mail: amaraditi10@gmail.com
WhatsApp: 8638391048

জাতীয় স্বাৰ্থত ৰাইজৰ পক্ষত

# আমাৰ অদিতি

AN ASSAMESE WEEKLY • RNI REGN. NO. ASSASS/2020/80920 • POSTAL REGN NO. NGG-724/2024-26

Amar Aditi, Nagaon • VOL -VI, No. 42, Wednesday, 14 January, 2026/আমাৰ অদিতি, নগাঁও • ষষ্ঠ বছৰ, সংখ্যা- ৪২, ১৪ জানুৱাৰী, বুধবাৰ, ২০২৬, ২৯ পুহ, ১৯৪৫ শক • মূল্য ঃ ৫.০০ টকা

সম্পাদকীয়

## বিহু সংকল্প

মুৰুলী বৰুৱা

আকৌ আহিল অসমীয়াৰ বাপতি সাহোন হেপাঁহৰ ভোগালী বিহু । অভাৱনীয় মূল্য বৃদ্ধিয়ে কোঙা কৰিলেও অসমীয়া জাতিয়ে অতি হেপাঁহেৰে উদযাপন কৰে ভোগালী বিহু। প্ৰতি বছৰে প্ৰকৃতিয়ে ভয়ংকৰ তাণ্ডৱ সৃষ্টি কৰিলেও বৃহত্তৰ অসমীয়া জাতিয়ে এই বিহুৰ অন্তহীন আনন্দ-উলাহত নিমজ্জিত হৈ পুনৰ সমন্বয়ৰ গানেৰে জাতিতোক আগুৱাই নিয়াৰ বাবে সংকল্পবদ্ধ হয় । কাৰণ একমাত্ৰ এই বিহুৱেই সকলোকে ঐক্যবদ্ধ হৈ থকাৰ সঞ্জীৱনী শক্তি প্ৰদান কৰে । এই বিহুতেই ■ চতুৰ্থ পৃষ্ঠাত

## ভোগালীৰ আনন্দ ঘূৰাই আনো আহক

ৰাহুল দেৱ বৰদলৈ

ভোগালী! এক মদকতা থকা শব্দ। মাঘ বিহুক ভোগালী বিহু বুলি কোৱা হয়। মাঘ বিহু অৰ্থাৎ ভোগালী বিহু বুলিলেই অসমীয়াৰ মন-প্ৰাণ পুলকিত হৈ উঠে। সীমাহীন আনন্দ, নদন-বদন শস্যে-মৎসে ভৰপুৰ সময়ৰ আবাহন। আঘোণ-পুহৰ হিম শেতা জাৰকো নেওচি ভোগালীক আদৰাৰ ন ন আয়োজন। মনত পৰে.....

'শুৱনি আমাৰ গাঁওখন অতি
শুৱনি গছৰে ভৰা
ডাল ভৰি ভৰি ফল ফুল লাগে
কত পাও তল সৰা
শুৱণি আমাৰ ধাননি পথাৰ
ধানেৰে উপচি পৰে ■ এঘাৰ পৃষ্ঠাত



## ধুবুৰীত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ, সৌৰশক্তি প্ৰকল্প উদ্বোধন মুখ্যমন্ত্ৰীৰ

# স্বামীয়ে দ্বিতীয় বিবাহ কৰিলে ১৪ বছৰ জে'ল

## 'গৌৰৱ গগৈয়ে ৰেজাউল কৰিম সৰকাৰক পদত্যাগৰ সুবিধা দি হিৰো হোৱাৰ সুবিধা দিলে'



**অদিতি সেৱা, ধুবুৰী ঃ** শেহতীয়াভাৱে কংগ্ৰেছত যোগদান কৰি বিতৰ্কিত মন্তব্যৰে ৰাজ্যৰ ৰাজনীতিত তোলপাৰ লগোৱা সংখ্যালঘু নেতা ৰেজাউল কৰিম সৰকাৰৰ পদত্যাগ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বৃহস্পতিবাৰে বিলাসীপাৰাত সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়— 'তেওঁক এতিয়া ৰিজাইন দি হিৰো হ'বৰ সুবিধা দিলে। তেওঁক বহিষ্কাৰ কৰিব লাগিছিল নহ'লে কথাখিনি ■ দহ পৃষ্ঠাত

## অসমৰ জাতীয় জীৱনত মাঘ বিহুৰ ঐতিহ্য আৰু পৰম্পৰা

কুমাৰ বিভূতি

অসমৰ জাতীয় জীৱনৰ লগত জড়িত অসমীয়া সংস্কৃতিৰ অন্যতম প্ৰধান অংগ বিহু উৎসৱৰ জন্ম, বিকাশ আৰু অগ্ৰগতিত বিভিন্ন ভাষা গোষ্ঠীৰ সাংস্কৃতিক প্ৰভাৱ অস্বীকাৰ ■ পঞ্চম পৃষ্ঠাত

## ছাত্ৰৰ নৈতিক চৰিত্ৰ গঠনত সমাজৰ ভূমিকা

নলিনী ৰঞ্জন ভূঞা

মানৱ জীৱনৰ ক্ৰমবিকাশৰ গতিত ছাত্ৰ-জীৱনৰ সময় ছোৱাকেই আটাইতকৈ গুৰুত্বপূৰ্ণ, স্পৰ্শকাতৰ আৰু সম্ভাৱনাময় সময় হিচাপে গণ্য কৰা হয়। এজোপা গছৰ ভৱিষ্যৎ যেনেকৈ পুলিটোৰ যতনৰ ওপৰত নিৰ্ভৰ কৰে, ঠিক তেনেদৰে এখন দেশ বা জাতিৰ ভৱিষ্যতৰ ৰূপৰেখা নিৰ্ণয় হয় সেই দেশৰ ছাত্ৰ সমাজৰ চৰিত্ৰ আৰু নৈতিকতাৰ ওপৰত। নৈতিকতা বুলি ক'লে আমি কেৱল কিছুমান নিয়ম-কানুন মানি চলাটোকে বুজিলে নহব, ই হ'ল মানুহৰ অন্তৰাত্মাৰ পৰা নিগৰি অহা এক বিশেষ গুণ, যিয়ে সত্য, ন্যায়, দয়া, মমতা, সততা আৰু সহনশীলতাৰ দৰে মানৱীয় প্ৰমূল্যবোধক গুৰুত্ব প্ৰদান কৰে। কিন্তু সাম্প্ৰতিক ■ দহ পৃষ্ঠাত

## মছলাৰ গোন্ধ আৰু সংস্কৃতিৰ ৰং

ড° শৰৎ বৰকটকী



খাদ্যৰ সোৱাদ আৰু সন্তুষ্টি, স্বাস্থ্যৰ সুৰক্ষা, সমাজ—সংস্কৃতিৰ সৌন্দৰ্য এই সকলোবোৰতেই মছলাই মানৱজীবনৰ সৈতে অতীতৰ পৰা জড়িত। প্ৰাচীনকালৰ পৰা আজিলৈকে মছলাই মানৱজীৱনৰ সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰি আহিছে। খাদ্যজগতৰ গুৰুত্বপূৰ্ণ এই মছলাৰ উপাদানসমূহৰ ব্যঞ্জনৰ মূল্য, চিকিৎসা মূল্য আৰু সামাজিক গুৰুত্ব আছে। ভাৰতীয় মছলাৰ বিষয়ে ঋগ্বেদ, অথৰ্ববেদ, চৰক সংহিতা আৰু সূশ্ৰুত ■ নৱম পৃষ্ঠাত

## নগাঁৱৰ মাঘৰ বিহুৰ পৰম্পৰা

কনক হাজৰিকা


'মাঘৰ মেজি জ্বলে দপদপাই
বেৰি সমনীয়াই ধৰো
সুৰীয়া গীতেৰে হাতৰ চাপৰিৰে
নৈৰ পাৰ উতলা কৰোঁ।'


অসমৰ জাতীয় উৎসৱ সমুহে আমাৰ সাংস্কৃতিক পৰম্পৰা, লোক বিশ্বাস, আধ্যাত্মিক চিন্তা-চেতনাই গ্ৰাম্য জীৱনক বাৰুকৈয়ে প্ৰভাৱিত কৰি আহিছে। এনে জাতীয় উৎসৱসমূহৰ প্ৰধান উৎসৱ বিহু। বিহু বুলি ■ এঘাৰ পৃষ্ঠাত


: 9954128285
: (03672) 356744
: Dr. Gautam's Brahmaputra Eye Care
Dr. Gautam's
BRAHMAPUTRA
EYE CARE
Our Community Service Centre
ডাঃ গৌতমচ
99541 28285
03672 356744
ব্ৰহ্মপুত্ৰ আই কেয়াৰ
কমিউনিটি চাৰ্ভিচ চেন্টাৰ, আউনীআটি
ND Tower, BN Mahanta Path, Amolapatty
(Near Ramanujan junior college)
Pin: 782001, Nagaon (Assam)


Falah Group of Institutes (FGI)
SENIOR SECONDARY SCHOOL, NAGAON
UDISE: 18101100403
নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ নাম ভৰ্তিৰ বাবে অত্যাধুনিক নিৰ্ভৰযোগ্য শিক্ষানুষ্ঠান
(বিজ্ঞান আৰু কলা শাখা)
ADMISSION OPEN FOR 2025-26
ৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতিসম্পন্ন শিক্ষকৰ দ্বাৰা NEET/JEE ৰ বছৰেকীয়া প্ৰশিক্ষণ
Elphinstone Complex, M. B. Road, Fouzdaripatty, Nagaon (Assam), PIN: 782001
E-mail: fgisuper35@gmail.com, Website: www.fgi.org.in
Contact Numbers: 6003147684 / 7002752163


Krishna
Advertising
Muruli Baruah
Journalist
CONTACT NOW
www.amaraditi.com
+918638992568
+919678703822
Email - murulibaruahlngn@gmail.com
Add - Lakhinagar Chariali, Haibargaon, Nagaon, Assam


DOBOKA
LIFE CARE
HOSPITAL & R C
An ISO 9001-2015 Certified
Multispeciality Hospital
আমাৰ ইয়াত বহনযোগ্য খৰচত জৰুৰীকালীন (Emergency) চিকিৎসা, বিভিন্ন বিভাগৰ অভিজ্ঞ চিকিৎসকৰ পৰামৰ্শ, অত্যাধুনিক পদ্ধতিৰে অস্ত্ৰোপচাৰ, অত্যাধুনিক সুবিধাযুক্ত পৰীক্ষাগাৰ (Laboratory), এক্স-ৰে' (X-ray), আল্ট্ৰাচাউণ্ড (Ultrasound), এণ্ড্ৰস্ক'পি (Endroscopy) আদি সুবিধা থকাৰ উপৰিও ৰোগীৰ থকাৰ বাবে সুবিধাযুক্ত জেনেৰেল ৱাৰ্ড, কেবিন, ফাৰ্মাচী আদি একেটা প্ৰাংগণত উপলব্ধ
Doboka Town (Bypass) Hojai, Assam 782440
Phone: 03674-291506, 8812825588, 881282599
Website: www.dobokalifecare.com, E-mail:dobokalifecare@gmail.com


Website
Designer.
Tanmoy
To help local brands and businesses stand head to head with the digitalization, Me & my team took the initiative to provide help.
Our Services
• Web Development
• SEO Management
• Advertising & More
JOIN NOW
+91 9864884001
tanmoyjitb@gmail.com


NIDAN HOSPITAL NAGAON
A.T. Road, Khutikatia, Nagaon, Assam - 782002
60260 26020 / 93876 94611
INVESTIGATION
১। চি.টি. স্কেন
২। এক্স-ৰে
৩। আল্ট্ৰাছাউণ্ড
৪। ই.চি.জি.
৫। ক'লনোস্কপি
৬। এণ্ড'স্কপি
৭। ই.ই.জি.
৮। এন.চি.ভি.
৯। ফাইব্ৰ'স্কেন
১০। ইউৰোফ্ল'মেট্ৰী
১১। তেজ, শৌচ, কফ, প্ৰস্ৰাৱ ইত্যাদি পৰীক্ষা
SUPER SPECIALITY
১। গ্যাস ট্ৰ'এণ্টাৰ'লজি
২। ইউৰ'লজি আৰু নেফ্ৰ'লজি
৩। নিউৰ'লজি আৰু নিউৰ'চাৰ্জাৰী
৪। অংক'লজি আৰু অংক'চাৰ্জাৰী
৫। কাৰ্ডিয়'লজি
OTHER SERVICE
১। 24x7 ফাৰ্মাচী
২। 24x7 জৰুৰীকালীন সেৱা
৩। 24x7 কম্পিউটাৰাইজড লেবৰেটৰী
৪। 24x7 এম্বুলেন্স
৫। পাৰ্কিং
DEPARTMENTS
১। অস্থি ৰোগ বিশেষজ্ঞ (অৰ্থোপেডিকছ)
২। সাধাৰণ আৰু লেপাৰস্কপি চাৰ্জাৰী বিশেষজ্ঞ
৩। প্ৰসূতি আৰু স্ত্ৰী ৰোগ বিশেষজ্ঞ
৪। ইএনটি (কান-নাক-ডিঙি)
৫। মেডিচিন বিশেষজ্ঞ
৬। শিশু বিশেষজ্ঞ
৭। আই.চি.ইউ (NICU / PICU)
AVAILABLE DOCTORS
ডাঃ অঞ্জন বৰা, MBBS, MS Ortho
ডাঃ মুস্তাফা আহমেদ সৰকাৰ (M.B.B.S,M.S,FMAS, FIAGES,FAGIE Laparoscopic & Endoscopic Surgeon)
ডাঃ চন্দনা নাথ, MBBS, DGO (Gynaecologist)
ডাঃ ৰাজীৱ বৰবৰা, M.B.B.S , MD (Medicine)
ডাঃ ক্ষিৰ কান্ত দাস, MD
ডাঃ আজাহাৰুল হক চৌধুৰী, M.B.B.S , MD (Medicine)
ডাঃ মৃন্ময় কুমাৰ বৰা, (MBBS, MS Ent Specialist & Micro Ear Surgeon)
ডাঃ বিমান জ্যোতি বৰা, MBBS, MS (ENT Specialist)
ডাঃ অৰূপ চৌধুৰী, MD, (Medicine) DM (Gastroenterlogy)
ডাঃ নওছিম আক্ৰাম হুডা, MBBS, MS, MCH Urology
ডাঃ কুমুদ ৰাহাং, MBBS, D. Cardiology (PGDCC), PGDFMS
ডাঃ আব্দুছ ছালাম খান, MBBS, MD-PEDIATRICS SRD-HEMATO-ONCOLOGY (Newborn & Child Specialist)
ডাঃ হিমাদ্ৰী দাস, MBBS, MD PEDIATRICS
ডাঃ নজমুল হুছেইন, MD (Anesthesiologist)
ডাঃ হিমাদ্ৰী গগৈ, MD (Anesthesiologist)
ডাঃ বিশ্বদীপ চৌধুৰী, MD (Anesthesiologist)
ডাঃ ভাস্কৰ জ্যোতি নাথ, MBBS, DCP (Pathology)
ডাঃ বিনয় বৰা, MD Radiology
VISITING DOCTORS
ডাঃ চিন্ময় মজুমদাৰ, (Senior Cardiologist) MD, DM, FACC, FSCAI
ডাঃ অমিত ৰয়, MD, DM (Nephrology)
ডাঃ বিনীত কুমাৰ টোডী, MBBS, MD, DM (Neurologist)
ডাঃ চন্দন সৰকাৰ, MBBS, MS, DrNB (Neurosurgery), Brain & Spine Surgeon
ডাঃ আশুতোষ সাহেৱাল্লা, Surgical Oncologist, MS, DNB, MCH, DrNB, FMAS


KRISHNA ELETRICAL
A House of
Electrical Goods
Sales & Service
A.T. Road, Lakhinagar, Chariali
Haibargaon, Nagaon, Assam, 782002
Or
Mobile: 8638992568
E-mail: murulibaruahlngn@gmail.com
NB: 12 Hours Electrical Mechanical Service

## ভোগালীৰ ওলগ জনাই তীব্ৰ সমালোচনাৰ সন্মুখীন কংগ্ৰেছ

# অসমীয়াই ব'হাগ বিহু, মাঘ বিহু, কাতি বিহুৰ দিনা কাকো হিংসা নকৰে ঃ মন্ত্ৰী পীযুষ






**অদিতি সেৱা ঃ** অসম কংগ্ৰেছৰ মাঘ বিহুৰ ওলগ জনোৱাৰ এখন ফটোক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "আমাৰ অসমীয়া মানুহৰ বাবে বিহু এটা জাতীয় উৎসৱ। মেজি আমি কিয় জ্বলাও, কাৰণ অগ্নিয়ে অমংগল বা আন্ধাৰক আঁতৰ কৰে। মেজি জ্বলোৱাৰ পৰিৱৰ্তে কাৰোবাৰ ঘৰ, বিল্ডিং, অফিচ জ্বলোৱাটো বিহুৰ মানসিকতা নহয়। এইটো হিংসাৰ, ঘৃণাৰ মানসিকতা। অসমীয়াই ব'হাগ বিহু, মাঘ বিহু, কাতি বিহুৰ দিনা কাকো হিংসা নকৰে।" "আমি এটাই কামনা কৰো যে মেজিৰ জুয়ে সকলো পৰিয়াল পৰা অমংগল, দুখ আঁতৰাই লৈ যায়। মেজিৰ জুইৰ উদ্দেশ্য ইতিবাচক। কিন্তু তেওঁলোকে সেইটোকে বুজি নাপায়। অসমীয়া ভাষা-সংস্কৃতিৰ লগত কংগ্ৰেছৰ কোনো সম্পৰ্ক নাই। এইটোকে আজি তেওঁলোকে বাজপেয়ী ভৱন জ্বলোৱাৰ ফটো এটা দি টুইট কৰিছে। আমি পদক্ষেপ নলও। মানুহে নিজে বুজি পাইছে যে কংগ্ৰেছ দলটোৱে মাঘ বিহুৰ উৰুকা একো বুজি নাপায়। তেওঁলোকে কেৱল মিঞাক বুজি পায়। অসমত নেপালৰ দৰে পৰিস্থিতিৰ সৃষ্টি কৰাৰ ষড়যন্ত্ৰৰে আপোনালোকে দিয়া এই উচতনিক কেতিয়াও সহ্য কৰা নহ'ব'— কংগ্ৰেছক উদ্দেশ্যি এই কঠোৰ সতৰ্কবাণী মন্ত্ৰী পীযুষ হাজৰীকাৰ। অসম কংগ্ৰেছৰ মাঘ বিহুৰ ওলগ জনোৱাৰ এখন ফটোক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। সামাজিক মাধ্যমযোগে মন্ত্ৰীগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে কংগ্ৰেছক সকীয়নি দিয়ে। সামাজিক মাধ্যমযোগে তেওঁ দুখন ফটো আপলোড কৰি ব্যক্ত কৰিছে নিজৰ প্ৰতিক্ৰিয়া। এখন ফটো হৈছে বিজেপিৰ ৰাজ্যিক কাৰ্যালয় বাজপেয়ী ভৱনৰ আৰ্হিৰে জ্বলি থকা এটা মেজি এ আই নিৰ্মাণেৰে অসম কংগ্ৰেছে সামাজিক মাধ্যমত দি মাঘ বিহুৰ শুভেচ্ছা জনোৱা আৰু আনখন বাজপেয়ী ভৱনৰ ফটো। অসম কংগ্ৰেছৰ ফটোখনৰ তুলনা কৰিবলৈ মন্ত্ৰীগৰাকীয়ে বাজপেয়ী ভৱনৰ ফটো দি নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। সামাজিক মাধ্যমযোগে মন্ত্ৰীগৰাকীয়ে কয়, 'এয়া কোনো ধেমালি নহয়। খিলঞ্জীয়া ৰাইজৰ বিৰোধী অসম প্ৰদেশ কংগ্ৰেছে এতিয়া অসমীয়া পৰম্পৰা, সনাতন সংস্কৃতিক প্ৰত্যক্ষভাৱে আক্ৰমণ কৰিছে। ভোগালী বিহুত অসমীয়া ৰাইজে আনুষ্ঠানিকভাৱে জ্বলোৱা ভেলাঘৰ সম্পূৰ্ণৰূপে সুকীয়া, ইয়াৰ অৰ্থ সুকীয়া। আমাৰ ধৰ্ম, সংস্কৃতিৰ সম্পূৰ্ণ বিৰোধীসকলৰো ঘৰ আমি কেতিয়াও নজ্বলাও। আজি অসমৰ এক পবিত্ৰ দিন, য'ত আমি শান্তি-সম্প্ৰীতি, ভাতৃত্ববোধৰ পোষকতা কৰোঁ। কিন্তু অসমীয়া সংস্কৃতিক বিকৃতভাৱে উপস্থাপন কৰি আপোনালোকে এক বিশেষ শ্ৰেণীৰ লোকক আমাৰ সাংগঠনিক কাৰ্যালয়, ঘৰত আক্ৰমণ কৰিবলৈ উচতনি দিছে। অসমত নেপালৰ দৰে পৰিস্থিতিৰ সৃষ্টি কৰাৰ ষড়যন্ত্ৰৰে আপোনালোকে দিয়া এই উচতনিক কেতিয়াও সহ্য কৰা নহ'ব।"

## নগাঁৱৰ বজাৰত নকল চিগাৰেট

**অদিতি সেৱা ঃ** ধুমপান স্বাস্থ্য বাবে ক্ষতিকাৰক। সেই কথা সকলোৱে জানে। বজাৰত বিক্ৰী হোৱা চিগাৰেটৰ বাকচটো এই সতৰ্কীকৰণ লিখা থাকে। ইমানৰ পাছতো এইবাৰ নগাঁৱৰ বজাৰত ধৰা পৰিছে ধুমপান কৰা সকলৰ মাজত বিশেষ ভাৱে জনপ্ৰিয় 'চামচ' চিগাৰেটৰ একেই নাম একেই আৰ্হিত ভেজাল চিগাৰেট। অতি নিম্ন মানৰ ভেজাল সামগ্ৰী ব্যৱহাৰৰ কৰি প্ৰস্তুত কৰা এই চিগাৰেট বিধ সাধাৰণতে বজাৰত উপলব্ধ চিগাৰেট সমূহতকৈ অতি ভয়াবহ মানুহৰ শৰীৰৰ বাবে। ইতিমধ্যে নগাঁও আৰক্ষীয়ে বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত নগাঁও চহৰৰ বৰবজাৰ এলেকাত অনুসন্ধান চলাই একাংশ বিপনীৰ বৃহৎ পৰিমাণৰ নকল 'চামচ' চিগাৰেট জব্দ কৰিবলৈ সক্ষম হৈছে। নগাঁও আৰক্ষীয়ে এই সম্পৰ্কে ১০৩০/২৫ নম্বৰত এক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।



# 'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ' শীৰ্ষক অভিযান আৰম্ভ

## গুৱাহাটীত বিশিষ্ট ব্যক্তিৰে পৰামৰ্শ গ্ৰহণ গৌৰৱ গগৈৰ

**অদিতি সেৱা, গুৱাহাটী ঃ** 'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ'— শীৰ্ষক অভিযানৰ অংশ হিচাপে দেওবাৰে গুৱাহাটীত ব্যাপক হাৰত গণসংযোগৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ৬ ডিচেম্বৰত ডিব্ৰুগড়ৰ পৰা আৰম্ভ হোৱা এই কাৰ্যসূচীত দেওবাৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ সঞ্চালনাত ৰাজ্যখনৰ বিভিন্ন জাতীয় সংগঠন, নাগৰিক সমিতিৰ সৈতে বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ড° হীৰেন গোহাঁই, আব্দুল মান্নান, হৰেকৃষ্ণ ডেকা, ড° দীনেশ বৈশ্য, পৰেশ মালাকাৰ, ডাঃ নৱনীল বৰুৱা, উদয়ন হাজৰিকাকে প্ৰমুখ্যে কৰি ৰাজ্যৰ একাংশ গণ্য-মান্য লোকে কংগ্ৰেছৰ ইস্তাহাৰত কোনবোৰ বিষয় সন্নিবিষ্ট হ'ব লাগে, সেই সম্পৰ্কে দিহা-পৰামৰ্শ দিয়ে। কংগ্ৰেছ দল বিৰোধীৰ আসনত থাকি ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনৰ বাবে ইস্তাহাৰ প্ৰস্তুত কৰোতে ৰাইজৰ যি দিহা-পৰামৰ্শ আৰু প্ৰস্তাৱ গ্ৰহণ কৰিছে, সেয়া এক ইতিবাচক দিশ আৰু দলৰ নিজা চিন্তা-চৰ্চাতকৈ ৰাইজৰ মতামতক গুৰুত্ব সহকাৰে লৈ এইখন ইস্তাহাৰ প্ৰকাশ কৰাতো গণতন্ত্ৰৰ বাবে ইতিবাচক দিশ বুলি বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোহাঁইয়ে মন্তব্য আগবঢ়ায়। বৰ্তমানৰ চৰকাৰখনৰ অনিয়ম, অবিচাৰ আৰু দুৰ্নীতিৰ বিৰুদ্ধে বিৰোধী দল হিচাপে কংগ্ৰেছৰ স্থিতি সঠিক আৰু দৃঢ় হ'ব লাগে বুলি ড° গোহাঁইয়ে মন্তব্য কৰে। বৈঠকত ইস্তাহাৰ কমিটিৰ অধ্যক্ষ প্ৰদ্যুৎ বৰদলৈ, অসম বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়া, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক মনোজ চৌহান, অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ পৃথ্বি মাঝিৰ লগতে ইস্তাহাৰ কমিটিৰ আন সদস্যসকল উপস্থিত থাকে। উল্লেখ্য যে গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছে ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ শীৰ্ষক অভিযানৰ অন্তিম বৈঠক দুখন গুৱাহাটীৰ কঁহুৱা বন ৰিজ'ৰ্টত অনুষ্ঠিত কৰে। বৈঠকৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয় যে অসমৰ ৰাইজক কংগ্ৰেছ দলে সন্মান কৰে আৰু সেইবাবে পৰামৰ্শ গ্ৰহণ কৰিবৰ বাবে বিভিন্ন জিলাসমূহলৈ গৈ দল-সংগঠন আৰু ৰাইজৰ মতামত সংগ্ৰহ কৰিছে। প্ৰদেশ কংগ্ৰেছে সদৰী কৰা মতে এই অভিযানৰ শেষত সকলো মতামত পৰ্যালোচনা কৰি কংগ্ৰেছ দলে ইস্তাহাৰ প্ৰস্তুত কৰিব আৰু ইস্তাহাৰ কমিটিৰ অধ্যক্ষ প্ৰদ্যুৎ বৰদলৈয়ে ইতিমধ্যে তেওঁৰ সমিতিৰ সদস্যসকলৰ সৈতে গৱেষণা কৰি ইস্তাহাৰ প্ৰস্তুত কৰিব। পৰৱৰ্তী সময়ত মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি স্বপন কুমাৰ দাসৰ আহ্বানক্ৰমে জিলা সমিতিৰ বিষয়ববীয়া আৰু কংগ্ৰেছৰ নেতা-কৰ্মীক উদ্দেশ্যি বিশিষ্ট চিন্তাবিদ ড° হীৰেন গোহাঁইৰ লগতে হৰেকৃষ্ণ ডেকা আৰু পৰেশ মালাকাৰেও আগন্তুক নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলৰ সৈনিকসকলক গণতন্ত্ৰৰ সপক্ষে অধিক শক্তিশালী হৈ কাম কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। কেইবাগৰাকীও জ্যেষ্ঠ আৰু সচেতন নাগৰিকে ব্যক্তিগতভাৱে আহি গৌৰৱ গগৈৰ




সঞ্চালনাত অনুষ্ঠিত বৈঠকত পৰামৰ্শ আগবঢ়ায়। বৈঠকত প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক শান্তনু বৰা, মেঘনাথ ছেত্ৰী, সম্পাদক সুমন কল্যাণ বৰা, কৃদীপ বৰ্মন, মতিউৰ ৰহমান, মৌচুমী নেওগ, মিডিয়া বিভাগৰ সম্পাদক ৰূপক দাস, মনালিছা হাজৰিকা, মুখপাত্ৰ বিদিশা নেওগ, পলাক্ষী দাস, জিলা কংগ্ৰেছৰ বিপুল চক্ৰৱৰ্তী, নিতুৰঞ্জন শইকীয়া, নিৰ্মল শৰ্মা, বাবলা চৌধুৰী, গোবিন ৰজকক ধৰি প্ৰায়সকল বিষয়ববীয়া আৰু কংগ্ৰেছৰ ফ্ৰণ্টেল অৰ্গেনাইজেশ্যনৰ নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে। সন্ধিয়ালৈকে ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ অভিযানৰ বৈঠক অনুষ্ঠিত হয়। ১২ জানুৱাৰীত এইযাত্ৰাৰ অংশ হিচাপে বিশিষ্ট চিন্তাবিদ ময়ূৰ বৰাকে প্ৰমুখ্যে কৰি কেবাগৰাকী বিশিষ্ট লোকৰ ঘৰলৈ কংগ্ৰেছ দলৰ ইস্তাহাৰ কমিটিৰ প্ৰতিনিধিসকল যাব আৰু দিহা-পৰমৰ্শ গ্ৰহণ কৰিব।

# বিহু সংকল্প

অসমীয়া জাতিৰ জাতীয় জীৱনৰ নতুন সাহসৰ যাত্ৰা আৰম্ভ হয়, নতুন সংকল্প লোৱাত সাহস যোগাই। ভঙা গঢ়া, ন পুৰণি চিৰন্তন প্ৰক্ৰিয়াৰ মাজেৰে গঢ়ি উঠা বৃহত্তৰ অসমীয়া জাতিতোক বিহুৱে প্ৰতি বছৰে সোঁৱৰাই দিয়ে ঐক্য আৰু সংহতিৰ সাকো দালৰ কথা । বৃহত্তৰ অসমীয়া জাতিৰ বুকুত সোমাই আছে অসমৰ অসংখ্য জাতি জনগোষ্ঠী । এই সকলোবোৰ জাতি জনগোষ্ঠীৰ মান অভিমান, বিভিন্ন ঘাত-সংঘাতক মষিমূৰ কৰি বৃহত্তৰ অসমীয়া জাতি ৰূপে ঐক্যবদ্ধ কৰি ৰখাৰ মাধ্যম হব পাৰে এই বিহু । থাকিব পাৰে সকলোৰে বেলেগ ভাষা, বেলেগ পৰম্পৰা, পৃথক সাজ পোছাক, কিন্তু ব্ৰহ্মপুত্ৰৰ পাৰত, বেৰাকৰ পাৰত বৰ অসমৰ উৰ্বৰা ভূমিত থিতাপি লোৱা সকলো জাতি জনগোষ্ঠীৰ সুদীৰ্ঘ সামাজিক সংমৃশ্ৰণ প্ৰক্ৰিয়াৰ মাজেৰে গঢ় লৈ উঠা জাতিতোৱেই হৈছে অসমীয়া জাতি। কোনো ধৰ্ম বা ভাষাক কেন্দ্ৰ কৰি অসমীয়া জাতিৰ সৃষ্টি হোৱা নাছিল । কিন্তু পৰিতাপৰ কথা যে এনে এটা অনন্য বৈশিষ্ট্যৰে পৰিপূৰ্ণ জাতীক মষিমূৰ কৰিবলৈ, সেই জাতিটোৰ স্বকীয়তা আৰু সাতামপুৰুষীয়া ঐক্যত আঘাট হানিবলৈ বহু অপশক্তিয়ে বাৰম্বাৰ অপচেষ্টা চলাই আহিছে যদিও অসমীয়া জাতিৰ জাতীয় সত্বাৰ শক্তিশালী সন্মিলিত শক্তিৰ ওচৰত হাৰ মানিবলৈ বাধ্য হৈছে। কিন্তু বাৰম্বাৰ যেতিয়া এই প্ৰক্ৰিয়া চলি থাকিব তেতিয়া এই ঐক্যৰ বান্ধ কেতিয়াবা ছিগি যোৱাৰো আশংকা নথকা নহয় । এই ক্ষেত্ৰত জাতিটোৰ ৰাজহাড় ভঙাৰ বাবে এচাম তথাকথিত ৰাজনীতিক সদায়ে সক্ৰিয় হৈ আছে। একমাত্ৰ নিজৰ ক্ষুদ্ৰ ৰাজনৈতিক অভিলাস পূৰণৰ বাবে তেওঁলোকে কাম কৰে। তেওঁলোকৰ বাবে  জাতিটো ধ্বংস হৈ যাওক, মাত্ৰ পূৰণ হ'ব লাগে তেওঁলোকৰ ৰাজনৈতিক অভিলাস। এতিয়া অসমীয়া ভাষাক আঘাট হনাৰ সামন্তৰাল ভাৱে একাংশই আকৌ নতুনকৈ অসমীয়াৰ সংজ্ঞা নিৰূপনৰ নামত অসমৰ জাতি জনগোষ্ঠীসমূহৰ মাজত বিভেদ সৃষ্টি কৰি নিজৰ নিকৃষ্ট স্বাৰ্থ সিদ্ধিৰ সপোন দেখিছে। এই সকল ধুৰন্ধৰ অজিনপাতকীসকলক বিচাৰি উলিয়াই ঐক্যবদ্ধভাৱে জাতিতোক বিপৰ্যয় পৰা উদ্ধাৰ কৰাৰ সংকল্প ল'ব লাগিব এই এই বিহুত। জাতিৰ সংজ্ঞা নিৰূপনৰ সূত্ৰ আৱিষ্কাৰ কৰা এচাম ৰাজনৈতিক নেতাৰ পদলেহনকাৰী তথাকথিত বুদ্ধিজীৱীকো বিচাৰি উলিয়াই সামাজিক ভাৱে বৰ্জন কৰিব লাগিব । সুদীৰ্ঘ সময়ৰ সামাজিক সংমিশ্ৰণৰ গৌৰৱোজ্জ্বল ঐতিহাসিক প্ৰক্ৰিয়াৰে গঢ়ি উঠা অসমীয়া জাতিৰ নতুনকৈ সংজ্ঞা নিৰূপনৰ নামত বহুৱালি কৰা সকলক চিনাক্ত কৰাৰ সময় এতিয়া আহি পৰিছে । তাহানিৰ বৰ অসম এনে এচাম লোকৰ বাবেই ভাঙি থান-বান হৈছিল। সেয়ে এতিয়াৰ অসমখনক এনে চক্ৰান্তকাৰীৰ পৰা সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব বিভিন্ন জাতি জনগোষ্ঠীৰে ঐক্যবদ্ধ আজিৰ অসমীয়াই ল'ব লাগিব । তাকে কৰিব নোৱাৰিলে এনেকুৱা এটা দিন আহিব যিটো দিনত অসমৰ ভূমিপুত্ৰসকল এদিন সংখ্যালঘুত পৰিণত হ'ব। সাম্প্ৰতিক সময়ত বৃহত্তৰ অসমীয়া জাতি হিচাপেহে আমি সংখ্যালঘু হোৱাৰ পৰা বাছি আছো। আজি যদি অসমৰ ভূমিপুত্ৰ মিচিং, বড়ো, কাৰ্বি, ৰাভা, কোচ, মৰাণ, গৰীয়া, মৰীয়াসকলকে লৈ আন সকলো জাতি জনগোষ্ঠী পৃথক হৈ থাকিবলৈ লয় তেতিয়া সেইসকলেও নিজৰ নিজৰ এলেকাত সংখ্যালঘুলৈ যে ৰূপান্তৰিত হ'ব সেয়া নিশ্চিত। তাৰ জলন্ত উদাহৰণ ত্ৰিপুৰাৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। সেয়ে আনৰ উচতনিত ভুল নগৈ এক বৃহত্তৰ অসমীয়া জাতি হিচাপে জীয়াই থাকি আমাৰ সকলোৰে ঐতিহ্য সংস্কৃতিক জীয়াই ৰখাৰ সংকল্প লোৱাৰ সময় এতিয়া। অসমীয়া ভাষা অসমৰ আন আন জাতি জনগোষ্ঠীসমূহৰ এক উমৈহতীয়া ভাষা হোৱাৰ থল থকাৰ বাবেই এই ভাষাটোকো ধ্বংস কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে একাংশই। সেয়ে এই এই বিহুত আমি আকৌ এবাৰ ঐক্যবদ্ধ হোৱাৰ সংকল্প গ্ৰহণ কৰা উচিত । তাকে যদি কৰা নহয় তেতিয়া অসমত অসমীয়া নাথাকিব, নাথাকিব কোনো খিলঞ্জীয়া ভূমি পুত্ৰ। ইতিহাস হৈ পৰিব এটা বৈচিত্ৰময় চহকী অসমীয়া জাতিৰ জাতীয় সত্ত্বা।

**'পুষনা'ৰ আগৰ দিনা দেশী জনগোষ্ঠীৰ সকলো কৃষিজীৱি ৰাইজে ঘৰৰ জীৱ-জন্তুৰ বিশেষকৈ গৰু, ম'হ , ছাগলী আদিক পৰিষ্কাৰকৈ গা ধুৱাই 'ন' পঘাৰে বান্ধি চোতালৰ আগত কুমলীয়া ঘাঁহ বা গছৰ কোমল পাত খাবলৈ দিয়ে। তাৰ পিছত সৰিয়হ তেলেৰে জীৱ-জন্তুবোৰৰ শিং ঘঁহি ঘঁহি চিকচিকীয়া কৰা হয় আৰু জীৱ-জন্তুসমূহ বেমাৰ-আজাৰ বা অপায়-অমঙ্গলৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে লোহা গৰম কৰি গাত ছাব মাৰি দিয়ে। এই অঞ্চলত গো-কেন্দ্ৰিক আচাৰাদি ব'হাগ বিহুৰ পৰিৱৰ্তে পুষনা বা দোমাসিৰ অন্তৰ্গত।**

# অবিভক্ত গোৱালপাৰা জিলাৰ দেশী জনগোষ্ঠীৰ মাঘ বিহু বা পুষনা উদযাপন পদ্ধতি

**নাছিৰ আহমেদ**

বিহু অসমৰ জাতীয় উৎসৱ। জাতি-ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে অসমৰ সকলো জনগোষ্ঠীৰ মানুহে বিহুৰ বিনন্দীয়া ৰূপত বিভোল হৈ নানা ৰং-ৰহইচত মতলীয়া হৈ পৰে।

প্ৰত্যেকটো বিহু উদযাপনৰ লগত সাঙোৰ খাই আছে ভালে সংখ্যক সুনিৰ্দিষ্ট লোকাচাৰ, ভাববোধ, লোক-বিশ্বাস, ৰং-ৰহইচ, খেল-ধেমালি আৰু লোক নৃত্য গীতৰ অনুষ্ঠান।

এই বিলাক অৰ্থনৈতিক, সামাজিক , ধৰ্মীয় আদি বিভিন্ন দিশৰ অনেক প্ৰয়োজনীয় উদ্দেশ্যৰ সম্পূৰক। কৃষি উৎপাদন বৃদ্ধি, পশুধন লালন-পালন, আধ্যাত্মিক আচৰণ, স্বাস্থ্য ৰক্ষা তথা শৰীৰ চৰ্চা, প্ৰেম-প্ৰীতি, শ্ৰদ্ধা, ভাৱৰ আদান-প্ৰদান, গঞা, জাতি আৰু আলহী-অতিথিক সেৱা-যত্ন, বল-শক্তি আহৰণৰ কামনা, পৰিয়াল আৰু গঞা ৰাইজৰ, জাতিৰ মঙ্গল কামনা, সামাজিক বন্ধন, ঐক্য-সংহতি আৰু সম্প্ৰীতি আদিৰ তাৎপৰ্য নিহিত হৈ আছে।

বিহু উদযাপনৰ কাৰ্যকলাপ তথা লোকাচাৰবোৰত আকৌ বহু যুগ যুগ ধৰি অতি প্ৰাচীন কালৰে পৰা অনেক জনগোষ্ঠী, জাতি-উপজাতিৰ সাংস্কৃতিক উপাদানৰ সু-সমন্বয় ঘটিছে।

আনহাতে সকলো লেখক-গৱেষকে এই কথাত একমত হৈছে যে, অন্য বহুতো লোক উৎসৱৰ দৰে বিহুও মূলতঃ কৃষি-ভিত্তিক উৎসৱ।

অসমৰ প্ৰধান শস্য শালিধানৰ খেতিৰ লগত জড়িত তিনিটা বিশেষ পৰিৱেশত অনুষ্ঠিত হৈ আহিছে অসমীয়া জাতিৰ তিনিটা বিহু উৎসৱ।

ভাষাতাত্ত্বিক দিশৰ পৰা 'বিহু' শব্দৰ উৎস সম্পৰ্কে বিভিন্ন দৃষ্টি কোণেৰে বিশ্লেষণ কৰা পৰিলক্ষিত হৈছে।

ডঃ মহেশ্বৰ নেওগ দেৱে লিখিছেঃ ভাষাবিদে কয়, বিযুবৎ এই সংস্কৃত শব্দৰ পৰা বিহু শব্দ ওলাইছে।

কিছুমান পণ্ডিতে বড়ো ভাষাৰ বৈখৎ শব্দৰ পৰা বিহু শব্দৰ উদ্ভৱ হৈছে বুলি মন্তব্য কৰিছে। চৈয়দ মহিবুল্লাই 'আমাৰ সংস্কৃতিৰ ৰেহ ৰূপ' শীৰ্ষক এটি তত্ত্ব গধুৰ প্ৰৱন্ধত এনেকৈ লিখিছে যে বিহু উৎসৱ কৃষিজীৱি মানুহৰ উৰ্বৰা বিশ্বাসৰ ওপৰত জন্ম। সম্ভৱতঃ অষ্ট্ৰিক সংস্কৃতিয়ে লুইতৰ পাৰত বিকাশ লাভ কৰাৰ সময়তে এই উৎসৱৰো উৎপত্তি হৈছিল।

আজি এই উৎসৱৰ লগত সৰ্ব ভাৰতীয় কিছুমান উৎসৱৰ ধাৰণাৰ মিল পোৱা যায়। এই ক্ষেত্ৰত উৰিষ্যাৰ পোষ-সংক্ৰান্তি, তামিল নাডুৰ পুংগল, কেৰালাৰ বিচু, পঞ্জাৱৰ বৈশাখী ,উত্তৰ ভাৰতৰ ফাকুৱা, পশ্চিমবঙ্গৰ বৈশাখী উৎসৱ, অবিভক্ত গোৱালপাৰা জিলাৰ বিষমা আৰু পুশনা আদি। মাঘ বিহুত অনুষ্ঠিত গৰু বিহু বৈদিক ধাৰণা সিক্ত যেন লাগিলেও গৰুক মাহ-হালধী, বেঙেনা, কেৰেলা, থেকেৰা,জাতি লাউ দি গা ধুওৱা পদ্ধতি অষ্ট্ৰিক জনগোষ্ঠীৰ। সেই দৰে মাঘ বিহুৰ জুইকুৰা অষ্ট্ৰিক সকলৰ পৰা আহিলেও পাছলৈ বৈদিক ধাৰণা আৰু মন্ত্ৰ সংযোজিত হৈছে।

যিকি নহওক, আমি অবিভক্ত গোৱালপাৰা জিলাৰ দেশী জনগোষ্ঠীৰ লোকসকলে উদযাপন কৰা মাঘ বিহুৰ বিষয়ে আলোকপাত কৰিবলৈ প্ৰয়াস কৰিম।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে এই দেশী জনগোষ্ঠীৰো মাঘ বিহু (যাক দেশী জনগোষ্ঠীয়ে পুশনা বা দোমাসী বুলি কয়) সম্পূৰ্ণ ৰূপে কৃষি-ভিত্তিক। কৃষিজীৱি জনসাধাৰণে শালি ধানৰ খেতি উৎপাদন, সংৰক্ষণ, শ্ৰীবৃদ্ধি আৰু চপোৱাৰ অনুষ্ঠান বুলি কব পাৰি।

দৰাচলতে পুহ-মাঘৰ সংক্ৰান্তি বা পুশনা বা দোমাসীক এই দেশী জনগোষ্ঠীৰ জাতি -ধৰ্ম-বৰ্ণ -নিৰ্বিশেষে আবাল-বৃদ্ধ-বনিতা সকলোৱে অতি ধুমধামেৰে বিভিন্ন পদ্ধতিত উদযাপন কৰে। ।

আঘোণ মাহৰ শেষত 'ন' ধান কটাৰ সময়ত গাঁৱৰ চেঙেৰা সকলোৱে (চেঙেলীয়া ল'ৰাবোৰে) দল বান্ধি ধান, পইচা মাগি ফুৰে। ল'ৰাবোৰে হাতত দাং লাঠি লৈ আৰু বাঁহেৰে সজা কিছুমান বাদ্যযন্ত্ৰ লৈ সেইবোৰ বজাই গীত গাই গাই গোটেই পুহ মাহটো ঘৰে ঘৰে মাগি ফুৰে। ইয়াক অবিভক্ত গোৱালপাৰা জিলাৰ দেশী ভাষাত 'শিৱশিৱো' বা অৰীয়া বা এউৰী বুলি কোৱা হয়।

ইয়াৰ পিছত সংগৃহীত ধান, পইচাৰে দোমাসীৰ (দোমাহী) দিনাখন ল'ৰাবোৰে লগ ভাত বা পুশনা খায় । পথাৰত নৰাৰে সজোৱা ভেলাঘৰত বা মেজিঘৰত 'পুষনা' খোৱাৰ পিছত ৰাতিপুৱাৰ আগতে ভেলাঘৰটো পুৰি দিয়ে ।

আনহাতে কিছুমান অঞ্চলত লগভাত বা 'পুষনা' খোৱাৰ আগতে চৰণীয়া পথাৰৰ বিৰিণা বনৰ থোপাত ৰাখাল ঠাকুৰক সেৱা আগবঢ়ায়। নতুনকৈ পোৱালী জগোৱা গাইৰ গাখীৰ আনি উক্ত বিৰিণাৰ থোপাত ৰাখাল ঠাকুৰক উদ্দেশ্যে ঢালি দিয়া হয়।

'পুষনা'ৰ আগৰ দিনা দেশী জনগোষ্ঠীৰ সকলো কৃষিজীৱি ৰাইজে ঘৰৰ জীৱ-জন্তুৰ বিশেষকৈ গৰু, ম'হ , ছাগলী আদিক পৰিষ্কাৰকৈ গা ধুৱাই 'ন' পঘাৰে বান্ধি চোতালৰ আগত কুমলীয়া ঘাঁহ বা গছৰ কোমল পাত খাবলৈ দিয়ে। তাৰ পিছত সৰিয়হ তেলেৰে জীৱ-জন্তুবোৰৰ শিং ঘঁহি ঘঁহি চিকচিকীয়া কৰা হয় আৰু জীৱ-জন্তুসমূহ বেমাৰ-আজাৰ বা অপায়-অমঙ্গলৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে লোহা গৰম কৰি গাত ছাব মাৰি দিয়ে। এই অঞ্চলত গো-কেন্দ্ৰিক আচাৰাদি ব'হাগ বিহুৰ পৰিৱৰ্তে পুষনা বা দোমাসিৰ অন্তৰ্গত। ১ - গো-কেন্দ্ৰিক আচাৰ সমূহৰ ভিতৰত আছে গৰুক গা ধুওৱা, খুৰা আৰু শিঙত তেল ঘঁহা,মালা পিন্ধোৱা আৰু গৰুৰ গাত চিত্ৰ-বিচিত্ৰ চাব দিয়া। গৰুৰ গাত চিত্ৰ-বিচিত্ৰ চাব দিয়া আৰু ফোঁট দিয়া অনুষ্ঠানটিক 'গৰু চিতিওৱা' বুলি কোৱা হয়। ২- এই চাব বাঁহৰ চুঙাৰে দিয়া হয়। ৰং হিচাপে বহুতে মেজি পোৰা ছাই ব্যৱহাৰ কৰে যদিও প্ৰকৃততে ইকৰাৰ পৰা উলিওৱা ঘেঁচুলী, পানী লাউৰ কোমল পাত আৰু তেল মিহলাই এই ৰং কৰা হয়। কিছু কিছু অঞ্চলত পিঠাগুড়ি আৰু তেল মিহলাই এই ৰং কৰা হয়। কোনো কোনো অঞ্চলত পিঠাগুড়ি আৰু সৰিয়হৰ ফুলেৰে এই ৰং তৈয়াৰ কৰে। গৰুৰ গাত ফোঁট দিয়াৰ উপৰিও বৰঘৰতো দিয়ে আৰু মানুহেও ফোঁট লয়। অবিভক্ত গোৱালপাৰা জিলাৰ পুষনা বা দোমাসিৰ উল্লেখযোগ্য অংগ হ'ল 'ধুনী' প্ৰজ্বলন। ই সমূহীয়া অনুষ্ঠান। প্ৰতিখন গাঁৱৰ প্ৰতিখন সমাজে সুকীয়াকৈ  'ধুনী' প্ৰজ্বলন কৰে। সংক্ৰান্তিৰ আগদিনা ৰাতি গাৱঁৰ মুৰব্বী জনে স্নান কৰি উঠি এই 'ধুনী' জ্বলায়। তাৰ পিছত গোটেই ৰাতি গাৱঁৰ ৰাইজে ধুনীৰ চাৰিওফালে বহি নাম- কীৰ্তন কৰে। ৰাতি পুৱা উঠি গা পা ধুই গাঁৱে গাঁৱে ঘূৰি ঘূৰি নাম-কীৰ্তন কৰে। নাম-কীৰ্তনৰ ভাষা অবিভক্ত গোৱালপাৰা জিলাৰ গোৱালপৰীয়া ভাষাঙ্গদেশী ভাষাঙ্গ ৰাজবংশী ভাষা। ই তিনি চাৰি দিন ধৰি চলে। চাৰিদিনৰ পিছত 'ঠগী' (চিৰা ,মাহ-কড়াই আদি) তোলে। ধুনীৰ ওচৰতে পঞ্চায়ত বহে। ঠগী তোলাৰ আগদিনা সমাজৰ বিভিন্ন দিশৰ পৰ্যালোচনা চলে। কোনোবাই সমাজৰ নিয়ম-নীতি নামানিলে তেওঁৰ ঠগী গ্ৰহণ কৰা নহয়। লোক বিশ্বাস মতে উত্তৰায়ণত পিতামহ ভীষ্মই শৰ শয্যাত দেহ ত্যাগ কৰাৰ সময়ত খৰি দিয়াৰ স্মৃতি হিচাপে এই ধুনী পোৱা হয়। কিন্তু লোক পৰম্পৰাৰ সৈতে ধৰ্মীয় কাহিনীৰ বৰ মিল নাই। আদিম যুগত সময়ত প্ৰচণ্ড জাৰৰ পৰা উদ্ধাৰ পোৱাৰ বাবে আদিম মানুহে জীৱ-জন্তু চিকাৰ কৰি পোৱা ■ *নৱম পৃষ্ঠাত*

# অসমৰ জাতীয় জীৱনত মাঘ বিহুৰ ঐতিহ্য আৰু পৰম্পৰা

কৰাৰ উপায় নাই। বিহু শব্দৰ উৎপত্তিৰ ইতিহাসতে এই কথাৰ উমান পোৱা যায়। সংস্কৃত 'বিযুবৎ' শব্দৰপৰা বিহু শব্দটো ওলাইছে। চিটাগঙ অঞ্চলতো বিষু উৎসৱৰ প্ৰচলন আছে। আৰাকান আৰু চিটাগঙত বাস কৰা চাকমাবিলাকৰ প্ৰধান উৎসৱ বিযো। এই উৎসৱ এপ্ৰিল মাহত উদযাপিত হয়। দক্ষিণ ভাৰতৰ নায়াৰ সকলৰ মাজত প্ৰচলিত নৱ বৰ্ষৰ উৎসৱটোও বিষু ৰূপে পৰিচিত। তেনেদৰে হিমাচল প্ৰদেশৰ খাচবিলাকৰ মাজতো বিষু নৱবৰ্ষৰ উৎসৱ ৰূপে উদযাপিত হয়। ইয়াৰ বাহিৰেও ভাৰতৰ বিভিন্ন প্ৰদেশত বসন্তোৎসৱ, মহাবিষুব সংক্ৰান্তি আদি উৎসৱ জাকজমকতাৰে পালন কৰা হয়। বৈদিক দৰ্শন অনুসৰি বছৰৰ বাৰটা সংক্ৰান্তিৰ ভিতৰত মকৰ সংক্ৰান্তি অন্যতম গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ বুলি গণ্য কৰা হয়। মুখ্যতঃ সংক্ৰান্তি সম্বন্ধীয় গুৰুত্ব আৰু পবিত্ৰতাৰ ভিত্তিতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত মকৰ সংক্ৰান্তিক এক পৱিত্ৰ উৎসৱ হিচাপে অতীজৰে পৰা পালন কৰি আহিছে। ভিন্ন প্ৰান্ত, জনগোষ্ঠী তথা ভাষা অনুসৰি এই উৎসৱৰ নাম ভিন ভিন হৈছে। ভাৰতৰ আন ঠাইসমূহত সংক্ৰান্তি সম্বন্ধীয় উৎসৱ পালন কৰিলেও অসমীয়াৰ লোক জীৱনৰ লগত সম্বন্ধ থকা বিহু উৎসৱৰ এক সুকীয়া আৰু সুৰীয়া মাদকতা আছে। অসমীয়াৰ বাপতিসাহোন তিনিটা বিহুৰ ভিতৰত মাঘ বিহুৰ গুৰুত্ব অপৰিসীম। মাঘ হৈছে প্ৰাচুৰ্য আৰু পৱিত্ৰ প্ৰাপ্তিৰ মাহ আৰু ভোগালী বিহু হৈছে খেতি চপোৱাৰ পৰৱৰ্তী সময়ৰ আনন্দৰ উৎসৱ, সম্প্ৰীতিৰ উৎসৱ আৰু এক কথাত ভোগৰ উৎসৱ।

বিহু উৎসৱৰ মুখ্য উপাদান কৃষি। সেয়েহে বিহুক কৃষি উৎসৱ বোলাই সমীচিন। বছৰৰ প্ৰধান খেতিৰ বতৰৰ আৰম্ভণি সূচনা কৰা হয় ব'হাগ বিহুৰে। খেতি তোলাৰ ইংগিতেৰে কাতি বিহু পালন কৰা হয় আৰু খেতি তোলাৰ আনন্দ প্ৰকাশৰ অৰ্থে মাঘ বিহু উদযাপন কৰা হয়। অসম কৃষি প্ৰধান দেশ, গতিকে কৃষি সম্পৰ্কীয় উৎসৱেই যে ইয়াত বিশেষ ভাৱে সমাদৃত সেই কথাত কোনো সন্দেহ নাই। আজি লেখাৰ বিষয় যিহেতু মাঘ বিহুৰ ঐতিহ্য আৰু পৰম্পৰা সেয়েহে এই আলোচনাত বক্সহাগ আৰু কাতি বিহুৰ প্ৰসংগই বৰকৈ ঠাই নাপাব। পুহ আৰু মাঘৰ সংক্ৰান্তিৰ দিনা মাঘ বিহু অৰ্থাৎ ভোগালী বিহু পালন কৰা হয়। এই মকৰ সংক্ৰান্তিত সূৰ্য উত্তৰায়ণ বৃত্তলৈ গতি কৰিবলৈ আৰম্ভ কৰে। সেয়ে ঋতু, বতৰ, প্ৰাকৃতিক অৱস্থা আৰু জাগতিক ক্ৰিয়া প্ৰক্ৰিয়া সম্বন্ধীয় কিছুমান বিশেষ উপাদেয় পৰিৱৰ্তনৰ আৰম্ভণি ঘটে। শীতকালৰ হাড় কপোঁৱা শীতৰ অন্ত পৰি উমাল অৱস্থা আৰম্ভ হয়। উৎসাহ উদ্দীপনা, সাহস, কৰ্মস্পৃহা, শাৰীৰিক শ্ৰীবৃদ্ধি আৰু বিভিন্ন মানসিক শক্তি লাভ কৰিবলৈ ধৰে। শীতৰ ফলত হোৱা এলাহ আঁতৰি কৰ্মস্পৃহা জাগ্ৰত হোৱাৰ সহায়ক হয়, দেহ মন উজ্জীৱিত হ'বলৈ ধৰে। সেয়েহে মকৰ সংক্ৰান্তিভিত্তিক উৎসৱ উদযাপন কৰোঁতে এনে উপযোগিতা খিনি পৰ্যাপ্ত পৰিমাণে আহৰণ কৰাৰ কামনাৰে কিছুমান লোকাচাৰ পালন কৰাৰ পৰম্পৰা ভাৰতৰ বিভিন্ন প্ৰান্তত অতীজৰে পৰা প্ৰচলিত হৈ আহিছে। আৰু আমাৰ অসমতো স্বকীয় চিন্তাৰে মাঘ বিহুত সভক্তিৰে মেজিৰ জুইৰ উত্তাপ লোৱা, মেজিৰ জুইত পানী হিলৈ ফুটোৱা, তিলৰ লাড়ু আৰু তিল পিঠা খোৱা, মক্সহযুঁজ আৰু বিভিন্ন খেল ধেমালি অনুষ্ঠিত কৰা লোকাচাৰ খিনি এনে উদ্দেশ্যৰ বুলি ধাৰণা কৰিব পাৰি।

বৈদিক শাস্ত্ৰত মকৰ সংক্ৰান্তিৰ পৱিত্ৰতা সম্পৰ্কে কেইবাটাও কাহিনী বা ঘটনা পোৱা যায়। মহাভাৰতৰ যুদ্ধত পিতামহ ভীষ্মই ৫১ দিন শৰশৰ্যাত থাকি মকৰ সংক্ৰান্তিৰ দিনা নশ্বৰ দেহ ত্যাগ কৰিছিল। শাস্ত্ৰজ্ঞসকলৰ মতে মকৰ সংক্ৰান্তিত নশ্বৰ দেহ ত্যাগ কৰিলে জীৱই মোক্ষ লাভ কৰে আৰু সেইবাবেই পিতামহ ভীষ্মই এই দিনটোলৈ অপেক্ষা কৰিছিল। আন এক কাহিনী মতে অযোধ্যাৰ সূৰ্যবংশী ৰজা ভগীৰথে হিমালয় পৰ্বতত বহুযুগ ধৰি ঘোৰ তপস্যা কৰি পৱিত্ৰ গংগা নদীৰ ধাৰা স্বৰ্গৰ পৰা মৰ্ত্যলৈ নমাই আনিছিল। এই ঘোৰ তপস্যাৰ মূল উদ্দেশ্য আছিল পৱিত্ৰ গংগাজলেৰে আহুতি দি কপিল মুণিৰ দ্বাৰা শাপভ্ৰষ্টা হোৱা মহাৰাজ সাগৰকে আদি কৰি ৬০০০০ পূৰ্বজক মোক্ষলাভ কৰোৱাটো। অনেক বাধা বিঘিনি অতিক্ৰম কৰি ৰজা ভগীৰথে এই কাম কৰিবলৈ সক্ষম হৈছিল পৱিত্ৰ মকৰ সংক্ৰান্তিৰ দিনা। আন এক কাহিনী অনুসৰি মকৰ সংক্ৰান্তিতে পৰম আৰাধ্যা নন্দা দেৱীৰ আৱিৰ্ভাৱ ঘটিছিল আৰু শংকৰাসুৰ নামৰ এটা অতি শক্তিশালী আৰু অত্যাচাৰী অসুৰক নিধন কৰিছিল। এনে বহু কাহিনী আখ্যান জড়িত হৈ থকা মকৰ সংক্ৰান্তিৰ দিনা উদযাপন কৰা মাঘ বিহুৰ গুৰুত্ব যথেষ্ট। মাঘ বিহুত সচৰাচৰ ব্যৱহৃত 'মেজি' শব্দ আহিছে সংস্কৃত স্নমেধ্যক্ষ শব্দৰ পৰা। তেনেকৈ নামনি অসমত প্ৰচলিত 'ভলাঘৰ' শব্দটো আহিছে সংস্কৃত 'মেষ গৃহৰ' পৰা। মাঘ বিহুৰ ম'হ যুঁজ প্ৰথা দ্ৰাবিড়ীয় সংস্কৃতিৰ পৰা আহিছে। পণ্ডিতসকলৰ মতে অসমৰ মেজি পোৱা ৰীতিত আৰ্যসকলৰ অগ্নি পূজাৰ ইংগিত থাকিব পাৰে। ইউৰোপতো এনে ধৰণৰ অগ্নি উৎসৱ প্ৰৱহমান। সেইদৰে বিহু উৎসৱৰ বিভিন্ন ৰীতি নীতিত অষ্ট্ৰিক আৰু মংগোলীয় সংস্কৃতিৰ উপাদান নিহিত হৈ থকা দেখা যায়। অসমত উদযাপিত হোৱা মাঘ বিহুকেন্দ্ৰিক কিছু ৰীতি নীতিৰ মাজত ভেলাঘৰ আৰু মেজি জ্বলোৱা কাৰ্য অতি গুৰুত্বপূৰ্ণ। মাঘ মানেই যেন গাওঁসমূহত সুৰৰ এক ঝংকাৰ। বিহুলৈ প্ৰায় বিছদিন মান থকাৰ পৰা গাঁৱৰ ডেকা-বুঢ়া-মেথা-জীয়ৰী-বোৱাৰীসকলোৰে তৎ নোহোৱা হয়। ঘৰে ঘৰে পিঠা-পনা জলপানৰ আয়োজন। পুৱতি নিশা লাহে লাহে ঢেঁকীৰ চাপৰৰ শব্দত গাঁওখন মুখৰিত। চুবুৰিবোৰৰ পৰা নিশাৰ গভীৰ অন্ধকাৰ জীৱন্ত কৰি এটাৰ পাছত আন এটা ঢেঁকীৰ চাপৰ। ছন্দত বন্ধা। একেলগে বহুকেইটা ঢেঁকীৰ সমবেত ছন্দ। গাঁৱৰ পৰিবেশেই বেলেগ হৈ পৰে। ভোগ বিলাসৰ বিহুটোত প্ৰত্যেকৰে ঘৰে ঘৰে হাঁহ-পাৰ, মাছ, চাউল আদি উভৈনদী থাকে। গাঁৱৰ ডেকাসকলে নৰা কাটি পুহতে ভেলাঘৰ প্ৰস্তুত কৰে। উৰুকাৰ দিনা তেওঁলোকে লগ লাগি ভোজ ভাত খাই নাচি বাগি উজাগৰে থাকে। খেৰৰ নৰাৰে ভেলাঘৰ সাজি গাৱঁৰ ৰাইজে ভেলাঘৰত ভোজভাত খায়। তদুপৰি গাঁৱৰ ৰাইজে মিলি একেলগে জুই পুৱাই নাম-কীৰ্তন কৰে। ভেলাঘৰৰ কাষতে কাঠ-বাঁহৰে সজা মেজিত অগ্নিসংযোগ কৰা হয়। মেজি সাধাৰণতে প্ৰতিযোগিতামূলকভাৱে ওখ হোৱা দেখা যায়। মেজিৰ ব্যৱহাৰ উজনি অসমত তুলনামূলকভাৱে বেছি। মেজিৰ জুইত বাঁহেৰে সজা পানীহিলৈ ফুটোৱাটো এক পৰম্পৰা। পানী জমা হোৱা কোনো বাঁহক মেজিৰ জুইত ভৰাই দি দাৰে আঘাত কৰা হয়। মেজিৰ জুই জ্বলাই গোৱা হয় 'পুহ গ'ল মাঘ হ'ল, আমাৰ মেজি জ্বলি গ'ল।' মেজিৰ তলত আশীৰ্বাদ ল'লে ব্যক্তিৰ মনৰ আকাংক্ষা পূৰণ হয় বুলি জনবিশ্বাস আছে।

সাধাৰণতে খেৰ-নৰাৰে সজা ভেলাঘৰৰ দীঘ-প্ৰস্থ সমান হয়, কিন্তু ঠাইভেদে ইয়াৰ আকাৰ ভিন্ন হোৱা দেখা যায়। কোনো কোনো ঠাইত দুচলীয়া শংকু আৰু আয়তাকাৰ আকৃতিৰ মেজিঘৰৰ নিৰ্মাণ কৰাও দেখা যায়। তদুপৰি কামৰূপ-নলবাৰীৰ কিছু কিছু অঞ্চলত কলপাতেৰেও ভেলাঘৰ সজা হয়। উজনি অসমত ভেলাঘৰক হাৰলি ঘৰ বুলিও জনা যায়। ভেলাঘৰক কলাত্মক ৰূপ দিয়াটো এক আধুনিক ৰীতি। একো একোটা ভেলাঘৰ তিনি তলা পৰ্যন্ত ওখ হোৱা দেখা যায়। ই একো প্ৰকাৰৰ শিল্প। মেজিৰ নিৰ্মাণ কৰোঁতে দুটা কলগছৰ গাত সমান্তৰালকৈ কাঠ আৰু বাঁহ জাপি দিয়া হয়। মেজিটোৰ একেবাৰে ওপৰত আগলি বাঁহ আৰু কলপাত এখিলা দিয়া হয়। মেজি এক প্ৰকাৰৰ শৈৱ আচাৰৰ প্ৰভাৱ পৰা প্ৰতীক। ই আদিম মানৱ সমাজৰ ধাৰণাৰ দ্বাৰা প্ৰভাৱিত। ঠাইবিশেষে আৰু জনগোষ্ঠীভেদে মেজিৰ আকাৰ-আকৃতিৰ ভিন্নতা দেখা যায়। যেনে- খামতি জনগোষ্ঠীৰ মেজি আন মেজিৰ তুলনাত গগণচুম্বী। আদিতে উৰুকাত ভেলাঘৰ বা মেজি সাজি জ্বলোৱা কামটো গৰখীয়াসকলে কৰিছিল। নৃতাত্বিক দিশৰ পৰা চাবলৈ গ'লে ই চিকাৰ যুগৰ পৰা কৃষিযুগৰ আৰম্ভণিৰ সমাজখনক সূচায়, যেতিয়া মানুহে জীৱ-জন্তুক পোহ মনাইছিল আৰু শস্য চপাই আনন্দ কৰিছিল। এফালৰ পৰা চাবলৈ গক্সলে ই মানৱ সমাজৰ বুদ্ধি-বৃত্তিকো সূচায়, য'ত খেতি কৰাৰ সামৰ্থ কেৱল মানৱ সমাজেহে আয়ত্ত কৰিলে। ভেলাঘৰ বা মেজিৰ জুইকুৱাই মানুহক প্ৰাণীসমাজৰ পৰা পৃথক কৰে আৰু মানুহৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। সেইদিশৰ পৰা মাঘ বিহুৰ উৰুকা একমতে হাজাৰ বছৰৰো অধিক প্ৰাচীন উৎসৱ। লোকজীৱনত বিশ্বাস প্ৰচলিত আছে যে অতি পুৰণি কালত ভেলা নামৰ এজন বুঢ়া আছিল। বুঢ়াৰ বুঢ়ীৰ বাহিৰে আপোন বুলিবলৈ কোনোৱেই নাছিল। বুঢ়াই কিন্তু গৰখীয়া লৰাক বৰ মৰম কৰিছিল। এদিন বুঢ়া বুঢ়ী ঘৰৰ ভিতৰতে মৰি থাকিল। গৰখীয়া হঁতে ৰাতিপুৱা বুঢ়া বুঢ়ীক বাহিৰত দেখা নাপায় দুৱাৰ কাটি ঘৰৰ ভিতৰলৈ গ'ল। শেষত ঘৰৰ ভিতৰতে বুঢ়া বুঢ়ীৰ শৱ সৎকাৰ কৰিলে আৰু বুঢ়া বুঢ়ীৰ বিদেহ আত্মাৰ সদগতিৰ কাৰণে গৰখীয়া ল'ৰাহঁতে মকল ভোজ খালে। সেয়ে এই ভোজৰ নাম ভেলা ভোজ। গৰখীয়াহঁতে ভোজ খোৱা ঘৰটোৰ নাম ভেলা ঘৰ অৰ্থাৎ ভেলা বুঢ়াৰ ঘৰ। পুঁজি দুটা ভেলা বুঢ়া আৰু ভেলা বুঢ়ীৰ প্ৰতীক ৰূপে ৰৈ গক্সল। মকৰ সংক্ৰান্তিৰ পাছদিনা মাঘীপন্তা বুলি কোৱা হয়। মাঘীপন্তাত আগদিনাৰ ভাত খালে বিভিন্ন বেমাৰৰ পৰা উপশম পোৱা যায় বুলিও এক বিশ্বাস আছে। মাঘ বিহুক সামাজিকস্তৰত বা লোকাচাৰৰ দিশৰ পৰা অনুসন্ধান কৰিলে বুজা যায়, খেতি চপোৱাৰ সময়ত বন্য পশুৰ উপদ্ৰৱ বৃদ্ধি পায়। হাতী-মহে আহি জনপদ সমূহত অত্যাচাৰ কৰে আৰু পকা ধান আৰু শস্য বিনষ্ট কৰে। যাৰ ফলত গৰখীয়া বা খেতিয়কে জুই জ্বলায় আৰু পানীহিলৈ ফুটায় ধাননি আৰু পথাৰসমূহ ৰক্ষা কৰে। পিছলৈ ইয়ে বিৱৰ্তন বা ৰূপান্তৰ ঘটি উৰুকাৰ নাম পায়। উৰুকাৰ দিনা ৰাতিপুৱাৰেপৰা গাঁৱৰ প্ৰতিঘৰ মানুহৰ লক্সৰা ছোৱালীয়ে মিলি বাৰীৰ তামোল, নাৰিকল, আম, কঠাল, লেতেকু, পণিয়ল, ৰবাবটেঙা, মধুৰীআম, ঠেকেৰা আদি লাগনীয়া গছবোৰৰ গুৰিত একোছা খেৰ বা এখন কল চোঁচনিৰে একোটা বান্ধ দিয়ে। ফলধৰাৰ বয়স হোৱা অথবা ফল নধৰা গছবোৰৰ গুৰিতো এনেদৰে বান্ধ দিয়া ৰীতি প্ৰচলিত। লোকজীৱনত বিশ্বাস প্ৰচলিত আছে যে মাঘৰ দোমাহীৰ উৰুকাৰ দিনা তামোল, নাৰিকল, আম, জাম, কঁঠাল, পণিয়ল আদি গছ নাবান্ধিলে ফল নধৰে। উৰুকাৰ আগতেই পথাৰৰ ধান কাটি মাৰি ধানবোৰ ভঁৰালত থব লাগিব। গোটেই মাঘ মাহটোৰ ভিতৰত ভঁৰালৰ পৰা ধান উলিয়াব নাপায়। পথাৰৰ লখিমীয়ে অন্ততঃ এমাহ ভঁৰালত জিৰণি লব লাগে। উৰুকাৰ গোটেই নিশাটো গৰখীয়া ডেকা ল'ৰাহঁত ভেলাঘৰতে থাকে।

অসমীয়া জাতীয় জীৱনৰ লগত সম্পৃক্ত বিহু উৎসৱৰ অতি গুৰুত্বপূৰ্ণ মাঘ বিহুৰ উপলক্ষে বহুতো খেল-ধেমালি উদযাপন কৰা হয়। পৰম্পৰাগত ভাবে এই বিহুত উৰুকাৰ নিশা চেমনীয়া লক্সৰাবোৰে গাঁৱৰ মানুহৰ বাৰীৰ পৰা খৰি, শাক-পাচলি আদি চুৰি কৰি আনে। কাৰোবাৰ ঘৰত দুজনমান লক্সৰাই পিঠা খোৱাৰ চলেৰে সোমায় আৰু বাকী দুজনমানে বাৰীৰ পৰা কুকুৰা-পাৰ-হাঁহ, জেওৰা-জপনা, আলু-কবি আদি চুৰি কৰি লৈ যায়। এই প্ৰথাৰ বাবেই গৃহস্থয়ো সাধাৰণতে ওৰে ৰাতি ঘৰৰ বাৰী, চৌহদ আদিৰ চকু ৰাখে। সেইবাবে এই বিহুক চোৰ বিহু বুলিও কয়। উৰুকাৰ নিশা বাঁহ -কাঠ-খেৰ আদিকে ধৰি বাৰীৰ বয়-বস্তু গৃহস্থৰ অনিষ্ট নোহোৱাকৈ চুৰ কৰা কাৰ্যক দোষণীয় কাৰ্য বুলি গণ্য কৰা নহৈছিল। ৰাতিপুৱাৰ লগে লগে গা-পা ধুই মেজিত জুই লগাই দিয়ে। জুই জ্বলি উঠিলে মন্ত্ৰ মাতি মাহ, মগু, পিঠা, চাউল, ঘিঁউ আদি দি অগ্নিক সেৱা কৰে।মেজি পোৰাৰ শেষত তাৰ ছাঁইৰে সকলোৱে ফোঁট লয়। অৱশ্যে নৰাৰ সুবিধা নথকা ঠাইত কাঠ-বাঁহ আদিৰেই মেজি বনায়। এই বিহুৰ মেজি পোৰা অগ্নি পূজাৰেই নামান্তৰ বুলিব পাৰি। মেজি ঘৰ দাহনৰ পিছত আধাপোৰা বাঁহচালি লাগনী গছত ওলোমাই দি উদ্ভিদৰ বৃদ্ধিৰ কামনা কৰা হয়। বিশ্বাস কৰা হয় যে ছাই আৰু আধা পোৰা বাঁহে পথাৰ আৰু বাগিচাৰ উৰ্বৰতা বৃদ্ধি কৰে। উৰ্বৰতাৰ মাধ্যম হিচাপে ছাই আৰু আঙঠাৰ কাৰ্যকাৰিতাৰ ওপৰত লোক বিশ্বাস আছে। তেওঁলোকৰ কিছুমানৰ মাজত গছৰ গা-গছত খেৰেৰে ঘূৰণীয়াকৈ বন্ধাৰ নিয়ম আছিল। এই জুইৰ ৰীতি-নীতিবোৰ ইণ্ডো-ইউৰোপীয় মূলৰ বুলি বিশ্বাস কৰা হয়।

মেজিত জুই লগাই অগ্নি দেৱতাক শ্ৰদ্ধা নিবেদন কৰোঁতে তলৰ মন্ত্ৰ ফাঁকিগোৱা হয়—

অগ্নিং প্ৰজ্জ্বলিতং বন্দে চতুৰ্ব্বেদং হুতাশনং

সুবৰ্ণ-বৰ্ণমমলং জ্যোতি ৰূপায় তে নমঃ

ইয়াৰ পাছত ভোজ-ভাত খোৱা হয়। গুৰু-ভকতক ঘৰলৈ মাতি আনি ন ধানৰ ন মুঠি জা-জলপান খুৱাই আশীৰ্বাদ লোৱা হয়।

এনে ঐতিহ্যময় পৰম্পৰা থকা বাপতিসাহোন বিহুৰ ৰূপ সাম্প্ৰতিক সময়ত কিছু পৰিমাণে সলনি হোৱা দেখা গৈছে। মানুহৰ মনত পূৰ্বৰ ভোগ বিলাসৰ পৰিৱৰ্তে অভাৱৰ কথাইহে ক্ৰিয়া কৰিবলৈ ধৰিলে। মাত্ৰ এচাম মানুহৰ ভোগ বিলাসৰ উচৱলৈ পৰ্যবসিত হ'বলৈ ধৰা মাঘ বিহুত এতিয়া দেখোন আগৰ সেই উলাহ দেখিবলৈ পোৱা নাযায়। যাৰ ফলত গাঁৱৰ বিহু আহি এতিয়া চহৰ পালেহি। গাঁৱৰ মানুহে বিহু চাবলৈ চহৰলৈ ঢাপলি মেলিব লগা পৰিবেশ আহিছে। উৰুকাৰ নিশা ভোজভাত খাবৰ কাৰণে সমূহীয়াভাৱে মাছ ধৰাৰ যি পৰম্পৰা আছিল সেয়া যেন লাহে লাহে বিলুপ্ত হ'বলৈ ধৰিছে। জলাশয়সমূহৰ সংকোচন, অসমীয়া পৰিয়ালৰ ক্ষুদ্ৰ সংস্কৰণৰ লগতে আন বহুবোৰ কাৰণত যেন এনে পৰম্পৰা সমূহ হেৰাই যাবলৈ ধৰিছে। বিহুৰ ঐতিহ্য ৰক্ষাৰ কাৰণে অসমীয়া মানুহে অনা অসমীয়া মানুহৰ ওচৰ চাপিব লগা হয়। বৰা চাউল, তিল, মিঠৈ, নাৰিকল, মোৱা আলুকে ধৰি ৰৌ, চিতল, খৰিয়া, আঁৰি, ঢেকেৰামাছ আদি সকলো কিনিবৰ কাৰণে বজাৰত ভীৰ কৰিবলগীয়া পৰিবেশ আহিল। অসমীয়া মানুহৰ উচৰপ্ৰৱণ মানসিকতাৰ কাৰণে অনা অসমীয়া সকলে বিহুৰ বজাৰ বুলি অধিক দাম লৈ মুনাফা লুটি নিয়া কাৰ্যই অসমীয়া মানুহৰ কৰ্মবিমুখতাৰে পৰিচয় দিয়ে। কৰ্মবিমুখ হৈ পৰা অসমীয়া মানুহে কৰ্মমুখী চিন্তা চেতনাৰে জাগ্ৰত নহ'লে পথাৰ-বজাৰ অসমীয়াৰ হাতৰপৰা একেবাৰে নোহোৱা হৈ যাব। মাঘ বিহুক কেন্দ্ৰ কৰি অসমৰ বিভিন্ন অঞ্চলত বুলবুলি চৰাইৰ যুঁজ, ম'হ যুঁজ, কণীযুঁজ, কড়ীখেল, নাওখেল আদি অনুষ্ঠিত হয়। অৱশ্যে উচ্চতম ন্যায়ালয়ে ম'হযুঁজ আইনীভাৱে বন্ধ কৰাত বৰ্তমান এই পৰম্পৰা মুকলিকৈ পতাটো বন্ধ হৈ পৰিছে। উচ্চতম ন্যায়ালয়ে বন্ধ কৰিলেও আন এটা কাৰকেও এই ম'হযুঁজ প্ৰথা বন্ধ হোৱাৰ কাৰণ বুলি ভাবোঁ। অসমৰ গ্ৰামাঞ্চলত আশী নব্বৈৰ দশকলৈকে যিধৰণে গৰু ম'হ পালনৰ প্ৰক্ৰিয়া আছিল সেয়া যেন আজিৰ আধুনিকতাৰ গ্ৰাসত কমি আহিবলৈ ধৰিছে। এটা সময়ত ঘৰে ঘৰে গোহালি আছিল, অঞ্চল বিশেষে একোখন বাথান আছিল। বিহুৰ বতৰত এঠা থকা দৈ, মাখন, ঘিউ আদিৰে উভৈনদী থকা গাঁওবোৰত এতিয়া যেন সকলোবোৰ একোটা স্মৃতি। গাওঁ সমূহত খুব কমসংখ্যক মানুহৰ ঘৰতহে গৰু ছাগলী আজিকালি পোহা দেখা পাওঁ। আঘোনৰ পথাৰ উকা হৈ থকা গাওঁবোৰ দেখিলে এনে লাগে বিহু কৃষিজীৱি মানুহৰ উচৰ হৈ আছে নে? ভেলা ঘৰ সাজিবলৈ যুৱক যুৱতী আছেনে? নৰা আছেনে? তমাল তুলিব জানেনে? আজিকালি বিহু মানেই যেন চহৰত উদযাপিত হোৱা এক উচৰ। ভেলাঘৰৰ নামত বিভিন্ন আৰ্হিৰ ঘৰ সজাৰ প্ৰতিযোগিতাতহে যেন আমি নামি পৰিছো। ভেলাঘৰ সাজিবলৈকো কোনো সুদক্ষ কাৰিকৰ আনি সামাজিক মাধ্যমত প্ৰচাৰৰ প্ৰতিযোগিতাত নামি পৰাৰ যি প্ৰৱনতা এই প্ৰৱনতাই যেন এফালৰ পৰা আমাৰ ঐতিহ্য, পৰম্পৰা এই সকলোবোৰৰ পৰিৱৰ্তন ঘটাইছে। যাৰ ফলত আজিৰ তাৰিখত বিহুৰে স্বকীয়তা হেৰুৱাই পেলোৱা যেন অনুভৱ হয়। সৰু এটা কথা, আমাৰ আইতাহঁতৰ মুখত শুনিছোঁ যে তিল পিঠা মাঘ বিহুত খায়। কিন্তু এতিয়া দেখা পাওঁ বিহু মানেই যেন তিল পিঠা বেচিবই লাগিব, কিনিবই লাগিব। ধাৰণা হয় আইতাহতৰ 'নাখায়' 'নাপায়' বোৰত কিবা নিশ্চয় আছিল। অসমীয়া খাদ্য প্ৰণালীত তিতা, টেঙা,খাৰ একেলগে খোৱাৰ প্ৰথা নাছিল। কিন্তু এতিয়া এই সকলোবোৰৰ যেন পৰিৱৰ্তন হৈছে। পৰিৱৰ্তন হৈছে বিহুৰ পৰম্পৰাৰ, পৰিৱৰ্তন হৈছে মানুহৰ মনৰ। এই পৰিৱৰ্তনৰ ধামখুমিয়াত আমি উটি ভাঁহি গলে সমাগত সময়ত বিহু কৃষিজীৱি মানুহৰ উচৰৰ সলনি আভিজাত্য প্ৰকাশৰ এক উচৰলৈহে পৰিৱৰ্তন হবগৈ। যিটো অসমীয়া জাতিৰ বাবে হক্সব এক বৃহৎ অভিশাপ। আৰ্থিক দূৰৱস্থাৰ, সামাজিক উচ্চনীচ, ধনী দুখীয়াৰ ভেদাভেদৰ, সামাজিক বিধি ব্যৱস্থাৰ অঘৈয়া হুলে আমাৰ মনৰ আনন্দক নিঃশেষ কৰিলে অসমীয়া জাতি এদিন কালৰ সোঁতত হেৰাই যাবলৈ বেছি পৰ নালাগিব।


গ্ৰন্থপঞ্জী—

১) অসমীয়া লোক সংস্কৃতিৰ আভাস ঃ ড° নবীন চন্দ্ৰ শৰ্মা

২) অসমৰ লোক সংস্কৃতিঃ নিৰ্মলপ্ৰভা বৰদলৈ



# মাছ ধৰা আনন্দ

**দীপান্জু বৰা**

পুৱা ৯ মান বাজিছে। মই তাঁতশালত বহি কাপোৰ বৈ আছিলোঁ। তেনেতে কাষৰ বৰমাৰ ঘৰৰ পৰা বোৱাৰীজনীয়ে ৰিঙিয়াই মাতিলে— ‘খুৰীদেউ! অ’ খুৰীদেউ !’ ‘মা ভিতৰত আছিল। গতিকে ময়ে মাত লগালোঁ— “মা ভিতৰত আছে। কিয়নো?” বোৱাৰীজনীয়ে ক’লে, — ‘বাইদেউ, ঢেৰ মাছ ওলাইছে। আহক ধৰে যদি।’ কথাটো চিন্তা কৰিলোঁ। মা পাকঘৰত ব্যস্ত। মাছ ধৰিবলৈ যাব নোৱাৰে। মই! মইনো মাছ ধৰা মানুহ নে? কি নো মাছ ওলাইছে চায়ে আহোঁ বুলি গ’লোঁ। বৰমাহঁতৰ ঘৰৰ পিছফালে অলপ পথাৰ। অলপ অলপ পানী আছে। বৰমাৰ ডাঙৰ ল’ৰাটোৱে কিছু ঠাইত হালবাই বোকা দিছে। কঠীয়া সিঁচিবলৈ।বৰোধানৰ খেতি কৰিব। তাৰেই কঠীয়া।

সেই ঠাইতে বহুত মাছ ওলাইছে। পুঠি মাছ। বগাপুঠিমাছবোৰ বোকাত জিলিকি উঠিছে।বোকাত নামিবলৈ মনটো কোঁচ খাইছিল যদিও কিবা এক অদৃশ্য শক্তিৰ বলত নামি গ’লোঁ। ভৰিৰ কলাফুল বোকাত সোমাই গ’ল। থুপথুপীয়া বোকাত থপিয়াই থপিয়াই মাছ ধৰিবলৈ আৰম্ভ কৰিলোঁ। কাষৰ অকনমান ঠাই দ। তাতে অলপ পানী আছিল। পানীখিনি ঘোলা হৈ পৰিছিল। তাতে মাছবোৰে মূৰ উলিয়াই যেন ক’লৈ যাম কি কৰিম কৰি আছিল। মাছধোৱা চালনি লৈ পানীত সোমোৱাই দিলোঁ। ঘোলা বোকাপানীৰে চালনিখন ভৰি আহিল। চালনিখন জোকাৰি দিয়াত বোকাপানীবোৰ ফুটাৰে সৰকি গ’ল। বগা পুঠিমাছবোৰ বৈ গ’ল ওপৰত। কিবা এটা আনন্দত মনটো নধৰা হ’ল।

আমি এল পি স্কুলত পঢ়ি থকা দিনৰ কথা। আমাৰ বয়সৰ ল’ৰা-ছোৱালীবোৰ লগ হৈ পথাৰত মাছ ধৰিবলৈ যাওঁ। গাঁৱৰ পূব-দক্ষিণ মূৰত গৰিয়াভেটা পথাৰ। এই গৰীয়াভেটা নামটো কিয় হ’ল নাজানো। পথাৰখনৰ সিটো পাৰে মুছলমান সম্প্ৰদায়ৰ মানুহখিনি বাস কৰে। সেই পথাৰখনকে আকৌ বালিপাৰা বুলিও কয়। এই নামটো কিয় হ’ল অৱশ্যে জানো। ১৯৫০ চনৰ বৰ ভুঁইকঁপত এই ঠাই খিনিত কেইবাটাও বালিৰ দমৰ সৃষ্টি হৈছিল। সেয়া প্ৰতক্ষভাৱে দেখা গাঁৱৰ ককাহঁতে আমাক সাধুকথাৰ দৰে কৈছিল। তেতিয়াৰ পৰাই সেই ঠাইৰ নাম বালিপৰা বা বালিপাৰা হয়। এতিয়া মানুহৰ মুখত পৰি বালিপাৰ।

যাহওক, সেই বালিপাৰ বা গৰিয়াভেটা পথাৰৰ পুখুৰীসদৃশ দ ঠাই খিনিত গাঁৱৰ সকলোৱে মাছ ধৰিবলৈ যায়। আমি ল’ৰা-ছোৱালীবোৰো যাওঁ। হাতত জাকৈ, বৰচালনি আৰু ঘোকালনি জাল লৈ। বাৰিষাকালত পানীমেটেকাই গোটেইখন চানি ধৰে। আচল দ ঠাই খিনিলৈ আমি যাব নোৱাৰোঁ। বহুত দ। পথাৰলৈ যোৱা গো-বাটটো তেতিয়া দ আছিল। আমি ল’ৰা-ছোৱালীবোৰে তাতে মাছ ধৰোঁ। বৰচালনি বা ঘোকালনি জাল পানীমেটেকাৰ তলেৰে সোমোৱাই কেইবাজনেও মিলি দাঙি ধৰোঁ। তাৰপিছত সকলোৱে মিলি মেটেকাবোৰ জোকাৰি পেলাওঁ। শেষত চালনিত ৰয়গৈ গৰৈ, চেঙেলি, কাৱৈ, পুঠি, শ’ল, মাগুৰ আদি। আনন্দতে আটাইবোৰে কিৰিলি পাৰি চিঞৰোঁ। অৱশ্যে এবাৰতে যে গোটেইখিনি মাছ উঠে বা বেছিকৈ মাছ উঠে তেনে নহয়। কোনোবাবাৰত হয়তো এটাও নুঠে। কিন্তু হতাশ নোহোৱাকৈ বাৰে বাৰে আমি একে পদ্ধতিৰেই পুনৰাবৃত্তি কৰি থাকোঁ। ইটোৱে সিটোৱে পানীত ঠেলিয়াঠেলি কৰি, সাঁতুৰি নাদুৰি জুৰুলি জুপুৰি হৈ গধূলিৰ আগে আগে ঘৰলৈ উভটি আহোঁ।

সেই দৰে গাঁৱৰ পশ্চিম দিশত থকা নলনী বিললৈ যাওঁ মাছ ধৰিবলৈ। তেতিয়াৰ দিনত নলবনেৰে ভৰি থকাৰ বাবে এই বিলৰ নাম নলনীবিল হ’ল। অৱশ্যে এতিয়া তাত বিল নাই। গাঁৱৰ ৰাইজে মিলি তাত এটা ডাঙৰ ফিছাৰী খান্দিলে। তাত ৰাজহুৱাকৈ মাছ পোহে।

সেই সময়ত গাঁৱত মাছ ধৰাটো এটা ডাঙৰ উৎসৱৰ দৰে হয়। গৰীয়াভেটাৰ দখিনি গাঁৱৰ ডাঙৰ ল’ৰাখিনিয়ে বাৰিষা কালতে জেং পেলাই থৈ দিয়ে। খৰালি কালত তথা আঘোণ পুহ মাহৰ কোনোবা এদিনত সেই জেং আতৰাই মাছ ধৰে। যিদিনাই জেং আতৰাই মাছ ধৰিব, সেই দিনটো উৎসৱৰ দৰে হয়। জেং আতৰাই মাছ ধৰা ব্যৱস্থাটোকে জেং মৰা বুলিও কয়। এই জেং মৰাটো যেন এটা চাবলগীয়া বা অংশগ্ৰহণ কৰিব লগীয়া আনন্দ উৎসৱহে !লৰাহঁতে প্ৰথমে জেঙৰ চাৰিও দিশে বানেৰে ঘেৰি লয়। তাৰপিছত জেংবোৰ তুলি বামত পেলাই। পিছত পল’, চিপজাল আদি লৈ বানৰ ভিতৰত সোমাই মাছ ধৰিবলৈ আৰম্ভ কৰে। চব চব কৈ মৰা পল’ৰ শব্দই যেন সকলোৰে মনত খলকনি তোলে। পাৰত মাছধৰা চোৱা মানুহৰ হেঁচা- ঠেলা হয়। ডেকা বুঢ়া, বোৱাৰী জীয়াৰী, সকলোৱে যেন কিবা আনন্দ উৎসৱতহে যোগ দিছে। জালত বা পল’ত মাছ পৰে, সকলো কিৰিলি পাৰি চিঞৰি উঠে। এনেদৰে হৈ হাল্লা, ৰং ধেমালিৰ মাজেৰে এটা সময়ত মাছ ধৰা শেষ হয়। সেই দৰে গাঁৱৰ মূল ৰাস্তাটোৰ কাষত থকা পুখুৰীবোৰতো মাছ ধৰা হয়। খৰালী কালত এই পুখুৰীবোৰত ডেকাহঁতে মাছ ধৰে। ইয়াত মাছ ধৰা পদ্ধতিও বেলেগ। পুখুৰীবোৰত পানী বহুত থাকে। কোনোবা এদিন গধূলিৰ পৰা লৰাহঁতে পুখুৰী সিঁচিবলৈ আৰম্ভ কৰে। তেতিয়া পানীসিঁচা মেচিন নাছিল। মিঠাতেলৰ টিঙত বা মিঠৈৰ টিঙত দুফালে দুডালকৈ ৰছী বান্ধি লয়। তাৰপিছত সেই ৰছীৰ দুয়োমূৰে দুটা ল’ৰাই ধৰি টিংটোত পানী ভৰাই আনি ভেটাৰ সিটোমূৰে পেলাই। এই দৰে দুজনৰ পিছত দুজনকৈ সলনাসলনি কৰি লৰাহঁতে পুখুৰীৰ পানী সিঁচে। কেতিয়াবা দুটাকৈ টিং বান্ধি লয়। এই দৰে সিঁচোতে এটা পুখুৰীতে কেতিয়াবা দুই তিনি ৰাতি পৰ্যন্ত লাগে। পানী সিঁচাৰ অন্তত বোকাত নামি মাছ ধৰিব। পাৰত মাছ ধৰা চোৱা মানুহেৰে নধৰা হয়। আনন্দ ফুৰ্তিতে কিৰিলি পাৰি চিঞৰি মাছ ধৰি থকাকেইটাক যেন মানুহবোৰে উৎসাহ যোগায়।

এতিয়া আৰু সেই দিন নাই। গৰীয়াভেটা পথাৰলৈ যোৱা গো-বাটটো এতিয়া ওখ ভাল আলিবাট হ’ল। দ খালটোও কাৰোবাৰ ব্যক্তিগত পুখুৰী হ’ল। ৰাস্তাৰ কাষৰ সেই পুখুৰীবোৰ, য’ত লৰাহঁতে দুই তিনিমাহতকৈ পানী সিঁচি মাছ ধৰাৰ উৎসৱ পাতিছিল, সেইবোৰো ব্যক্তিগত ফিছাৰী হ’ল। তাৰ লগে লগেই অনত পৰিল মাছ ধৰা আনন্দ উৎসৱৰ।

# পাৰফিউম

**কাজি শ্বাহাদত ইছলাম**

শৰৎকালৰ আবেলি। নগৰৰ ব্যস্ত ৰাজপথৰ কাষতে থকা ‘পুনম জুৱেলাৰ্ছ’ৰ ভিতৰত এচিৰ মৃদু শব্দ আৰু সোণৰ অলংকাৰৰ জিলিকনিয়ে এক আভিজাত্যৰ পৰিৱেশ সৃষ্টি কৰিছিল। দোকানৰ মালিক মাধৱ মহন্তই তেতিয়া অতি মনোযোগেৰে গহণাৰ হিচাপ মিলাই আছিল আৰু গ্ৰাহকৰ বাবে অপেক্ষা কৰি আছিল। তেনেতে হাতত প্লাষ্টিকৰ ডাঙৰ মোনা এটা লৈ এজন বিহাৰী ফেৰিৱালা দোকানৰ ভিতৰত সোমাল।

‘নমস্কাৰ শেঠজী! মোজা ল’ব? এক নম্বৰ মাল হ্যায়,’ ফেৰিৱালাজনে ভঙা-ভঙা অসমীয়াত মাত লগালে।

মহন্তই প্ৰথমে গুৰুত্ব দিব খোজা নাছিল, কিন্তু ফেৰিৱালাজনৰ কথা কোৱাৰ ধৰণটো আছিল অলপ সুকীয়া। সি ক’লে, ‘শেঠজী, কেৱল মোজা নাই, ইয়াৰ ভিতৰত লটাৰী আছে। কুকাৰ, পাৰফিউম, বেড ক’ভাৰ-ইয়ে সব নিকলেগা। ভাগ্য আচ্চা হ’লে অৰু বহুত কুছ মিলিব।’

মহন্তৰ মনত প্ৰচুৰ কৌতূহলৰ সৃষ্টি হ’ল। তেওঁ সুধিলে, ‘দাম কিমান?’

‘এপেকেট ১৫০ টকা ছাৰ,’ ফেৰিৱালাজনে উত্তৰ দিলে।

মহন্তই দৰ-দাম কৰি ক’লে, ‘১৫০ টকা বহুত বেছি হৈছে। কমকৈ দিয়া।’

ফেৰিৱালাজনে দুখ লগা মুখ এখন কৰি ক’লে, ‘দেখিয়ে শেঠজী, ফ্ৰেঙ্গি বাজাৰত আমাৰ বহুত বড়া দোকান আছে। এতিয়া মাৰ্কেট মন্দা আছে, সেইকাৰণে ফেৰি কৰি আছোঁ। এটা পেকেটত মোৰ ১০ টকা কমিচন থাকে। আপুনি আমাৰ বড়া গ্ৰাহক হ’বা পাৰে, আপোনাক ১০ টাকা এৰি দিম। ১৪০ টকা দিয়ক, একদম পক্কা।’

মহন্তই ভাবিলে, মাত্ৰ ১৪০ টকাত যদি কিবা এটা দামী বস্তু ওলাই যায়, তেন্তে লোকচান কিহৰ? তেওঁ দহটকীয়া নোট কেইখনমান উলিয়াই ফেৰিৱালাজনক দিলে।

উত্তেজনাৰে মহন্তই পেকেটটো খুলিলে। কপালত যেন ভাগ্যদেৱী সুপ্ৰসন্ন! কুপনটোত ওলাল এটা দামী বিদেশী পাৰফিউম। যাৰ নাম লণ্ডন মিষ্ট্ৰী ছেন্ট (LONDON MYSTRY SCENT)।

ফেৰিৱালাজনে আনন্দিত হোৱাৰ ভাও ধৰি ক’লে, ‘অৰে ৱাহ শেঠজী! আপোনাৰ কপাল বহুত বড়া হ্যায়। লওক আপোনাৰ ইমান দামী পাৰফিউম।’ সি মোনাৰ পৰা এটা ধুনীয়া কাঁচৰ বটল উলিয়াই দিলে। ‘এবাৰ শুঙি চাওক ছাৰ, একদমে মাজাদাৰ চেন্ট আছে।’

মহন্তই আনন্দত আত্মহাৰা হৈ পাৰফিউমৰ সাঁফৰখন খুলিলে আৰু গভীৰকৈ নাকত শুঙিলে। কিন্তু ১-২ মিনিট পাছতেই তেওঁৰ মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে। তেওঁৰ চকুৰ আগত দোকানখন ঘূৰিবলৈ ধৰিলে আৰু তেওঁ ধপচকৈ মাটিত ঢলি পৰিল।

মালিক অজ্ঞান হোৱাৰ লগে লগে ফেৰিৱালাজনৰ চেহেৰা সলনি হৈ গ’ল। সি চকুৰ পচাৰতে কেচ কাউণ্টাৰৰ পৰা টকাৰ বাণ্ডিলবোৰ ল’লে। শ্ব’কেচৰ পৰা সোণৰ গহণাবোৰ সামৰি নিজৰ মোনাত ভৰালে। শেষত মেজৰ ওপৰত থকা মহন্তৰ গাড়ীৰ চাবিটো লৈ সুহুৰি এটা মাৰি বাহিৰলৈ ওলাই গ’ল। মুহূৰ্তৰ ভিতৰতে এখন দামী গাড়ী লৈ অপৰাধীজন ভিৰৰ মাজত অদৃশ্য হৈ পৰিল। দোকানৰ ভিতৰত পৰি ৰ’ল কেৱল এযোৰ সস্তা মোজা আৰু এটা বিষাক্ত পাৰফিউমৰ বটল। মহন্তৰ লোভৰ মূল্য আছিল তেওঁৰ জীৱনৰ সমগ্ৰ উপাৰ্জন।

ক বি তা

## মৰাশিল

সুশান্ত বৰুৱা

এতিয়া পুৱতি নিশা
মৰাশিল এচটাত বহি ফেকুৰি আছে
এটা আধালিখা কবিতা
দুখৰ ভৰ ব'ব নোৱাৰা মানুহবোৰো আছে
আচাৰি আচাৰি দুখবোৰ ধুই পাতল কৰে।

সিখন গাঁৱত ৰাতি বঞ্চা নাম পাতিছে
কোনোবাই
কীৰ্তন পাঠ কৰিছে সাৰেং সুৰত
কাঁহ পৰি জীন যোৱা সময়

আগৰাতি জোনাকখিনি তোমাৰ আছিল
শেহৰাতিৰ আন্ধাৰখিনি মোৰ
জোনটো উমৈহতীয়া ।




## মধুচন্দ্রিকা

প্রয়াগ শইকীয়া

এখন ওখ দেৱাল
প্ৰেমৰ বল্লৰীৰ পৰিছে
তাক বগোৱাৰ পাল
পাখি জপাই দুটি পখী
দেৱালৰ চূড়াত আছে উঠি
প্ৰেমে দেখা নাপায় কালনিষাদ
চন্দ্ৰিকা
মধুচন্দ্ৰিকা
জোনৰ আধা প্ৰেমে থাকে ঢাকি
অ' প্ৰেম শব্দ নোহোৱা লৈকে নুৰিবি
অ' কবি নিৰ্বাক কবিতাক
চকুলোৰ গাথা নকৰিবি

(শিল্পী হেমন্ত মিশ্ৰৰ ছবিৰ অনুপ্ৰেৰণাৰে)



## বিহু

মনোজ কুমাৰ শৰ্মা

বিহু—
বসন্তৰ এছাটি অময়া বা
সেউজ সৃষ্টিৰে
ফুলে-ফলে জাতিস্কাৰ কৰাৰ ।
সুদূৰত বাজি উঠে
প্ৰেমাস্পদৰ মিঠা বাঁহীৰ স্পন্দন
বিহু-
লখিমী পথাৰৰ এজাক স্নিগ্ধ বা
সোণগুটিৰ আভাৰে
শুৱনি শব্দৰে গাঁথা
মন জুৰোৱা এটি গীত
আকাশে বতাহে ধ্বনিত হয়
আশাভৰা হিয়াৰ বতৰা ।
বিহু—
কোমল বেলিৰ এজাক গা-জুৰোৱা বা
শীতৰ আচ্ছাদন ফালি
কুঁৱলী উৰুৱাই
জাতিলৈ কঢ়িয়াই
সম্ভোগৰ বতৰা
আৰু উছাহৰ
প্ৰকৃতি প্ৰেমৰ আবেদন।
বিহু—
জীৱন্ত কিংবদন্তি
বিহু—
উদিত কিম্বা অস্তগামী সুৰুযৰ
আশাৰ হেঙুলী ৰহণ।
মহাকালৰ প্ৰহাৰত
সেও নামানি উজ্বলি উঠা-
এক শ্বাস্বত সাংস্কৃতিক সঞ্জীৱনী ধাৰা ।
বিহু-জাতিৰ মান
বিহু- জাতিৰ প্ৰাণ
বিহু -সেউজী অসমীৰ
অকৃত্ৰিম কালজয়ী দান।

## শূন্যৰ পৰা দুই লৈ

ৰেজাউল কৰিম

ঠেঁটুৰৈ লগা জাৰ পৰা নাই
মাঘৰ উৰুকালৈ অপেক্ষা।

মাঘেই আমাৰ আচল মাহ
উদৰ পূৰাই খাব পাৰি।

খাবলৈ জীয়াই থাকো।

হাবি বননি,পাহাৰ পৰ্বত, বাট পথ,
পানী,পথাৰ আৰু মাটি
সকলো খাদ্য।

ঠেঁটুৰৈ লগা জাৰ পৰা নাই,
মাজে মাজে সুৰুজটো নেদেখা হয়।
কুঁৱলিৰ সৈতে বতাহত উৰি ফুৰে
শব্দ বিস্ফোৰণৰ কণিকা।

চোতালতে ৰাজপথ
সাধু শুনিবা ক'ত ?

মা হত সৰু থাকোতে
মামাই পাটিগণিত শিকাইছিল।
একে একে দুই
একৰ এক গুণ এক
এক শূন্য গুণ শূন্য।

এই পাটিগণিতৰ এমূৰে শূন্য
আনটো মূৰে দুই।

এমূৰে মা
আনটো মূৰে মামা।
মাজত এসোপা অচিনাকী শব্দ।

## নতুন বছৰৰ শুভেচ্ছা

প্ৰদীপ কুমাৰ গোস্বামী


ফটকা ফুটাই
আতচবাজীৰে
গোটেই আকাশ পোহৰাই
মানুহ বোৰে
উৎপ্তাৰে বাট চাই
একেটা বাটেৰেই
ন-সাজ পিন্ধি
কেনেকৈনো আহে
পুৰণি বছৰটো
নতুন হৈ দুনাই!
নতুন বছৰ বুলি
ন কৈ জীৱনক
আজিও
আকৌ এবাৰ কবলৈ মন যায়-
জীৱন
পুৰণি হয় বুলি
মনটোৱেহে
আমনি কৰি কয়!
আজিও
নতুন বছৰ বুলি কলে
একেটা জীৱনকে
প্ৰতিবাৰে
বাৰে বাৰে
আনে নুশুনাকৈ
জীৱনে
জীৱন আজীৱন নতুন বুলি
বুকুত সাৱটি
জীৱনক
হিয়া ঢালি
ভাল পাওঁ বুলি কয়,

হওক ডুখৰীয়া
জীৱন!
নতুন বছৰ বুলি ক'লে
সুখ দুখ
একেলগে বুটলি
বছৰটোলৈ বুলি
আকৌ সজাই ল'ব লাগে
মধুৰ জীৱন;
জীৱন মানে
মৰম লগা
আন্তৰিকতাৰে ভৰা
জীৱনৰ পৰা মচিব নোৱাৰা-
একান্ত জীৱনৰ
এক সুমধুৰ আলিংগন;
দুখ নো কাৰ নাই!
দিনে ৰাতিয়ে
আন্ধাৰে পোহৰে
দুখ
গাতে লাগি থাকে;
নাটনিৰ চেপাত
মন সদায়েই
অসুখীয়া হয়!
নতুন বছৰ বুলি কক্সলে
কৰ পৰা যে আহে
এক
অবুজ উন্মাদনা!
দৈনন্দিন
সুখ দুখৰ চেপাৰ পৰা
ওলাই আহি জীৱন-
নতুন বছৰ বুলি
ন উদ্যমৰে
জীৱনক
উন্মুক্ত মনে
হেঁপাহৰে
আকৌ আদৰি লয়;
জানে সবেই!
জীৱনৰ
তিতা-কেহা পাত বোৰ
লুটিয়াই থাকোতেই
চকুৰ পলকত
মন আকাশত
বেলিয়ে লহিয়াই,

মানুহৰ
মন হে মলঙি যায়!
উপায় নাই!
বছৰ একেটাই-
ন- সাজ পিন্ধি
ন-ন ৰূপৰে
ন-ন ৰঙৰে
মানুহৰ মলঙা মন ৰঙাবলৈ
সাজি-কাছি আহে বছৰ;
বছৰৰ মূৰকত
এবাৰলৈ হলেও
ন-বছৰ হৈ
সদায়!
নতুন বছৰলৈ বুলি
সাঁচি থোৱা
মনৰ হেঁপাহকে
এবাৰ ঢালি
কব লাগে নিজকে-
পুৰণি হ'লেও
জীৱনে
নিজৰ মুখ চাই
নিজকে পাহৰি
আজিও
জীৱনক
প্ৰাণ ভৰি ভাল পায়!
নিজৰে হওক
বা
আনৰে হওক!
জীৱনৰ
অলাগতিয়াল
সচা মিছা
তিতা-কেহাৰ
জা-জড়ালবোৰ
অনাহকত
চপাই কোছাই
একো লাভ নাই;
নতুন বছৰ বুলি
আমনি লগা মন টোৰ পৰা
খহায় পেলাব লাগে
মনৰ বোজ
বছৰ জুৰি-
বোজাৰ পৰা
মনক আতঁৰাই

# জুবিন গাৰ্গবিহীন প্ৰথমটো মাঘৰ বিহু

মাধুৰ্য ডেকা



ভোগালীৰ ভোগ বতৰত উৰুঙা আজি সমগ্ৰ অসম। জুবিন গাৰ্গবিহীন প্ৰথমটো বিহু। অসমত বিহু মানেই জুবিনদা। কাৰণ তেওঁৰে কথা-সুৰ-গীতৰ মাজেৰে অসমীয়া সমাজত বিহুৱে এক সুকীয়া পৰিচয় পাইছে। আজিও জুবিন দাৰ গানেৰে ভোগালীক আদৰিছোঁ। তেওঁৰ কণ্ঠতেই যেন তেঁওক আমাৰ মাজত আঁকোৱালিবলৈ সক্ষম হৈছোঁ।

বিহু অসম আৰু অসমীয়াৰ প্ৰাণৰস্বৰূপ। বিহু বুলি ক'লেই প্ৰত্যেক অসমীয়াৰে দেহ-মন উতনুৱা হৈ পৰে। বিহুৱে সকলো জাতি-জনগোষ্ঠীক একতাৰ এনাজৰীৰে বান্ধি ৰাখিছে। এক প্ৰকাৰে ক'বলৈ গ'লে বিহু হৈছে সমন্বয়ৰ প্ৰতীক। বিহুৱে অসমীয়া সমাজত ঐক্য, মৈত্ৰী- সম্প্ৰীতি আৰু ভাতৃত্ববোধ জীয়াই ৰাখিছে। অসমত পালন কৰা প্ৰধান উৎসৱ সমূহৰ ভিতৰত বিহু অসমৰ জাতীয় উৎসৱ। তিনিটা বিহু ক্ৰমে ব'হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহু। এই তিনি বিহুৰ ভিতৰত মাঘ বিহু অসমৰ এক প্ৰধান শস্য চপোৱা উৎসৱ। এই বিহু মোৰ সকলোতকৈ প্ৰিয়। কাৰণ এই বিহু ভোগৰ বিহু। আঘোণ-পুহ মহীয়া পথাৰৰ সেই সোণালী দৃশ্য চালেই মন প্ৰাণবোৰ বিনন্দীয়া হৈ পৰে। দাৱনিয়ে ধান কটা আৰু বিৰিয়াত লৈ ডাঙৰী অনা অতীতৰ সেই ককা-দেউতাৰ লগত যোৱা স্মৃতিবোৰৰ কথাই সুকীয়া। আজিকালি বিজ্ঞানৰ ন ন উদ্ভাৱনৰ ফলত সেই স্মৃতিবোৰ দেখিবলৈ নাপাওঁ। গৰু-মহে মৰণা মৰাৰ দৃশ্য কথাওঁ মন কৰিবলগীয়া। এতিয়া ট্ৰেক্টৰ, পাৱাৰটিলা আৰু ক'ত কি উদ্ভাৱনে সেই দৃশ্যবোৰ মোহাৰি পেলাইছে। হলেওঁ কিছু কিছু ঠাইত অতীতৰ এই স্মৃতিবোৰ দেখিবলৈ পাওঁ। এতিয়া প্ৰজন্মক এই সোণালী দৃশ্যবোৰৰ লগত পৰিচয় কৰাই দিয়াটো অতিকৈ প্ৰয়োজন বুলি ভাৱোঁ। কাৰণ বহুতে এই বিষয়ে ভালদৰে অৱগত নহয়। আজিকালি নৱ প্ৰজন্মক কেৱল মোবাইল ফোন লৈ ব্যস্ত হোৱা দেখিবলৈ পাওঁ। আগতে আমি ককা হঁতৰ লগত পথাৰত গৈ এই সোণালী দৃশ্যবোৰ উপভোগ কৰোঁ। অলপ যদি আমি তেওঁলোকক এই দৃশ্যবোৰৰ কথা সোঁৱৰাই দিলে তেওঁলোক উৎসাহিত হ'ব।

কঙালী দিনবোৰৰ অন্ত পৰাত, আঘোণ-পুহ মহীয়া খেতি পথাৰৰ পৰা লখিমীক আদৰি অনাৰ পিছত সকলোৰে ভঁৰাল ঘৰ চহকী হয়। আকৌ সকলোৱে এক হৈ ন চাউলেৰে এসাজ খোৱাৰ হাবিয়াস আহে এই মাহতে। সঁচাই ন চাউলৰ ভাতৰ জুতিৰ কথা কৰলগীয়া। ভোগৰ মাহ হোৱাৰ বাবেই হয়তো মাঘৰ বিহুক ভোগালী বিহু বুলি কোৱা হয়।

পুহ মাহৰ শেষত আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা এই বিহু পালন কৰা হয়। যিহেতু আঘোণ-পুহত ধান, মাহ, তিল, মগু আদি শস্যৰে সকলোৱে ভঁৰাল ভৰি থাকে, সেয়ে এই বিহুত বিভিন্ন ধৰণৰ খাদ্য বনুৱা হয়। যেনে- পিঠা, লাডু, সান্দহ গুৰি, চিৰা, আখৈ, জলপান ইত্যাদি। দোমাহিৰ আগদিনা উৰুকা বুলি কোৱা হয়। গাঁৱৰ ডেকা সকলে পুহতে পথাৰৰ নৰা-খেৰৰে ভেলাঘৰ আৰু মেজি প্ৰস্তুত কৰে। সকলোৱে আশা উৰুকাৰ ৰাতি একলগ হৈ ভোজ ভাত খাই নাচি বাগি উজাগৰে থকা। আনহাতে জীয়ৰী- বোৱাৰী সকলে উলহ- মালহেৰে পিঠা, লাডু, চিৰা আদি বনোৱাত ব্যস্ত হৈ পৰে। উৰুকাৰ ৰাতিপুৱা নৈ, বিল, পুখুৰীত মাছ ধৰা সেই প্ৰতিচ্ছবিবোৰে এতিয়াও যেন লৰালিকাললৈ মনত পেলায় আৰু সেই মাছেৰে উৰুকা ৰাতি ভোজ খোৱাৰ তৃপ্তিয়ে বেলেগ। আকৌ উৰুকা ৰাতি গাঁৱৰ ডেকা সকল এক লগ হৈ আনৰ জেওঁৰা-জপনা চুৰি কৰা পৰম্পৰা বোৰ মনকৰিবলগীয়া। আজিকালি এইবোৰ পৰম্পৰা ক্ৰমান্বয়ে নোহোৱা হৈ গৈছে। আকৌ কোনোৱে কাৰোবাৰ বাৰীৰ তামোল-পান, কোমোৰা আদিও চুৰি কৰে। কাৰণ এয়া এক প্ৰকাৰৰ ধেমালি। উৰুকাৰ পিছদিনা ৰাতিপুৱা সকলোৱে গা-পা ধুই ওলাই আহে মেজি জ্বলাবলৈ। মেজিৰ জুই জ্বলাই গোৱা হয় 'পুহ গ'ল মাঘ হ'ল, আমাৰ মেজি জ্বলি গ'ল'। তাৰ পিছত হৰিধ্বনি দি মাহ-প্ৰসাদ আগবঢ়াই দিয়া হয়। মেজিৰ তলত আশীৰ্বাদ ল'লে ব্যক্তিৰ মনৰ আকাংক্ষা পূৰণ হয় বুলি লোকবিশ্বাস আছে আৰু মেজিৰ ছাই খেতি পথাৰত ছটিয়ালে কীট-পতঙ্গ নাশ হয়। এই মেজি শব্দটো বৈদিক 'মেধ্য' শব্দৰ পৰা আহিছে। মেধ মানে হৈছে যজ্ঞ।

মাঘ বিহু উপলক্ষে অসমৰ কোনো কোনো ঠাইত দুই- তিনিদিন ধৰি বিভিন্ন খেল-ধেমালি, গীত-মাতৰ প্ৰতিযোগিতা আদিৰ আয়োজন কৰে আৰু উঠি অহা প্ৰজন্মক উৎসাহিত কৰে। অসমৰ অঞ্চলভেদে মাঘ বিহুত মহ যুঁজ, হাজোৰ বুলবুলি চৰাই যুঁজ, কুকুৰা যুঁজ, কণী যুঁজ, ৰছী টনা খেল, মাৰাথান দৌৰ ভেশ্চন প্ৰতিযোগিতা, দ-বাম, কাবাডী খেল আদি আয়োজন কৰে। এই বিহুতে কনিষ্ঠজনে জ্যেষ্ঠজনক ভৰি চুই সেৱা জনাই আৰু আশীৰ্বাদ লয়। আনহাতে মাঘ বিহু উপলক্ষে অসমৰ বিভিন্ন ঠাইত মেলা-সমাহৰো আয়োজন কৰা হয়। যেনে— জোনবিল মেলা, হাজোৰ উৰুচ মেলা, মাঘী মেলা আদি।

এনেদৰেই ভোগালী ভোগৰ মাজেদি আকৌ আহক হেঁপাহৰ মাঘৰ বিহুতি। মেজিৰ জুইত জাহ যাওঁক দুখ হিংসা দুৰ্নীতি আৰু ঘূৰি আহক সুখ, শান্তি আৰু সমৃদ্ধি। সকলোকে ভোগালী বিহুৰ আন্তৰিক শুভকামনা জনালোঁ।

শেষত জুবিন দাৰ এফাঁকি বিহু গীতেৰে—

'পৰ্বতৰ ঢেকঢেকীয়া লিহিৰিপতীয়া  
বতাহত যেনেকৈ হালে  
ঢোলৰে চাপৰত তোৰে লাহি কঁকাল  
দুচেও তিনি চেও কৈ ভাগে।।'

# আনৰ লগত তুলনা ঃ শিশুমনৰ ওপৰত এক গভীৰ আঘাত

কুণ্ডিল হাজৰিকা

যেতিয়া সন্তান সৰু থাকে, আমি সচৰাচৰ কওঁ—

"অমুকৰ ল'ৰা বা ছোৱালীজনীক চোৱা, কিমান সোনকালেই উঠি পঢ়া-শুনা কৰে।"

"তই কি কৰিছ? ইমান দেৰি শুই আছ।"

"অমুকৰ ল'ৰাটোক চোৱা, শ্ৰেণীত প্ৰথম হ'ল। তই ক'ত থাকিলি?"

এইবোৰ মন্তব্যত আমি হয়তো অনিচ্ছাৰে সন্তানৰ মনত দুখৰ বিষ বীজ ৰোপণ কৰি দিওঁ।

শিশুটোৱে মনৰ গম্ভীৰতাৰে বেলেগৰ অনুকৰণ কৰিবলৈ চেষ্টা কৰে, কাৰণ যিমান পাৰে সিমান মাতৃ-পিতৃক সন্তুষ্ট কৰিব খোজে। আমি আনন্দিত হওঁ, ভাবো শিশুটোৱে সঠিক পথে আগবাঢ়িছে।

কিন্তু সঁচা কথা কি?

সৰুৰে পৰা আমি প্ৰতিশ্ৰুতি দি আহোঁ—

'এইবাৰ শ্ৰেণীত প্ৰথম হ'লে টোক এখন চাইকেল কিনি দিম।'

সন্তানক লক্ষ্য দাঙি ধৰোঁ— কৃতিত্বৰ নামত তুলনা, প্ৰতিযোগিতা।

ডাঙৰ হোৱাৰ লগে লগে এই ধাৰণাই ৰূপ লয়।

নিজৰ বন্ধু-বান্ধৱীৰ লগত তুলনা কৰি সন্তানে দাবী উত্থাপন কৰে— "মোকো বাইক লাগে, নহ'লে মই স্কুল-কলেজ নাযাম।"

আত্মহত্যাৰ হুমকি দিবলৈ ধৰে।

উপায়বিহীন হৈ মাক-দেউতাকে ঘৰৰ মাটি-বাৰী বিক্ৰী কৰি বা সাঁচি ৰখা টকাৰে সন্তানৰ মনৰ খং নিবাৰণ কৰে।

কিয় এনে পৰিস্থিতি সৃষ্টি হয়?

উত্তৰ সহজ— আমি সৰুৰে পৰাই সন্তানৰ ব্যক্তিত্বক গঢ়ি তোলাৰ সলনি আনৰ লগত তুলনা কৰোঁ।

শিক্ষাৰ মূল উদ্দেশ্য জ্ঞান অৰ্জন নহয়, মাত্ৰ কৃতিত্বৰ প্ৰতিযোগিতাত জিকাৰ পথত ঠেলি পঠাইছোঁ।

আজি আমি সংবাদপত্ৰ বা টেলিভিছনত দেখোঁ—

শিক্ষান্ত পৰীক্ষা বা উচ্চতৰ মাধ্যমিক পৰীক্ষাত সন্তোষজনক ফলাফল নোপোৱাত বহু ল'ৰা-ছোৱালীয়ে হতাশ হৈ আত্মহত্যাৰ পথ বাচে।

এই হৃদয়বিদাৰক ঘটনাৰ মূল দায়বদ্ধতা আমাৰ সমাজ আৰু অভিভাৱকৰ ওপৰত।

পৰীক্ষাৰ সময়ত "অমুকৰ দৰে হ'ব লাগিব", "ভাল ফল নকৰিলে স্কুল এৰাই দিব"— এনে কঠোৰ বাক্যই সন্তানৰ কোমল মনত আঘাত দিয়ে।

ইয়াৰ বাবে কি কৰিব লাগে জানেনে?

শিশুক উৎসাহিত কৰক, তুলনা নকৰিব।

সিহঁতৰ ইচ্ছা অনুযায়ী পঢ়িবৰ বাবে সময় দিয়ক।

চকুত চকু মিলাই কওক—

'তুমি তোমাৰ গতিত আগবাঢ়া, মই তোমাক বিশ্বাস কৰোঁ।'

চাব, তেতিয়া ফলাফলে আপোনাৰ আশাতকৈও বেছি হ'ব।

আৰু এটি কথা, সৰু-সুৰা ব্যৱসায়ী, দিন হাজিৰা কৰা বা খুজি মাগি ফুৰা মানুহক দৃষ্টান্ত হিচাপে শিশুক ধমকি নিদিব।

তেওঁলোকো এটা সময়ত সপোনৰ দৰে শৈশৱ পাৰ কৰিছিল।

কিন্তু কঠোৰ বাস্তৱিকতা আৰু জীৱনৰ সংঘৰ্ষে তেওঁলোকক বাধ্য কৰিলে।

তেওঁলোকৰো সপোন থাকে, জীৱনৰ বাবে যুঁজ থাকে।

মধ্যবিত্তৰ জীৱন এওঁলোকৰ, চকু ফুৰালে দেখিব, আৰু দেখিলে বুজিব যে-

দহ টকা, বিশ টকা সাঁচি নিজৰ সৰু ইচ্ছাবোৰ পূৰণ কৰাৰ আনন্দ।

দায়িত্বৰ তলত চাপ খোৱা হাঁহি।

নিজৰ সপোন পাহৰি পৰিয়ালৰ বাবে উৎসৰ্গা কৰা জীৱন।

সেইবাবে আনৰ লগত তুলনা এৰক।

শিশুক নিজৰ সক্ষমতাত বিশ্বাস জন্মাবলৈ সহায় কৰক।

শিক্ষাক প্ৰতিযোগিতাৰ নহয়, জীৱন উন্নতিৰ আহিলা হিচাপে বুজাব।

শিশুক ভালদৰে পঢ়া-শুনা কৰি এনেধৰণৰ সংগ্ৰামী মানুহবোৰক সহায় কৰিব পৰা দৰে গঢ়ি তোলক।

শুদ্ধ ভালপোৱা, সহানুভূতি আৰু বুজাব পৰা মনোবলৰে গঢ়ি তুলা সন্তানেই সমাজৰ প্ৰকৃত শক্তি।

# অবিভক্ত গোৱালপাৰা জিলাৰ দেশী জনগোষ্ঠীৰ

বস্তুৰে জুইৰ ওচৰত বহি আনন্দ মনেৰে নাচ গান কৰি ভোজ-ভাত খাইছিল কৰিছিল। পুষনা বা দোমাসিৰ এয়াই আৰম্ভণি বা প্ৰতীকী ৰূপ বুলি কব পাৰি। মেজি, ভেলাঘৰ, পিঠা - কড়াই ভোজ ভাতেৰে এই পুষনা বা দোমাসি হ'ল ভোগৰ পুষনা ; কাৰণ , এই সময়ত মানুহৰ ভঁৰাল ধান আদি শস্যৰে ভৰি থাকে , অভাৱ অনাটন নাই । সেয়ে পুৰণি পৰম্পৰাটি পৰিৱৰ্তনৰ মাজেৰে এতিয়াও প্ৰচলিত হৈ আছে। ইয়াৰ উপৰিও পুষনা বা দোমাসিক কেন্দ্ৰ কৰি এটি অত্যাৱশ্যকীয় অনুষ্ঠানটি হ'ল 'শিৱশিৱো বা উৰিয়া' গোৱা।

দেশী জনগোষ্ঠীৰ চেঙেৰা সকলোৱে (চেঙেলীয়া ল'ৰাবোৰে) ঘৰে ঘৰে গাই ফুৰা 'শিৱশিৱো' বা উৰিয়া বোৰ অতি আকৰ্ষণীয় সুৰ-যুক্ত। এইবোৰ গীতৰ মাজেদি কৃষিজীৱি ৰাইজৰ ৰং-বিৰঙৰ চিত্ৰ অতি সুন্দৰকৈ প্ৰস্ফুটিত হৈছে।

তলত কেইটামান গীত উল্লেখ কৰা হ'ল,—

'উৰিয়া ৰে উৰিয়া
মাও লক্ষী চড়িয়া,
মাও লক্ষী দিলে বৰ
ধান-কুলাতো বাইৰ কৰ।'

'সতীন-ৰতীন বহুদূৰ
কিনি আনবে চম্পাফুল
চম্পা ফুলেৰ বাসতেশ্চ সুগন্ধি)
সাগাই আইসে পাছতে
টেঙনা মাছেৰ তিন কাঁটা
জামাই (জোঁৱাই) শালা নেজকাটা নিলাজ

'অৰিয়া ৰে অৰিয়া
হাতীৰ কাণত চড়িয়া
হাতীৰ কাণ ঢলমল কৰে
ঢোপা বাইগন (বেঙেনা) গাছত ধৰে
ঢোপা বাইগন ছিৰি পাত
ৰাখালে (গৰখীয়া) খায় কৰকৰা ভাত
কৰকৰা ভাত খায়াৰে
হিন জল তুলি যায়া ৰে
হিন জল তুলিত বাঘেৰ ভয়
বাঘা-বাঘিনী কয়
অ ৰে ৰাখাল ভাই
তোমাৰ গইলত (গোহালিত) কতো গাই
তাৰে আমি দুদু খাই
দুদু (গাখীৰ) খায়া লৰি চড়ি
ভগৱানক ভৰষা কৰি ।

বাইগন (বেঙেনা) কৰ কৰা ভাত (কৰ্কৰা ভাত)

'কচু পাতা ঢাপা ঢাপা
তাতে ফেলালুং ছাই
হাতী আসিল , ঘোঁৰা আসিল ফুল মনেৰ ভাই ,
ফুল মনেৰ ভাই ৰে
উৰণী কইতৰ (পাৰ)
উৰি উৰি বেৰায় ৰে ঘোপাৰ ভিতৰ
ঘোপ নাই, তোপ নাই
সাত খান পিতল
সাত খান পিতলেৰ
আঠ খান নাও
তাতে চড়িয়া বেৰায়
দুৰ্গাৰ মাও,
দুৰ্গাৰ মাও ৰে হাসিছে
কালা কালা চেঙৰীগুলা (ছোৱালীবোৰে) নাচিছে
আইসো সখী জলে যাই
জলে যাইতে শ্ৰী ফল খাই
শ্ৰী ফল খাইতে লাগিল কাঁটা
হসকাও ৰে সতীনেৰ বেটা।'

এইধৰণে 'শিৱশিৱো' বা অৰীয়া গীতৰ মাজেদি গোটেই পুহ মাহটো ল'ৰাবোৰে চোতালে চোতালে ৰং-ৰহইচ কৰি চাউল বা টকা সংগ্ৰহ কৰি ফুৰে; উদ্দেশ্য দোমাহীত পুষনা খোৱা।

ঠিক তেনেদৰে ডাঙৰৰ দলটোৱে ঢোল-বাদ্য, দোতৰা, বাঁহী আদি লৈ কিছুমান ল'ৰাক 'ছুকৰী' বনাই গোৱালপৰীয়া লোকগীত যেনে (দেশী ভাওৱাইয়া, চটকালী আদি গীত) আৰু নৃত্যৰে প্ৰতি ঘৰৰ চোতালে চোতালে গৈ আনন্দৰ জোঁৱাৰ তুলি চাউল,ধান,টকা মাগি ফুৰে ; উদ্দেশ্য একেটাই পুষনা খোৱা। ইয়াৰ উপৰিও আন এটি দলে পাহাৰৰ হিংস্ৰ জন্তু বিশেষকৈ বাঘক খেদি পথাৰৰ শইচ বা সন্তান আদিক বাঘৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ ঢোল-বাদ্য দোতৰা বাঁহী আদি লৈ 'সোণাৰায়ৰ গীত' পৰিৱেশন কৰি ধান, চাউল বা টকা মাগি ফুৰে। তলত 'সোণাৰায়ৰ গীত'ৰ এটি নমুনা দিয়া হ'ল।

'পয়াৰ
বাঘা দুলদুল কৰে
শুনি ভয় লাগে
পদ
হুমহুম গুমগুম বাঘেৰ ঢাকৰোল
মণ্ডপ ছাড়িয়া বাঘা কৰে আগমন
আগে একলা আইলো বাঘা
শুনো তাৰ কথা
মূলাৰ মতো দাঁত বাঘাৰ
ঢাকেৰ মতো মাথা।
আৰো একনা আইলো বাঘা
নাম তাৰ হই
গোৱালক মাৰিয়া বাঘা
নিজে বেচায় দৈ।
আৰো একনা আইলো বাঘা
নাম তাৰ উমা
ৰাখালক মাৰিয়া বাঘা
নিজে দেয় ধূমা ।
আৰো একনা আইলো বাঘা
নাম তাৰ হৰা
চাণ্ডালক মাৰিয়া বাঘা
নিজে মাৰে ঘোঁৰা।
ফকীৰ নোৱায়, (নহয়) বৈষ্ণম নোৱায়
ভীক্ষা কৰি খায়
সোণাৰায়েৰ নামে মাগিয়া বেৰায়।'

এনেদৰে ভীক্ষা, দক্ষিণা মাগি মাগি সোণাৰায়ৰ গীত পৰিৱেশন কৰা দলটিয়ে মাঘ বিহুৰ দিনা অৰ্থাৎ দোমাসীত মাছ পুৰি আৰু মঙহেৰে ভাত খাই পৰম তৃপ্তি লাভ কৰে।

থুলমূল ভাবে অবিভক্ত গোৱালপাৰা জিলাৰ দেশী জনগোষ্ঠীৰ লোকসকলে মাঘ বিহু বা পুষনা বা দোমাসী উদযাপন কৰা দেখা যায়।

এই পুষনা বা দোমাসী দেশী জনগোষ্ঠীৰ দেশী মুছলমানসকলেও প্ৰাচীন কালৰে পৰা অতোঃপ্ৰোত ভাবে জড়িত হৈ আছিল যদিও বৰ্তমান ধৰ্মীয় গোড়ামীৰ চাপত পৰি কিছু পৰিমাণে পুষনা বা দোমাসী উদযাপন কৰাৰ পৰা বিৰত থকা দেখা যায় যদিও এতিয়া আকৌ নতুনকৈ দেশী মুছলমান সকলৰ ভিতৰত জাতীয়তাবাদী ভাৱধাৰাৰ উত্থান হোৱাৰ ফলত তেওঁলোকেও সমূহীয়াকৈ পুষনা বা দোমাসী উৎসৱ পালনত উঠি পৰি লাগিছে। তথাপি আধুনিকতাৰ কবলত পৰি পুষনা বা দোমাসিৰ অনুষ্ঠানসমূহ আৰু নৃত্য-গীতসমূহ আগৰ দিনৰ দৰে স্বতঃস্ফূৰ্ত ফল্গুধাৰাৰ দৰে প্ৰবাহিত হৈ অবিভক্ত গোৱালপাৰা জিলা তথা দেশী অধ্যুষিত অঞ্চলসমূহত কোবাই যোৱা পৰিলক্ষিত নহয় । এই ক্ষেত্ৰত দেশী জনগোষ্ঠীৰ জাতি-ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে আবাল-বৃদ্ধ-বনিতাই আগবাঢ়ি আহি জাতীয় উৎসৱ পুষনা বা দোমাসিক পুনৰ্জীৱিত কৰাৰ প্ৰয়োজন আহি গৈছে।

# মছলাৰ গোন্ধ আৰু সংস্কৃতিৰ ৰং

সংহিতাত বিস্তৃতভাবে পোৱা যায়।

মছলা শব্দটো আৰবীৰ পৰা ফাৰ্ছী ভাষাৰে উৰ্দু ভাষাৰ পথেদি আহি ভাৰতীয় ভাষাসমূহত স্থায়ী ৰূপ লোৱা এক সংস্কৃতিগত শব্দ। মছলা শব্দটো মূলতঃ আৰবী ভাষাৰ Masalih / Maslah" শব্দৰ পৰা উদ্ভৱ হোৱা বুলি ভাষাবিদ সকলে মত প্ৰকাশ কৰে। এই শব্দটো পিচত ফাৰ্ছী ভাষাত প্ৰৱেশ কৰে আৰু তাৰ পৰাই উৰ্দু—হিন্দী ভাষাত মসালা ৰূপে ব্যৱহৃত হ'ল। মছলা কেৱল খাদ্যৰ সোৱাদ বৃদ্ধি কৰা উপাদান নহয়, ই ঔষধি গুণেৰে পৰিপূৰ্ণ আৰু সমাজ-অৰ্থনীতিৰ এক শক্তিশালী স্তম্ভ।

ভাৰতীয় উপমহাদেশত এই শব্দটোৱে বিশেষ অৰ্থ বহন কৰে।

বিভিন্ন গছৰ গুটি আৰু শিপা, গোন্ধযুক্ত দ্ৰব্য একেলগে মিশ্ৰণ কৰা বস্তু বুজাবলৈ "মছলা/মসালা" শব্দটো ব্যৱহৃত হয়। মছলা হৈছে খাদ্যত সোৱাদ, গোন্ধ আৰু ৰুচি বৃদ্ধি কৰা উপাদানসমূহৰ সমষ্টি। মছলাক ইংৰাজীত Spice বুলি কয়। Spice মানে An aromatic and pungent vegetable substance. ইংৰাজীৰ Spice শব্দটো প্ৰাচীন ফৰাছী শব্দৰ পৰা উদ্ভৱ হৈছে। বিশ্বকোষৰ মতে -The word derived from Old French, espice .

অভিধানত মচলা মানে আঞ্জাত দিয়া গছৰ সুগন্ধি গুটি বা গছৰ ছাল। সুগন্ধি, জলা, তিতা, কেহা, নাকত বেজ বেজাই যোৱা, উগ্ৰ মলমলীয়া হলে মছলা যুক্ত অৰ্থাৎ spicy বুলি কয়। Condiment বুলি কলেও মচলাৰে প্ৰস্তুত কৰা সামগ্ৰীক বুজায়।ভাৰতীয় খাদ্য—সংস্কৃতিৰ বৈচিত্ৰ্য, ৰং—স্বাদ—সুগন্ধিৰ ঐতিহ্য, আৰু বিশ্বৰ মঞ্চত ভাৰতৰ মছলাই আধিপত্য বিস্তাৰ কৰি আহিছে। বিশ্ববাণিজ্যত মছলা অন্যতম মূল্যবান কৃষিজাত পণ্য। অতীতৰ পৰা ভাৰতক "Land of Spices" বুলি পৰিচিত। প্ৰাচীন কালত মেছোপটেমিয়া, গ্ৰীচ, ইটালী আদিলৈ আৰব উপসাগৰৰ মাজেৰে ভাৰতীয় মছলা বহিৰ্দেশলৈ ৰপ্তানি কৰা হৈছিল। ভাস্কো দা গামাই সাগৰৰ পথে ভাৰতত উপস্থিত হৈ মছলা ব্যৱসায়ৰ ইতিহাসৰ এক নতুন অধ্যায় আৰম্ভ কৰিছিল।

The Periplus of the Erythraean Sea নামৰ এখন গ্ৰন্থত ভাৰতৰ পৰা সাগৰেৰে প্ৰাচীন কালত কেনেকৈ ৰোম ,গ্ৰীচ আদি দেশলৈ ভাৰতীয় মছলা কেনেকৈ ৰপ্তানি হৈছিল সেই বিষয়ে লিখা আছে। Spice Route বুলি জনাজাত প্ৰথম শতিকাতে গ্ৰীক ভাষাত প্ৰকাশ হোৱা এই কিতাপ খন Wilfred H. Schooff নামৰ ফিলাডেলফিয়াৰ এগৰাকী লেখকে ইংৰাজীলৈ অনুবাদ কৰিছে। আচলতে ইৰিথ্ৰিয়ান সাগৰৰ পেৰিপ্লাছ হৈছে খ্ৰীষ্টীয় প্ৰথম শতিকাৰ এখন প্ৰাচীন গ্ৰীক-ৰোমান ভ্ৰমণ কাহিনী আৰু বাণিজ্যিক হাত পুথি, যিখন এজন বেনামী ব্যৱসায়ীয়ে গ্ৰীক ভাষাত লিখিছিল, ইৰিথ্ৰিয়ান সাগৰৰ মানে এক বহল সাগৰ, লোহিত সাগৰ, আৰব সাগৰ, পাৰস্য উপসাগৰ আৰু ভাৰত উপসাগৰক সামৰি লৈছে। প্ৰাচীন ভাৰত কিমান উন্নত আছিল আৰু বিশ্বসংযুক্ত বাণিজ্য—সভ্যতাৰ দেশ আছিল এই গ্ৰন্থ খনে প্ৰমাণ কৰে।

লোহিত সাগৰ আফ্ৰিকা আৰু এছিয়া মহাদেশৰ মাজত অৱস্থিত আৰু ইয়াৰ দক্ষিণ অংশই এডেন উপসাগৰৰ সৈতে সংযোগ হৈছে। এই সাগৰ খনত থকা কিছুমান শেলাই আৰু খনিজ পদাৰ্থই পানীৰ ৰং সেউজীয়া আৰু ৰঙা কৰি ৰাখে। গ্ৰন্থখনত আৰব সাগৰ আৰু পাৰস্য উপসাগৰকে ধৰি বাণিজ্যিক পথ, বন্দৰ আৰু সামগ্ৰীৰ বিশদ বিৱৰণ দিয়া আছে। ৰোমান সাম্ৰাজ্য আৰু পূবৰ মাজৰ বিস্তৃত সামুদ্ৰিক বাণিজ্যিক পথছোৱা বুজিবলৈ এইখন এখন গুৰুত্বপূৰ্ণ ঐতিহাসিক গ্ৰন্থ।লেখক গৰাকী সম্ভৱতঃ ইজিপ্তত বাস কৰা গ্ৰীক ভাষী ব্যৱসায়ী আছিল, যিগৰাকী ভাৰত মহাসাগৰৰ বাণিজ্যিক পথৰ সৈতে পৰিচিত আছিল। কিতাপ খন নাৱিকসকলৰ বাবে ব্যৱহাৰিক হাতপুথি বুলি কোৱা হৈছে কাৰণ ইয়াত নৌ পৰিবহণ, বিপদ জলদস্যু আৰু বাণিজ্যিক সুযোগৰ বৰ্ণনা কৰা হৈছে। গ্ৰন্থখনত মছলা, ৰেচম, হাতীদাঁত, আৰু ৰত্নৰ দৰে ব্যৱসায় সামগ্ৰীৰ তালিকা আছে আৰু আফ্ৰিকা, আৰব, ভাৰত আৰু চীনৰ মূল বন্দৰৰ উল্লেখ কৰা হৈছে। তদুপৰি গ্ৰন্থখন প্ৰাচীন আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ইতিহাসৰ এক প্ৰাথমিক উৎস, যিয়ে পশ্চিম আৰু পূবক সংযোগ কৰা সামুদ্ৰিক নেটৱৰ্কৰ কৌশলগত দিশ উন্মোচন কৰিছে আৰু মালাবাৰ উপকূলৰ মছলা বাণিজ্যৰ ধ্বনি মিছৰ, আৰব, ৰোম আৰু আফ্ৰিকালৈ কিমান দূৰ সোমাই পৰিছিল সেই বিষয়ে বৰ্ণনা কৰা আছে।

ইটালীৰ ইতিহাসত উল্লেখ হোৱা 'Hariya Piperatariya' (Haria Piperatoria) নামৰ ঐতিহাসিক মছলাৰ মিশ্ৰণৰ ভঁৰালৰ বাণিজ্যৰ ক্ষেত্ৰখনত ভাৰতৰ প্ৰভাৱ আছিল বুলি ইতিহাসবিদসকল মত দাঙি ধৰিছে।Hariya Piperatariya' অথবা Piperata বুলিলে ইটালীত প্ৰচলিত ১৩তম—১৪তম শতিকাৰ এক মছলা—মিশ্ৰণৰ ভঁৰালক বুজায়।ইয়াৰ নামৰ মূল উৎস 'Piper' অৰ্থাৎ কলা জালুক। জালুক "Black Gold" নামৰেও প্ৰসিদ্ধ। ইলাচী আকৌ "Queen of Spices" বুলি খ্যাত।

ইতিহাসবিদসকলৰ মতে, হাৰিয়া পাইপেৰাটাৰিয়াত সম্ভৱতঃজালুক, ডালচেনি, লং, জাইফল, আদা, ইলাচি আদিৰ মিশ্ৰণ আদিৰ গুৰুত্ব আৰু চাহিদা, সংৰক্ষণ আদিৰ কথাবোৰ আছে। ভাৰতীয় মছলাৰ সুগন্ধ ভূমধ্যসাগৰলৈও বিস্তৃত হৈছিল। প্ৰাচীন ৰোমানসকলৰ বাবে জালুক আছিল এক বিলাসী সামগ্ৰী। আজি আকৌ ই ব্যঞ্জনৰ অন্যতম মুখ্য মছলা। অন্যহাতে ভাৰতত প্ৰাচীন কালৰে পৰা ধৰ্মীয় অনুষ্ঠান,উৎসৱ,যজ্ঞ আদিত হোম দিওতে মছলা ব্যৱহৃত হৈ আহিছে। A history of food in India নামৰ গ্ৰন্থখনত কলেন টাইলৰ সেন নামৰ লেখক গৰাকীয়ে লিখিছে যে : ভাৰতীয় খাদ্যৰ মূল বৈশিষ্ট্য হ'ল মছলাৰ ব্যৱহাৰ। মছলা এটা বহল শব্দ, ই উদ্ভিদৰ বিভিন্ন অংশ সামৰি লয়— বাকলি (ডালচেনি, কেচিয়া), গুটি (জিৰা, ধনীয়া, ইলাচি, সৰিয়হ), মাটিৰ তলৰ শিপা বা ঠাৰি, যাক ৰাইজম (আদা, হালধি), গৰ্ভদণ্ড (কেশৰ) আৰু ফুলৰ কলি (লং) আদি। ইণ্টাৰনেশ্যনেল অৰ্গেনাইজেচন ফৰ ষ্টেণ্ডাৰ্ডাইজেচনই ১০৯টা মছলা পঞ্জীয়ন কৰিছে, ইয়াৰে ৫২টা মছলা ভাৰতীয় মছলা ব'ৰ্ডৰ তত্বাৱধানত আছে। গ্ৰন্থ খনৰ মতে ভাৰতৰ থলুৱা মছলাসমূহ হ'ল আদা, হালধি, ক'লা (ঘূৰণীয়া বুলিও কোৱা হয়) জলকীয়া, জালুক, পিপ্পলি, সেউজীয়া আৰু ক'লা ইলাচি আৰু পবিত্ৰ তুলসী আদি। গ্ৰন্থ খনৰ মতে পশ্চিম এছিয়াৰ পৰা আন মছলাবোৰ ভাৰতলৈ আহিছিল, য'ত জিৰা, মেথি, সৰিয়হ, কেশৰ আৰু ধনীয়া আদি আছিল। শ্ৰীলংকাৰ পৰা ডালচেনি, দক্ষিণ চীনৰ পৰা তেজপাত আৰু ইণ্ডোনেছিয়াৰ লং আৰু জাইফল খ্ৰীষ্টীয় তৃতীয় শতিকাৰ পৰা ভাৰতলৈ আনি খেতি কৰা হৈছিল। ভাৰতত প্ৰায় ১৮০০ চনলৈকে লঙৰ খেতি হোৱা নাছিল।

হালধি ভাৰতৰ ভেষজ সংস্কৃতিৰ অংশ। খাদ্যৰ ৰং—সৌন্দৰ্য বৃদ্ধি, জীৱাণু নাশ কৰা গুণ আৰু আয়ুৰ্বেদিক ঔষধ হিচাপে ব্যাবহৃত। Bower manuscript (১৮৯০ চনত লেফটেনেণ্ট হেমিল্টন বাৱৰে পূব তুৰ্কীস্তানত আৱিষ্কাৰ কৰা সংস্কৃত চিকিৎসা গ্ৰন্থৰ সংকলন) মতে, অসুৰৰ ৰজা এজনক ভগৱান বিষ্ণুৱে শাস্তি হিচাপে মূৰ কাটি দিয়াত ডিঙিৰ পৰা ওলোৱা তেজৰে হালধিৰ সৃষ্টি হয়। এনেকুৱা কেইবাটাও লোক কাহিনী আছে।

জে. এছ. প্ৰুথি নামৰ লেখক এগৰাকীয়ে "Spices and Condiments" নামৰ এখন গ্ৰন্থত লিখিছে In medieval times, the word 'India' conjured up a vision in the minds of the foreign-ers as a land of 'maharajas', 'diamonds', 'fine textiles', 'ivory' and, of course, 'spices' too. India is now advanc-ing as an industrial nation and is slowly and steadily staking her claims to advanced technology. But, as before, the world still looks upon India as the 'Home of Spices'.

মছলাৰ বিষয়ে আৰু অনেক কাহিনী আছে। অসমৰ পৰা প্ৰাচীন কালতেই বিভিন্ন মছলা ৰপ্তানি হৈছিল।আজিও ৰপ্তানি হৈ আছে। এই মছলাৰ খেতি কৰি কোটিপতি হব পাৰি। আধুনিক যুগত ভাৰতীয় মছলাই আন্তঃৰাষ্ট্ৰীয় বজাৰত বিশেষ স্থান অধিকাৰ কৰিছে। ভাৰতীয় "গৰম মচলা", "কাৰি পাউডাৰ" আদি শব্দ বিশ্বজুৰি পৰিচিত।

এক কথাত ক'ব পাৰি যে, সোৱাদৰ বাবে মছলা কেৱল ৰান্ধনীঘৰৰ অপৰিহাৰ্যই নহয়, মছলা ভাৰতীয় সভ্যতাৰ ঐতিহ্য আৰু ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়।সৰোজিনী নাইডুৱে মছলাৰ ওপৰত এটা সুন্দৰ কবিতা লিখিছে। কবিতাটোৰ নাম "In the Bazaars of Hyderabad"। কবিতাটোত সৰোজিনী নাইডুৱে ভাৰতীয় জনজীৱনৰ ৰং, গন্ধ আৰু সংগীতক শব্দত বন্দী কৰিছে। কবিতাটোত মছলা কেৱল ৰন্ধনৰ সামগ্ৰী নহয়; মছলা ভাৰতীয় সংস্কৃতিৰ উষ্ণতা, জীৱনশক্তি আৰু ঐতিহ্যৰ প্ৰতীক বুলি কাব্যিক ভাষাৰে বৰ্ণনা কৰিছে। হালধিৰ সোণালী ৰং, লং-ইলাচিৰ তীব্ৰ সুবাসে কবিতাটোত এক জীৱন্ত পৰিবেশ সৃষ্টি কৰিছে।

এই কবিতাটোত মছলা সংস্কৃতি আৰু জীৱনৰ সোৱাদৰ প্ৰতীক হিচাপে দেখুৱাইছে । কবিৰ মতে মছলাবিহীন খাদ্য যেনেকৈ নিষ্প্ৰাণ, তেনেদৰে সংস্কৃতিৰ ৰং-গন্ধ নাথাকিলে জীৱনো নীৰস।

# ছাত্ৰৰ নৈতিক চৰিত্ৰ গঠনত সমাজৰ ভূমিকা

সময়ত ছাত্ৰ সমাজৰ মাজত এই নৈতিক প্ৰমূল্যবোধৰ দ্ৰুত অৱক্ষয় ঘটা দেখা গৈছে। একাংশ ছাত্ৰ-ছাত্ৰীৰ অশালীন আচৰণ, জ্যেষ্ঠক অৱমাননা, অসহিযুওতা আৰু অসামাজিক কাৰ্যকলাপত লিপ্ত হোৱাৰ ঘটনাই সচেতন মহলক চিন্তিত কৰি তুলিছে। এইটো ঠিক যে ছাত্ৰ-ছাত্ৰী সকলৰ এনে নৈতিক স্খলনৰ বাবে একমাত্ৰ তেওঁলোকেই জগৰীয়া নহয়। ছাত্ৰ-ছাত্ৰীসকল সমাজৰ এক অবিচ্ছেদ্য অংশ । সমাজৰ প্ৰতিটো উপাদান-- পৰিয়াল, শিক্ষানুষ্ঠান, চুবুৰীয়া, গণমাধ্যম আৰু ৰাজনৈতিক পৰিৱেশে ছাত্ৰ-ছাত্ৰী সকলৰ মনস্তত্ত্ব গঢ় দিয়াত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ নৈতিকতাৰ সংকট প্ৰকৃততে আমাৰ সমাজ ব্যৱস্থাৰ এটা গুৰুত্বপূৰ্ণ নেতিবাচক প্ৰতিচ্ছবি।

এগৰাকী ছাত্ৰ বা ছাত্ৰীৰ নৈতিক শিক্ষাৰ ভেটিটো নিৰ্মাণ হয় তেওঁৰ নিজৰ ঘৰখনত। পৰিয়ালক শিশুৰ প্ৰথম বিদ্যালয় বুলি কোৱা হয়, য'ত মাক-দেউতাক আৰু পৰিয়ালৰ জ্যেষ্ঠ সদস্য সকল হ'ল- প্ৰথম পথ-প্ৰদৰ্শক। আমাৰ অতীতৰ যৌথ পৰিয়াল ব্যৱস্থাত ককা-আইতাৰ সান্নিধ্যত শিশুৱে নীতিবচন মূলক সাধুকথা আৰু মহৎ লোকৰ জীৱনী শুনি ডাঙৰ হৈছিল, যিয়ে তেওঁলোকৰ কোমল মনত নৈতিকতাৰ বীজ ৰোপণ কৰিছিল। কিন্তু আধুনিকীকৰণৰ ধাম খুমীয়াত আমাৰ সমাজ ব্যৱস্থা দ্ৰুতগতিত সলনি হৈছে। একক পৰিয়ালৰ ধাৰণাই গা কৰি উঠাৰ লগে লগে শিশুৱে নৈতিক শিক্ষা লাভৰ সেই প্ৰাথমিক উৎসটোৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। বৰ্তমান সময়ত সৰহ সংখ্যক অভিভাৱকেই জীৱন সংগ্ৰাম আৰু কেৰিয়াৰ গঞ্জাৰ দৌৰত ইমানেই ব্যস্ত হৈ পৰিছে যে সন্তানক গুণগত সময় দিয়াৰ অৱকাশ তেওঁলোকৰ নোহোৱা হৈছে । ইয়াৰ পৰিৱৰ্তে অভিভাৱক সকলৰ মাজত নিজৰ সন্তানক আনৰ সন্তানতকৈ শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰাৰ এক অসুস্থ প্ৰতিযোগিতা আৰম্ভ হৈছে। 'মোৰ সন্তানটোৱে পৰীক্ষাত কিমান নম্বৰ পালে'— এইটোৱেই সম্প্ৰতি একমাত্ৰ আশাকৰা বিষয় হৈ পৰিছে । ইয়াৰ বিপৰীতে 'মোৰ সন্তানটো কিমান ভাল মানুহ হ'ল' সেই লৈ চিন্তা কৰাৰ প্ৰয়োজন নোহোৱা হৈছে । যেতিয়া শিশুৱে দেখা পাই যে মাক-দেউতাকে সমাজত প্ৰতিষ্ঠা লাভৰ বাবে কেনে ধৰণৰ অসৎ উপায় অৱলম্বন কৰিছে বা ঘৰৰ ভিতৰত পাৰস্পৰিক শ্ৰদ্ধাৰ অভাৱ ঘটিছে, তেতিয়া তেওঁলোকৰ মনতো সেইবোৰ নেতিবাচক ধাৰণাই খোপনি পুতি লয়। অভিভাৱকৰ আচৰণ আৰু চিন্তাধাৰাই সন্তানৰ মনত দাপোনৰ দৰে ক্ৰিয়া কৰে । গতিকে ঘৰখনৰ পৰিৱেশ কলুষিত হলে, সেই পৰিবেশত ডাঙৰ দীঘল হোৱা ছাত্ৰ বা ছাত্ৰী গৰাকীৰ পৰা আমি উচ্চ নৈতিকতা আশা কৰাটো বিঞ্জস্বনাৰ বাহিৰে আন একো হব নোৱাৰে ।

বিদ্যালয় হৈছে ছাত্ৰ-ছাত্ৰীৰ দ্বিতীয় পৰিয়াল। বিদ্যালয়ত কেৱল পাঠ্যক্ৰমৰ জ্ঞান দিয়াই নহয়, জীৱনৰ মূল্যবোধ শিকোৱাটোও শিক্ষকৰ কৰ্তব্য। গতিকে শিক্ষক সকলৰ কান্ধত পৰে সৰ্ববৃহৎ দায়িত্ব । প্ৰাচীন ভাৰতীয় পৰম্পৰাত গুৰু-শিষ্যৰ সম্পৰ্ক আছিল অতি পবিত্ৰ আৰু আধ্যাত্মিক । কিন্তু বৰ্তমানৰ শিক্ষা ব্যৱস্থা ক্ৰমাগত ভাৱে যান্ত্ৰিক আৰু ব্যৱসায়িক ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে। জ্ঞান অৰ্জনৰ পবিত্ৰ মন্দিৰ স্বৰূপ শিক্ষানুষ্ঠান সমূহ একোটা 'ডিগ্ৰী উৎপাদনৰ কাৰখানা'লৈ পৰিৱৰ্তিত হৈছে। বৰ্তমানৰ পাঠ্যক্ৰমত বিজ্ঞান, গণিত আৰু প্ৰযুক্তি বিদ্যাৰ ওপৰত যিমান গুৰুত্ব দিয়া হয়, সিমান গুৰুত্ব চৰিত্ৰ গঠন বা নৈতিক শিক্ষাৰ ওপৰত দিয়া নহয়। পৰীক্ষাৰ নম্বৰ সৰ্বস্ব শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক কেৱল মেধাৱী হোৱাৰ প্ৰতিযোগিতালৈহে আগবঢ়াই দিছে। কিন্তু সহানুভূতিশীল মানুহ হ'বলৈ কোনো ধৰণৰ প্ৰচেষ্টা চলোৱা নহয়। শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীৰ মাজত গঢ়ি উঠা তীব্ৰ প্ৰতিযোগিতাই তেওঁলোকক ঈৰ্ষা পৰায়ণ আৰু আত্মকেন্দ্ৰিক কৰি তুলিছে। তদুপৰি, শিক্ষক সমাজৰ একাংশৰ আচৰণো আজিকালি গ্ৰহণ যোগ্য নহয়। যেতিয়া এজন ছাত্ৰই দেখা পাই যে তেওঁৰ শিক্ষাগুৰু জনে নৈতিকতা বিসৰ্জন দি কেৱল অৰ্থ উপাৰ্জনৰ বাবে টিউচন বা কোচিং চেণ্টাৰত ব্যস্ত হৈ পৰিছে বা শিক্ষকজনৰ নিজৰ চৰিত্ৰগত দোষ আছে, তেতিয়া ছাত্ৰজনৰ মনত শিক্ষকৰ প্ৰতি থকা শ্ৰদ্ধা ভক্তি নোহোৱা হৈ যায়। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ল— মানুহৰ অন্তৰ্নিহিত সম্ভাৱনাক বিকশিত কৰি এজন সম্পূৰ্ণ মানুহ গঢ়ি তোলা । কিন্তু বৰ্তমানৰ ব্যৱস্থাই কেৱল কিছুমান দক্ষ যন্ত্ৰমানৱ সৃষ্টি কৰিছে যাৰ মাজত নৈতিকতাই অলপো স্থান লাভ কৰা নাই ।

শিক্ষা সমাপ্ত কৰি ছাত্ৰ-ছাত্ৰীসকলে যিখন সমাজত সোমাই পৰে সেই সমাজৰ সামগ্ৰিক বাতাবৰণেও তেওঁলোকৰ মানসিকতাত গভীৰ প্ৰভাৱ পেলায়। মানুহ সামাজিক প্ৰাণী আৰু ছাত্ৰ সমাজো ইয়াৰ ব্যতিক্ৰম নহয়। এখন সুস্থ সমাজত ছাত্ৰ- ছাত্ৰী সকলে জ্যেষ্ঠজনৰ পৰা মৰম আৰু শাসন দুয়োটাই পায়। কিন্তু পৰিতাপৰ বিষয় যে আমাৰ সামাজিক বান্ধোন বোৰ লাহে লাহে শিথিল হৈ পৰিছে। চুবুৰীয়াৰ লগত থকা সম্পৰ্ক বোৰ কৃত্ৰিম হৈ পৰিছে। আগৰ দিনত কোনো ছাত্ৰ বা ছাত্ৰীয়ে ভুল কাম কৰিলে চুবুৰীয়া বা সমাজৰ জ্যেষ্ঠজনে শাসন কৰাৰ অধিকাৰ আছিল, কিন্তু আজিৰ সমাজত 'মোৰ ল'ৰা বা ছোৱালীক শাসন কৰিবলৈ সিহত কোন?' এই ধৰণৰ মনোভাৱ আহি পৰাৰ পৰাই দেখি শুনিও সকলোৱে মৌন হৈ থাকিবলৈ ল'লে। এই সামাজিক নিৰ্লিপ্ততাই ছাত্ৰ-ছাত্ৰীক বিপথে যোৱাত অৰিহণা যোগাইছে । আজি কালি কাষৰ ঘৰ খনৰ ল'ৰা-ছোৱালীৰ বেয়া দেখিলেও নেদেখা ভাও ধৰি থকা পৰিৱেশ আহি পৰিছে। তাৰোপৰি, সমাজত বৰ্তমান বস্তুবাদী চিন্তাধাৰাই ইমানেই শিপাইছে যে মানুহৰ মৰ্যাদা এতিয়া জ্ঞান বা চৰিত্ৰৰ দ্বাৰা নিৰ্ণয় নহয় । নিৰ্ণয় হয়— ধন-সম্পত্তি আৰু ক্ষমতাৰ দ্বাৰা। যেতিয়া এজন সম্ভাৱনাপূৰ্ণ ছাত্ৰই দেখে যে সমাজৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মানুহজনেই সমাজত মূল সন্মানৰ আসনখন লাভ কৰি আছে বা অসৎ উপায়েৰে ধন ঘটা ব্যক্তি জনেই সমাজৰ নেতা হৈছে, তেতিয়া তেওঁৰ মনত সততাৰ প্ৰতি বিশ্বাস হেৰাই যায়। সমাজে নিজেই যেতিয়া দুৰ্নীতিক স্বীকাৰ কৰি লয় আৰু নৈতিকতাক দুৰ্বলতা বুলি গণ্য কৰে, তেতিয়া ছাত্ৰ সমাজে নৈতিক পথত চলা অনুপ্ৰেৰণাৰ পৰা বঞ্চিত হয় । সমাজৰ চাৰিওফালে বিৰাজমান হিংসা, প্ৰৱঞ্চনা আৰু অনৈতিক কাৰ্যকলাপে ছাত্ৰ-ছাত্ৰীৰ মনত বিৰূপ ধাৰণাৰ সৃষ্টি কৰে আৰু জীয়াই থাকিবলৈ হ'লে বা সফল হ'বলৈ হ'লে এনেবোৰেই একমাত্ৰ পথ বুলি পতিয়ন যাবলৈ বাধ্যত পৰে ।

**বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তি**

বিদ্যাৰ অভূতপূৰ্ব উন্নতিৰ এই সময়ছোৱাত ছাত্ৰ সমাজৰ নৈতিকতাত আটাইতকৈ ভয়াৱহ প্ৰভাৱ পেলাইছে আধুনিক গণমাধ্যম আৰু ইণ্টাৰনেটৰ অবাধ ব্যৱহাৰে। তথ্য প্ৰযুক্তিৰ বিপ্লৱে আমাৰ হাতৰ মুঠিলৈ সমগ্ৰ বিশ্বখনক আনি দিছে সঁচা, কিন্তু ইয়াৰ লগে লগে অপসংস্কৃতিকো আদৰি আনিছে। স্মাৰ্টফোন আৰু ইণ্টাৰনেটৰ সহজলভ্যতাই ছাত্ৰ সমাজক ভাৰ্চুৱেল বা কাল্পনিক জগতৰ বাসিন্দা কৰি পেলাইছে। দেখা গৈছে— সামাজিক মাধ্যমৰ জৰিয়তে বিয়পি পৰা ভুৱা বাতৰি, ঘৃণা আৰু অসহিষ্ণুতাই ছাত্ৰৰ মন বিষাক্ত কৰি তুলিছে। ইণ্টাৰনেটত উপলব্ধ হিংসাত্মক দৃশ্য, অশ্লীলতা আৰু অপৰাধমূলক সমলবোৰে ছাত্ৰৰ মানসিকতা বিকৃত হোৱাত অৰিহণা যোগাইছে । পূৰ্বতে যি সময়ত ছাত্ৰ-ছাত্ৰীয়ে খেলপথাৰত খেলি বা কিতাপ পঢ়ি সময় কটাইছিল, এতিয়া সেই সময় তেওঁলোকে হাতত ম'বাইল লৈ কটায়। ইয়াৰ ফলত তেওঁলোকৰ শাৰীৰিক বিকাশ বাধাগ্ৰস্ত হোৱাৰ লগতে মানসিকভাৱেও তেওঁলোক অকলশৰীয়া হৈ পৰিছে। বাস্তৱ জগতৰ মানৱীয় সম্পৰ্ক, আবেগ-অনুভূতি আৰু সামাজিক দায়িত্ববোধৰ পৰা তেওঁলোক বহু দূৰলৈ আঁতৰি গৈছে। 'ৰিল' বা চুটি ভিডিঅ' চোৱাৰ অভ্যাসৰ ফলত ছাত্ৰৰ ধৈৰ্য শক্তি কমি গৈছে আৰু তেওঁলোকে কম সময়তে ফলাফল বিচাৰি হাহাকাৰ কৰিবলৈ লৈছে, যাৰ ফলত তেওঁলোকে অনৈতিক কাম কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে । ফলত বহু প্ৰতিভাশালী ছাত্ৰৰ ভৱিষ্যৎ অন্ধকাৰ হৈ পৰিছে।

সুষ্ঠ ৰাজনৈতিক বাতাবৰণেও ছাত্ৰ-ছাত্ৰীৰ নৈতিকতা গঠনৰ ক্ষেত্ৰত অৰিহণা যোগায় । ছাত্ৰসকল স্বভাৱতে আৱেগ প্ৰৱণ আৰু বিপ্লৱী মনৰ অধিকাৰী। তেওঁলোকে সদায় সমাজৰ আগ স্থানত থকা ব্যক্তি বা নেতাসকলক আদৰ্শ হিচাপে ল'ব বিচাৰে। কিন্তু বৰ্তমান ৰাজনৈতিক ক্ষেত্ৰখনত নীতি আৰু আদৰ্শৰ চৰম অৱনতি ঘটিছে। ৰাজহুৱা জীৱনত নেতা সকলৰ ভণ্ডামি, প্ৰতিশ্ৰুতি ভংগ আৰু ক্ষমতাৰ অপব্যৱহাৰ দেখি ছাত্ৰ সমাজ হতাশগ্ৰস্ত হৈ পৰাতো স্বাভাৱিক। ছাত্ৰ সংগঠন সমূহৰ কাৰ্যকলাপেও কেতিয়াবা বিতৰ্কৰ সুত্ৰপাত ঘটায়। ছাত্ৰাৱস্থাতে কিছু সংখ্যকে শিক্ষাতকৈ দলীয় ৰাজনীতি আৰু ক্ষমতাকেন্দ্ৰিক চিন্তাত বেছি গুৰুত্ব দিয়াৰ ফলত মূল লক্ষ্যৰ পৰা আতৰি আহে। সমাজ পৰিচালনা কৰা ব্যক্তিসকলে যদি সততা আৰু ত্যাগৰ নিদৰ্শন দাঙি ধৰিব নোৱাৰে, তেন্তে ছাত্ৰ-ছাত্ৰীয়ে কাক অনুকৰণ কৰিব ? যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে লক্ষ্য কৰে যে নীতি-নিয়ম কেৱল দুৰ্বলৰ বাবেহে, প্ৰভাৱশালীৰ বাবে নহয়, তেতিয়া তেওঁলোকৰ মনত বিদ্ৰোহৰ ভাৱ জাগি উঠে আৰু তেওঁলোকেও আইন বা নিয়মক অমান্য কৰিবলৈ কুণ্ঠাবোধ নকৰা হয় । দৰাচলতে সমাজৰ শীৰ্ষস্থানত থকা লোক সকলৰ নৈতিক অধঃপতনৰ প্ৰভাৱ পোনপটীয়াকৈ নৱপ্ৰজন্ম অৰ্থাৎ ছাত্ৰ সমাজলৈ বিয়পি পৰে।

নৈতিকতাহীন শিক্ষা আৰু চৰিত্ৰহীন ছাত্ৰ সমাজ এখন দেশৰ বাবে আটাইতকৈ ডাঙৰ ভাবুকি স্বৰূপ। ইয়াৰ পৰিণাম সুদূৰ প্ৰসাৰী আৰু ভয়াৱহ হয়। এজন ছাত্ৰ যিমানেই মেধাৱী নহওক কিয়, যদি তেওঁৰ নৈতিক চৰিত্ৰ সঠিক নহয়, তেতিয়া তেওঁ সমাজৰ বাবে সম্পদ নহৈ বোজা স্বৰূপ হৈ পৰে। বৰ্তমান সমাজত ক্ৰমাগত ভাৱে বৃদ্ধি পাই অহা বৃদ্ধ পিতৃ-মাতৃক অৱহেলা কৰাৰ ঘটনা, পথ দুৰ্ঘটনাত আহতক সহায় নকৰাৰ মানসিকতা বা তুচ্ছ কাৰণতে সংঘটিত হোৱা অপৰাধবোৰ নৈতিক স্খলনৰ পৰিণাম। নৈতিকতাৰ অভাৱতে আজিৰ ছাত্ৰ সমাজ মানসিকভাৱে দুৰ্বল হৈ পৰিছে, যাৰ ফলত সামান্য বিফলতাতে তেওঁলোকে আত্মহত্যাৰ দৰে চৰম পথ বাচি ল'বলৈ কুণ্ঠাবোধ নকৰে। এখন সমাজত যদি নৈতিকতাৰ ভেটি দুৰ্বল হয়, তেতিয়া অৰ্থনৈতিক বা প্ৰযুক্তিগতভাৱে যিমানেই উন্নতি নহওক কিয়, সেই সমাজ কেতিয়াও শান্তিপূৰ্ণ আৰু সুন্দৰ হ'ব নোৱাৰে।

দৰাচলতে ছাত্ৰ-ছাত্ৰীৰ নৈতিক অৱক্ষয়ৰ বাবে তেওঁলোককে দোষ দি হাত সাৰি যোৱাটো উচিত নহয়। ইয়াৰ বাবে প্ৰয়োজন এক সামগ্ৰিক জাগৰণ আৰু শুদ্ধ পথ গ্ৰহণ। এই সমস্যা সমাধানৰ বাবে সমাজৰ প্ৰতিটো স্তৰৰ পৰা একত্ৰিত প্ৰচেষ্টাৰ প্ৰয়োজন। অভিভাৱকে সন্তানক 'ডাঙৰ মানুহ' কৰাৰ সপোন ৰচিলেই নহ'ব, 'ভাল মানুহ' হোৱাৰ প্ৰচেষ্টা চলাব লাগিব। ঘৰখনত এনে পৰিৱেশ গঢ়ি তুলিব লাগিব য'ত সত্য আৰু সততাই সৰ্বোচ্চ স্থান পায়। সম্প্ৰতি শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তনৰে পাঠ্যক্ৰমত নৈতিক শিক্ষা আৰু আধ্যাত্মিক দৰ্শনৰ অন্তৰ্ভুক্তিকৰণ জৰুৰী হৈ পৰিছে। শিক্ষক সমাজে ছাত্ৰ-ছাত্ৰীৰ বন্ধু আৰু পথ-প্ৰদৰ্শক হিচাপে দায়িত্ব পালন কৰি তেওঁলোকক জীৱনৰ প্ৰকৃত মূল্যবোধ শিকালেহে প্ৰকৃত শিক্ষা সম্পূৰ্ণ হ'ব। সমাজৰ সচেতন নাগৰিক সকলে ছাত্ৰৰ বাবে সুস্থ বিনোদন আৰু সৃষ্টিশীল কামৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়োজন । সাহিত্য, সংস্কৃতি আৰু ক্ৰীড়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক সমাজমুখী কৰি গঢ়ি তুলিব পাৰিলে তেওঁলোকৰ মনৰ পৰা নেতিবাচক চিন্তাবোৰ আঁতৰি যোৱাত সহজ হ'ব। সমাজত সৎ আৰু নিষ্ঠাৱান লোকক স্বীকৃতি প্ৰদান কৰিও নতুন প্ৰজন্মক আদৰ্শ দেখুৱাব পৰা যায় ।

পৰিশেষত ক'ব পাৰি যে ছাত্ৰ সমাজ হ'ল কুমাৰৰ চাকত থকা কেঁচা মাটিৰ দৰে। এই মাটিক যেনে ধৰণেৰে গঢ় দিয়া হয়, সি তেনে আকৃতিয়েই লব। তেনে ধৰণেৰে ছাত্ৰ-ছাত্ৰীক গঢ় দিয়াৰ দায়িত্ব আৰু কৰ্তব্য আমাৰ গোটেই সমাজখনৰ। ছাত্ৰৰ নৈতিকতা সমাজৰ দাপোন স্বৰূপ। যদি সমাজখন পৰিষ্কাৰ হয়, তেন্তে সেই দাপোনত ছাত্ৰৰ প্ৰতিচ্ছবিও উজ্জ্বল হৈ জিলিকি উঠিব। আজিৰ ছাত্ৰই কাইলৈ দেশৰ নাগৰিক হ'ব, প্ৰশাসক বা সমাজ নিৰ্মাতা হ'ব। তেওঁলোকৰ চৰিত্ৰ যদি সুদৃঢ় হয়, তেন্তে আমাৰ দেশৰ ভৱিষ্যৎ সুৰক্ষিত হব । সেয়েহে আমি সকলোৱে মিলি আমাৰ ব্যক্তিগত স্বাৰ্থ আৰু সংকীৰ্ণতা পৰিহাৰ কৰি এখন সুস্থ, সবল আৰু নৈতিকতাৰে ভৰপূৰ সমাজ গঢ়ি তুলিবলৈ আগবাঢ়ি অহাতো আমাৰ পৰম কৰ্তব্য হোৱা উচিত ।

# স্বামীয়ে দ্বিতীয় বিবাহ কৰিলে ১৪ বছৰ

কওঁতে মঞ্চতে ক'ব লাগিছিল যে তোমাৰ জাগা কংগ্ৰেছত নাই। কিন্তু এইটো নকৰিলে। নকৰাৰ কাৰণে এতিয়া ইমান বেয়া কথা কোৱা মানুহজনে আকৌ সম্বৰ্ধনা লৈ আছে । তাৰমানে গৌৰৱ গগৈয়ে তেওঁক হিৰো হোৱাৰ এটা সুযোগ দিলে।' মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ আৰু সৌৰশক্তি প্ৰকল্প উদ্বোধনৰ বাবে ধুবুৰী জিলাত বৃহস্পতিবাৰে উপস্থিত হয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী শৰ্মাই ১০নং বিলাসীপাৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৮,৩৭৫ গৰাকী মহিলাৰ মাজত চেক বিতৰণ কৰে । আনহাতে, বিলাসীপাৰা আই এন এ খেলপথাৰত অনুষ্ঠিত এই অনুষ্ঠান শেষ কৰি মুখ্যমন্ত্ৰীয়ে বিলাসীপাৰাৰ খুদিগাঁৱত শুভ উদ্বোধন কৰে অসমৰ প্ৰথমটো সৌৰশক্তি প্ৰকল্প । খুদিগাঁৱত ৩৫০ কোটি টকা ব্যায়সাপেক্ষে ১০০০ বিঘা ভূমিত নিৰ্মাণ কৰা ৭০ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰশক্তি প্ৰকল্পৰ শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে। বিলাসীপাৰা ইন্দ্ৰ নাৰায়ণ একাডেমী খেলপথাৰত অনুষ্ঠিত বিলাসীপাৰা সমষ্টিৰ মহিলা উদ্যমিতা অভিযানৰ চেক প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, 'বিজেপিয়ে ৰাইজৰ হৈ কাম কৰি ভালপায়। ৰাইজৰ কাষত থাকি ৰাইজৰ সেৱা কৰাটো বিজেপিৰ মূল উদ্দেশ্য।' আনহাতে, বিলাসীপাৰাত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কেইবাটাও তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ কয় যে গৌৰৱ গগৈয়ে ৰেজাউল কৰিমক হিৰো হোৱাৰ ব্যৱস্থাহে কৰি দিলে। ইফালে বহুবিবাহ কৰা স্বামীক দমন কৰিবলৈ অসমত মুখ্যমন্ত্ৰীয়ে ১১৪ নম্বৰৰ বিনামূলীয়া হেল্পলাইন নম্বৰ মুকলি কৰাৰ কথা উল্লেখ কৰে। লগতে কয় যে কোনো স্বামীয়ে প্ৰথমা পত্নী থকাৰ পিছতো দ্বিতীয় বিবাহ কৰিলে ১৪ বছৰৰ জেল হ'ব আৰু তৃতীয় বিবাহ কৰিলে ২১ বছৰলৈ জেল হাজোতত থাকিব লাগিব । ইফালে বাংলাদেশত হিন্দুৰ ওপৰত কৰা নিৰ্যাতনক তীব্ৰ গৰিহণা দিয়ে মুখ্যমন্ত্ৰীয়ে।

# ভোগালীৰ আনন্দ ঘূৰাই আনো

শুৱণি নদী পানী ভৰা ঘাট
মুদৈয়ে বেপাৰ কৰা
চালত কোমোৰা লাও জিকা ভুল
ভৰালত জহা ধান
গোহালীত গৰু শাকনিত শাক
বাৰিত তামোল পান।'

এই খনেই আমাৰ গাঁও। অসমৰ অসমীয়াৰ গাঁও। যত মাথো আনন্দ, ভোগ আৰু আন্তৰিকতাৰ এখন ছবি। এটা সময় আছিল, ইজনে-সিজনক ভাল পোৱাৰ, সৰুৱে ডাঙৰক শ্ৰদ্ধা জনোৱাৰ আৰু ডাঙৰে সৰুক মৰমেৰে আকোৱালী লোৱাৰ। ওচৰ চুবুৰীয়াৰ বিপদ-সম্পদত ইঘৰে-সিঘৰক সহায়ৰ হাত আগবঢ়োৱাৰ। ৰাজহুৱা অনুষ্ঠানটো বাদেই চুবুৰীয়াৰ সৰু-সুৰা সকাম-নিকাম বা অনুষ্ঠানত সকলোৱেই হাত উজান দি সফল কৰি তুলাৰ। সেয়েহে কবিয়ে কয়—

'ভাওনা সবাহ গীত ভাল পোৱা
মধুৰ মুৰুলী তান
দহোতাৰ কাম একেজনে কৰা
চহাৰ সৰল প্ৰাণ।'

এইখনেই গাঁৱৰ ছবি। একতাৰ বান্ধোনৰ ছবি। নিৰ্ভেজাল গ্ৰাম্য জীৱনৰ ছবি। বিহু আহিলেই গ্ৰাম্য সমাজখন উজাৰি উঠে। বাপতিসাহোন বিহু। বিহুৱে জাতিক প্ৰাণ দিছে। জীয়াই থকাৰ উশাহ দিছে। পৰিচয় দিছে। সেয়ে বিহু অসমীয়াৰ মহাজীৱনৰ পৰিচয়। তাতে আকৌ ভোগালী বিহু। মেতমৰা ভঞ্জালত লাহি-শালি-বাও-বৰা ধানে ৰজনজনাই, শাকনি বাৰিত নানাবিধ লাই, লফা, পালেং, চুকা, ধনিয়া,আলু, বিলাহী, বেঙেনা, লাওঁ, কবি, মুলা আৰু বাৰীৰ ধাপত কাঠআলু, মোৱা আলু, পুখুৰীত থলুৱা কাৰৈ, গৰৈ, ৰৌ, ঢেকেৰা, শিঙি, মাগুৰ, বৰলী, কান্ধুলী, তুৰা, পাভ, আৰি, ভাঙন আদি মাছৰ উভৈনদী আদিয়ে ভোগৰ বিহুটিক ন ৰূপ দিয়াৰ লগতে গাঁৱৰ প্ৰতিজন অসমীয়াক উৎফুল্লিত কৰি তুলে। এয়াই ভোগ। ভোগালী বিহু। ইফালে প্ৰতিঘৰ গৃহস্থিৰ গৃহিনী, গাভৰুৰ গাত তত নাই। পুহ মাহৰ ঠেতুৰৈ জাৰত কপি কপি ঢেকিত খুন্দা খান্দহ জলপান, কড়াইগুৰি, বৰাচাউলৰ তিলপিঠা, ঘিলাপিঠা, তিলৰলাৰু, নাৰিকলৰ লাৰুকে ধৰি নানান বিধ পিঠা-পনা, জা-জলপানৰ আয়োজন। কিমানযে আয়োজন।

এইখিনিতে আমাৰ দিনৰ সেই পাহৰিব নোৱাৰা স্মৃতি ৰোমন্থন অকনমান কৰি নিজকে সন্তুষ্টি কৰিব খুজিছো। আমি যেতিয়া সৰু আছিলোঁ, মাঘ বিহুৰ প্ৰায় এমাহ আগৰ পৰাই কত ভেলাঘৰ, মেজি সাজিম, খৰি কটা, মাছ মৰা, আলু-কচু, শাক-পাচলি, পিঠা-পনা ইত্যাদি, ইত্যাদি গোটোৱা কাম বোৰৰ কাৰণে প্ৰস্তুতি আৰম্ভ হয়। জাক পাতি ডেকা সকলে নক্সৰা তোলা, বাঁহ তোলা কামবোৰ কৰা হৈছিল। পথাৰত এডোখৰ ভাল ঠাই নিৰ্বাচন কৰি চুবুৰীয়া গাঁওবোৰৰ লগত ফেৰ মৰা হয় যে কোনে কিমান ওখ মেজি সাজিব পাৰে। বিহুৰ ১৫-২০ দিন আগৰ পৰা ভেলা ঘৰ আৰু মেজি সজাৰ কামত সকলো লাগি থাকিছিল। সেই দিন কেইটাতে কিমানযে ন ন খোৱাবোৱা চলিছিল এতিয়া ভাবিলেই ভাল লাগে । তেতিয়াযে নাছিল আজিৰ দৰে বিদ্যুৎৰ ব্যৱস্থা। জুইৰ পোহৰেই আছিল একমাত্ৰ পোহৰৰ মাধ্যম। লেম-চাকি আৰু মেণ্ঠল লাইটৰ ব্যৱস্থা হৈছিল উৰুকাৰ দিনাৰ পৰা। মেজি সজা হৈছিল কেইবাটাও। গাঁৱৰ মূল নামঘৰৰ বাটচ'ৰাৰ পৰা আৰম্ভ কৰি একেবাৰে ভেলাঘৰলৈকে প্ৰায় ৫০০-৭০০ মিটাৰ বাটত সজা হৈছিল ৯-১১ টা মেজি। প্ৰতিটো মেজিৰ উচ্চতা ক্ৰমে বাঢ়ি শেষৰটো মেজিৰ উচ্চতা ২০-৩০ মিটাৰ পৰ্যন্ত হৈছিল। গাঁওখনত এক উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছিল পুহ মাহৰ ১৫ তাৰিখৰ পৰা মাঘ মাহৰ প্ৰথম সপ্তাহলৈ। এই সময়ছোৱাত খাদ্যৰ অভাৱ নাছিল। কাৰণ গাঁৱৰ প্ৰতিঘৰ মানুহেই যিয়েই যি পাৰে পিঠা, জলপান, চাহ আদি দি ডেকা জাকক সন্তুষ্ট কৰিছিল। আনফালে গাঁৱৰ প্ৰতিঘৰতে মৰণা মৰা, ধান সিজুৱা, জা-জলপান, পিঠা-পনা বনোৱাৰ হুলস্থুল পুৱতি নিশাৰ পৰাই চলে। ঢেকীৰ ধেং কুলুচ, ধেং কুলুচ শব্দ, মৰণাত হেই... ঘুৰ ঘুৰ, যাহ আদি শব্দত নিয়ৰ সৰা পুহৰ পুৱতি ফাটি-চিটি নোহোৱা হয়। কিমান আমেজসনা দিন আছিল সেইবোৰ। ভাবিলেই ভাল লাগে।

নক'লেও সকলোৱেই জানো যে উৰুকাৰ দিনা ৰাজহুৱা মাছধৰা আনন্দই সুকীয়া। গাঁৱৰ প্ৰতিঘৰৰে সদস্যই জাল-পল, জাকৈ-জুলুকী লৈ পথাৰৰ ৰাজহুৱা পুখুৰীৰ পাৰত এক উৎসৱমুখৰ পৰিৱেশ। ইফালে পুখুৰীৰ চাৰিওপাৰত কন-কন ল'ৰা ছোৱালীৰ পৰা আৰম্ভ কৰি ডেকা-গাভৰু, বুঢ়া-মেথালৈকে গোটখাই কেতিয়া গাঁৱৰ মুখিয়ালসকলে মাইকত পুখুৰীত নমাৰ সংকেট দিয়ে তালৈ অপেক্ষা। সংকেট দিয়াৰ পিছতে গাঁৱৰ পাহুৱাল ডেকা সকলে হাতে হাতে পল-জুলুকী লৈ এক হুলস্থুলীয়া পৰিবেশেৰে পুখুৰীত নমা দৃশ্য সঁচাই অপূৰ্ব। তাৰ পিছত ইজনে-সিজনে নিদ্দিষ্ট পাত্ৰত থোৱা বৰালি, শ'ল, গৰৈ, মাগুৰ, ৰৌ, ঢেকেৰা আদি মাছবোৰ দেখিলেই আনন্দত নাচি উঠিছিল গা। এইমাছবোৰ দুভাগ কৰা হৈছিল। এভাগ ৰাজহুৱা ভোজৰ বাবে আৰু আনভাগ প্ৰত্যেক ঘৰে সমানে ভগাই লৈছিল। এয়াবাৰু কম আনন্দৰ কথা আছিলনে ?

ইয়াৰ উপৰিও কিমানযে ৰসাল কাহিনী হৈছিল, কৈ শেষ নহৈছিল।

এতিয়া যেন এইবোৰ সপোন হল। মানুহবোৰ যন্ত্ৰৰ দৰে হ'ল। গাঁৱৰ বিহু চহৰলৈ গ'ল। গাঁৱত বিহু নোহোৱা হ'ল। বিহুক যেন আধুনিকতাই গ্ৰাস কৰি মুহাৰি সামৰি পেলালে। কৃত্ৰিম ভেলাঘৰ, মেজি প্ৰচলন হল। মানুহৰ সময় নোহোৱা হল। বিহুৰ নামত বিকৃত সংস্কৃতিয়ে ভৰি পৰিল। এই যে ইজনে-সিজনৰ লগত চেনেহৰ বান্ধোন, ইঘৰে-সিঘৰৰ লগত থকা আন্তৰিকতা কৰবাত হেৰাবলৈ ধৰিলে। মানুহবোৰ যন্ত্ৰৰদৰে হবলৈ ধৰিলে। একতাৰ বান্ধোনৰ এনাজৰিডাল চিঙি-ভাঙি টুকুৰা-টুকুৰ হবলৈ ধৰিছে। সহানুভূতিৰ জৰিডাল ঠুনুকা হল। বিজ্ঞান আৰু প্ৰযুক্তিৰ দৌৰত অতীতৰ যাউতীযুগীয়া পৰম্পৰা এতিয়া উত্তৰ প্ৰজন্মৰ কাৰণে সাধুকথাৰ দৰে হবলৈ ধৰিছে। বাপতিসাহোন বিহুৰ পৰম্পৰাৰ লগত নেৰা-নেপেৰা সমন্ধ থকা গৰু, নাঙল, গৰুগাড়ী, ঢেকী, শাল আদিবোৰ কিতাপৰ পাতত মাথো সংৰক্ষিত হবলৈ ধৰিলে। এইয়াই জানো পৰিবৰ্ত্তন। সময়ৰ অভাৱত এইবোৰ যন্ত্ৰৰ ব্যৱহাৰ আৰু অৰ্থনৈতিক সমস্যা ইয়াৰ কাৰণ হলেও জনসংখ্যা বৃদ্ধিও নিশ্চিতভাৱে ইয়াৰ কাৰণ হ'ব পাৰে নেকি ?

নক'লেও সঁচা যে বিহু বৰ্তমান গ্ৰাম্য সমাজত সাৰ্বজনীন হৈ থকা নাই। বিহু আহিলেই আগৰদৰে অসমীয়াৰ মন-প্ৰাণ পুলকিত হৈ উঠে নে কিবা এক বিষাদৰ বতৰাই মনবোৰ সেমেকাই তোলে সেয়া এক চিন্তনীয় বিষয়। দেখাযায় দুই-চাৰিজন ডেকাই কৰবাত চুকত আনন্দ-ফুৰ্টি কৰি ৰাগীয়াল পানীয় আৰু মাছে, মাংখই দকচি খালেই ভোগৰ বিহু হ'বনে ? আৰু বহু কথাই কবলৈ মন যায়...।

যি কি নহওঁক। বিহু অসমীয়াৰ প্ৰাণৰ উৎসৱ। আশাকৰিম প্ৰাণৰ উৎসৱ ভোগালীৰ আনন্দ ঘূৰি আহিব প্ৰতিজন অসমীয়াৰ হৃদয়লৈ। বিহুৰ নান্দনিক শিপাডাল যিমানেই ঘুণে নধৰক কিয় অসমীয়া মানুহৰ শিৰা-উপশিৰাই বিয়পি এক নতুন প্ৰতিশ্ৰুতিৰ বিমল আনন্দ যোগাব, তাৰেই আশা ৰাখিছোঁ। আহক আমি সকলোৱে মিলি মাঘ বিহু অৰ্থৎ ভোগালীৰ সেই তাহানিৰ নিৰ্ভেজাল আনন্দ উপভোগ কৰোঁ।

# নগাঁৱৰ মাঘৰ বিহুৰ পৰম্পৰা

ক'লেই অসমীয়াৰ মন-প্ৰাণ উতলা কৰি তোলে। আমাৰ তিনিটা বিহুৰ ভিতৰত অন্যতম হ'ল ভোগালী বিহু বা মাঘবিহু। মাঘবিহু অসমৰ জাতীয় জীৱনৰ এক শক্তিশালী উৎসৱ। আনন্দ আৰু ভোগৰ অনন্য সৌন্দৰ্যৰ আকৰ হ'ল মাঘ বিহু। পুহ মাহৰ শেষৰ দিনটোত ভোগালীক আদৰা আৰু উদযাপন কৰাৰ পৰম্পৰা আবহমান কালৰে চলি আহিছে। আঘোণ মাহ সোমোৱাৰ লগে লগে শালিধান কটা হয়। পুহমাহত পথাৰৰ পানী কমাৰ লগে লগে বাওঁধান কটা হয়। আজিকালি বাওঁধানৰ খেতি কমি আহিছে। আজিৰ পৰা দুবছৰৰ আগলৈকে এই সময়ত বছেৰেকীয়া পৰীক্ষা শেষ হৈছিল। পঢ়া-শুনাৰ পৰা কিছু সকাহ পোৱা হৈছিল। সেয়ে ঘৰৰ সকলোৱে পথাৰলৈ গৈ ধানকটাত ব্যস্ত হোৱাৰ লগতে পথাৰৰ লখিমী ঘৰলৈ অনাৰ পৰম্পৰা চলি থাকে। ভৰ-দুপৰীয়া আদা-নিমখৰে কোমল চাউল খোৱা আৰু ৰবাব টেঙা খোৱাৰ মাদকতাই সুকীয়া। বিভিন্ন কাৰণত এনে মধুৰ সময়ৰ কিছু পৰিবৰ্তন হৈছে। অসমীয়া ৰাইজৰ হৃদয়ৰ স্পন্দন স্বৰূপ ভোগালী বিহুৰ কথা ওলালেই অসমীয়া চহকী খাদ্যসমূহৰ কথা মনলৈ ভাহি আহে। যি কি নহওক নগাওঁ জিলাত ৰঙালী বিহুৰ দৰে ভোগালী বিহু উদযাপনৰ এক পৰম্পৰা চলি আহিছে। অৱশ্যে ঠাই বিশেষে ভোগালী বিহু উৎসৱৰ পৰম্পৰা সুকীয়া। ভোগালী বিহু উদযাপনৰ বাবে হাৰলিঘৰ বা মেজিঘৰ নিৰ্মাণৰ প্ৰস্তুতি চলে পুহৰ মাজভাগৰ পৰা। পুহৰ প্ৰথম সপ্তাহৰ পৰা হাৰলিঘৰত জ্বলাবলৈ বাৰীৰ গছ কাটি টুকুৰা টুকুৰ কৰি মেজি সাজি শুকাবলৈ দিয়া হয়। পথাৰৰ ধানকাটি শেষ হোৱাৰ পিছত পথাৰৰ নৰাকাটি, বাঁহৰ খুঁটাৰে চাৰিচুকীয়া বৰ্গাকৃতিৰ হাৰলিঘৰ নিৰ্মাণ কৰা হয়। মাঘ বিহুৰ ওৰুকাৰ দিনা জিলাখনৰ বিভিন্ন ঠাইত মাছধৰা পৰম্পৰা আজিও চলি আছে। আজিকালি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে বিভিন্ন স্থানত অত্যাধুনিক আৰু চমৎকাৰিতাৰে হাৰলিঘৰ নিৰ্মাণ কৰাৰ এক অঘোষিত প্ৰতিযোগিতা চলিছে। উৰুকাৰ দিনা গধূলি হাৰলিঘৰৰ সন্মুখত ডাঙৰকৈ জুই ধৰি নাম কীৰ্ত্তন গাই মাহপ্ৰসাদ খোৱাৰ আন এক মাদকতাভৰা পৰম্পৰা চলি আছে। এসময়ত হাৰলিঘৰত মাছে ,মঙহে ভোজভাত খোৱাৰ পৰম্পৰাও আছিল। পৰিবৰ্তিত পৰিস্থিতিত এই ধাৰা সলনি হৈছে যদিও ঠাই বিশেযে এই পৰম্পৰা চলি আছে।সংক্ৰান্তিৰ দিনা অৰ্থাৎ পুহৰ শেষৰ দিনা পুৱা হাৰলিঘৰত গৈ অগ্নিপুজা কৰি মেজি জ্বলোৱা হয়। অগ্নিত মাহ- প্ৰসাদ, পিঠাপনা তামোল- পান, মোৱা আলু আদি নৈবেদ্য অৰ্পণ কৰা হয়। ঠাই বিশেযে সংক্ৰান্তিৰ দিনাই হাৰলিঘৰ জ্বলাই দিয়া হয়। কিছুমান গাঁৱৰ বা স্থানত তিনিদিনৰ পৰা সাতদিনলৈ হাৰলিঘৰ ৰাখি থোৱা হয়। দুই এক স্থানত সৰস্বতী পূজাৰ দিনলৈকে হাৰালিঘৰ ৰখা পৰিলক্ষিত হয়। ঠাইবিশেযে একো একোখন গাঁৱত তিনি, চাৰিটা হাৰলিঘৰ সজা দেখা যায়। জিলাখনৰ নগৰ চহৰতো হাৰলিঘৰ সাজি ভোগালী বিহু উদযাপন কৰে। এই হাৰলিঘৰত গাঁৱৰ বা চুবুৰীয়া মিলি ভোজভাত খাই হাৰলিঘৰ পুৰি পেলাই। কিছুমান ঠাইত ওৰুকাৰ নিশা একাংশ যুৱকে ঘৰৰ জপনা চুৰ কৰা ,এঘৰৰ ঢেকী আন এঘৰত থৈ দিয়া, গাখীৰ দিয়া গাইৰ বান্ধি থোৱা পোৱালি মুকলি কৰি দিয়া , চোতালত হালবোৱা আদি পৰম্পৰা আছে। পিছদিনা গৃহস্থই এইবোৰ প্ৰত্যক্ষ কৰি গোৱাল গালি দিয়া আদিয়ে মাঘবিহুৰ এক নান্দনিক পৰিবেশ সৃষ্টি কৰে। কিছুমান ঠাইত একাংশ যুৱকে নিশা ৰাস্তাই ৰাস্তাই বিহুগীত গোৱাৰ লগতে দুই এঘৰত সোমাই বিহুৰ চাহ খাই।বাৰীৰ শাক পাছলি চুৰ কৰা, ঘৰৰ হাহ আদি চুৰ কৰা আদি বোৰটো আছেই। এই বিহুৰ সময়ত বিভিন্ন খেলধেমালি খেলা হয়। সময়ৰ পৰিবৰ্তনৰ লগে লগে ভোগালী বিহুৱে আনুষ্ঠানিক ৰূপ পালে। নগাঁও জিলাত ক'ত কেতিয়া ভোগালী বিহুৱে আনুষ্ঠানিক ৰূপ পালে সেয়া সবিশেষ জনা নাযায় যদিও ১৯১২- ১৩ চনমানৰ পৰা নগাঁও চহৰৰ নেহৰুবালিত ভোগালী বিহুৱে আনুষ্ঠানিক ৰূপ পায়। সম্ভৱতঃ এইখনেই অসমৰ প্ৰথম মঞ্চ ভোগালী বিহু। এসময়ত কলঙৰ বুকুৰেদি নাৱেৰে মাছ আনি সমূহীয়া ভোজভাত খোৱাৰ পৰম্পৰা আছিল। প্ৰীতিমেল এই ভোগালী বিহুৰ অন্যতম আকৰ্ষণ। বৰ্তমান সময়ত নগাঁৱৰ নেহৰুবালি এই ভোগালী বিহুৱে ৰাজ্যখনৰ ভিতৰতে উল্লেখযোগ্য ভোগালী বিহু উৎসৱলৈ ৰূপান্তৰিত হৈছে। বৰ্তমান ন-ন অনুষ্ঠান এই বিহুত সংযোজিত হোৱাত এই বিহুৱে নতুন মাত্ৰা লাভ কৰিছে। এই বিহুৰ লগত নগাঁৱৰ সমাজ জীৱনৰ সকলো দিশ সংপৃক্ত হৈ থকাটো মনকৰিবলগীয়া বিষয়। চলিত বৰ্ষত এই বিহুৱে ১১৩ বৰ্ষত ভৰি দিছে। জিলাখনৰ আন এখন ভোগালী বিহু উৎসৱ হ'ল— ধিং ভোগালী বিহু উৎসৱ উদযাপন সমিতি। ধিঙৰ লুইত পৰীয়া যুৱক সংঘৰ খেল পথাৰত অনুষ্ঠিত হৈ অহা এই ভোগালী বিহু উৎসৱ সোণালী জয়ন্তী বৰ্ষ গৰকা অনুষ্ঠান। এই বিহুত শিশু সকলৰ মাজত খেলধেমালি, চিত্ৰাংকন প্ৰতিযোগিতা, মহিলাৰ মাজত পিঠাপনা বনোৱা প্ৰতিযোগিতা, ছাত্ৰ- ছাত্ৰীৰ মাজত গীতৰ প্ৰতিযোগিতা, ভলীবল প্ৰতিযোগিতা, সমূহীয়া ভোজভাত খোৱা আদি অনুষ্ঠিত হয়। নগাঁও চহৰৰ শিৱনগৰ ভোগালী বিহু উৎসৱ এইবাৰ ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছে। মেজি প্ৰজ্বলন, জ্যেষ্ঠ জনক শ্ৰদ্ধা জ্ঞাপন, খেলধেমালি, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হয়। নগাঁও চহৰৰ পাৱাৰ হাউছ তিনিআলি, উত্তৰ হয়বৰগাঁৱত আনুষ্ঠানিকভাৱে ভোগালী বিহু উদযাপন কৰা হৈছিল যদিও বৰ্তমান কিছু বছৰ ধৰি উদযাপন হোৱা নাই। একেদৰে জিলাখনৰ শিলঘাট, জখলাবন্ধা আদিত অনুষ্ঠিত ভোগালী বিহু এতিয়া আনুষ্ঠানিকভাৱে উদযাপন নহয়। জিলাখনৰ কামপুৰত আজি কেবাবছৰ ধৰি উলহ- মালহৰে ভোগালী বিহু উদযাপিত হৈ আছে। মহযুজ নগাঁৱৰ ভোগালী বিহুৰ আন এক পৰম্পৰা। জিলাখনৰ দেওধৰ- মৌখাতি, পাঠৰি, চামধৰা-বালিটিকা, হুজৰঙাগড়া, বাৰপুজীয়া আদি বিভিন্ন স্থানত ম'হযুঁজ অনুষ্ঠিত হৈ আহিছে। নগাঁও জিলাৰ এখন ঐতিহ্যময় গাঁও কলিয়াবৰৰ সোণাৰী গাঁৱৰ ক'লীবুঢ়ী নাচ ভোগালী বিহুৰ অন্যতম আকৰ্ষণ। এই নাচ কলিয়াবৰ সোণাৰী গাঁৱৰ এক স্বকীয় সংস্কৃতি। সাতটা খেল থকা এই গাঁৱত তিনিশতাধিক ঘৰ আছে। সাংস্কৃতিক ভাবে চহকী এই গাঁওখনৰ ক'লীবুঢ়ী নাচ অন্যতম লোকনাট্যানুষ্ঠান হিচাপে চিহ্নিত। এই নাচৰ কিছু অংশ অশ্লীল আৰু জোকোৱা গীত।

'হাতে মেলি হালধি ঘহিম মই মালতী
চুলি মেলি ঘহিম তেল।
খৰাগড়ৰ মুৰলৈ যামেই মই মালতী
ভাঙিম ডেকা ল'ৰাৰ মেল।'

এনেদৰেই মাঘবিহুত ৮০ৰ উৰ্ধৰ মহিলাসকলে এই নাচত অংশ লয়। অৱশ্যে এতিয়া ৬৫ বছৰ উৰ্ধৰ মহিলা সকলৰ মাজত এই নাচ পৰম্পৰাগত ভাবে চলি আহিছে। স্থানীয় সূত্ৰৰ মতে এই নাচ ২০০ আগতে প্ৰথম আৰম্ভ হৈছিল। সাতখেল সোণাৰীৰ লোক সকলে জয়সাগৰ দলনীৰ সমীপত খেল অনুয়ায়ী হাৰলিঘৰ বা ধাৰাঘৰ সাজে। মাঘবিহুৰ তৃতীয় ।দিনা ভোজভাত খাই ধাৰাঘৰ জ্বলাই দিয়ে। মাঘবিহুৰ তৃতীয় দিনা শনিবাৰ, মঙ্গলবাৰ, অমাৱস্যা হয়, তেতিয়া চতুৰ্থ দিনাহে ধাৰাঘৰ জ্বলোৱা বা পোৰা হয়। পোৰা ধাৰাঘৰৰ উৰি অহা কুকুহাবোৰ অতি ভক্তিৰে ধৰি ৰাখি আবেলিলৈ তাৰ ছাই ফোঁট সকলোৱে গালে মূখে সানি আনন্দ প্ৰকাশ কৰা দেখা যায়। ইয়াৰ হাৰলিঘৰৰ নয়নাভিৰা দৃশ্যই সকলোকে আকৰ্ষণ কৰে। এই হাৰলিঘৰ কেন্দ্ৰীক এই নাচ সোণাৰী গাঁৱৰ দক্ষিণ- পশ্চিম চুকত অৱস্থিত 'খড়াগড়'ত প্ৰথম আৰম্ভ হৈছিল। ক'লীবুঞ্জী নাচত অংশগ্ৰহণ কৰা হকলে প্ৰথমে এযোৰ তামোল-পান আগবঢ়াই সেৱা লয়। প্ৰধান নাচনী গৰকীয়ে মুৰত চেলেঙৰ পাগুৰী মাৰি, বোৱা ৰিহা, চাদৰ-মেখেলা চুটিকৈ পিন্ধি নাচত অংশ লয়। সহযোগী সকলেও পাগুৰীৰ বাহিৰে একে পোছাক পৰিধান কৰে। টকা, খুঁটিতাল, লাখুঁটি এডাল আৰু বাহৰ জেওৰা দুচটা প্ৰধান বাদ্যযন্ত্ৰ। গাঁৱৰ খনৰ জীয়ৰী, সাংস্কৃতিক কৰ্মী নমিতা হাজৰিকাই জনোৱা মতে এই নাচৰ লগত সংপৃক্ত গীতবোৰ আনন্দ আৰু হাহি-ধেমালিৰ গীত। এই গীত কিছু অশ্লীল আছিল বাবেই ইয়াত পুৰুষ আৰু কমবয়সীয়া লোকে প্ৰৱেশ কৰিব নোৱাৰিছিল। এই গীত চাপৰিৰ লগত তাল মিলাই এনেদৰে গায়—

'এইখন কলিয়াবৰ ঐ মালতী
এইখন কলিয়াবৰ
ছঅৰা সত্ৰ বাৰখন থানঐ
ধৰ্মই বেৰি আছয়ে...।'

ব্ৰিটিছ শাসনৰ হোৱা বৰ্বৰ নিৰ্যাতনত ক্ষোভিত বৃদ্ধা সকলৰ ক্ষোভৰ অনুভূতি ক'লীবুঢ়ী নাচত প্ৰকাশ পাইছিল

'ন-পানী বাঢ়িলে ঢেৰেকনি মাৰিলে
ঢেৰেকনি মাৰিলে, চাহাবে ঐ জুলুকী বায়
চাহাবনীৰ ভৰিতে শিঙি মাছে বিন্ধিলে
চাহাবে ঐ চেলেকী চায়।'

মূলত কৃষিজীৱী জীৱনৰ লগত ভোগালী বিহুৰ ঐতিহ্য জড়িত আছে। জড়িত আছে লোকবিশ্বাস আৰু পৰম্পৰা। হেম বৰুৱাৰ মতে মাঘৰ কথা হৈছে 'এইবাৰ মাঘৰ মেজিৰ জুইকুৰা/ বৰ ৰঙাকৈ জ্বলিছিল/আমাৰ আইতাৰ ক'লী ছাগলীজনীৰ/দুটা পোৱালি জগিছে/এটা শুধ বগা আনটো পখৰা'।




স্বত্বাধিকাৰ মহিব উল্লাহৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত, এটি ৰোড, লক্ষীনগৰ চাৰিআলি, হয়বৰগাঁও, নগাঁও-৭৮২০০২ৰ পৰা প্ৰকাশিত, জে এন প্ৰিন্টিং হাউচ, এম ডি ৰোড, নগাঁও-৭৮২০০১ (অসম)ৰ পৰা মুদ্ৰিত। গুৱাহাটী কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী চাৰ্ভিচ, শিলপুখুৰী, গুৱাহাটী-৩, ফোন ঃ ৭০০২১৫৯৬০৬/৮৬৩৮৯৯২৫৬৮।

Owner, Publisher & Printer, Mohib Ullah, Published from A.T. Road, Lakhinagar Chariali, Haibargaon, Nagaon-782002 & Printed at J.N. Printing House, M.D. Road, Nagaon-782001 (Assam), Guwahati Office : Pensionpara Road, Goswami Service, Silpukhuri, Guwahati-3. Phone No. 7002159606/8638992568. Email- amaraditi20@gmail.com

**Chief Editor: Muruli Boruah** **Editor: Mohib Ullah**

মুখ্য সম্পাদক ঃ মুৰুলী বৰুৱা, সম্পাদক ঃ মহিব উল্লাহ